
Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, APRIL 30, 2025 ■ বুধবাৰ, ১৬ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২২ Guwahati, Assam ।। মূল্যঃ এটকা



জয়ৰ পিছত পত্নীৰ সৈতে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নে

## অসাৰ ট্ৰাম্পৰ ৰঙাচকু! কানাডাত লিবাৰেলৰ জয়

অট'ৱা, ২৯ এপ্ৰিলঃ কানাডাৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ কৰি নিজেই ট্ৰেজেডীৰ কাৰণ হৈ পৰিল আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। কানাডাক আমেৰিকাৰ "৫১ সংখ্যক ৰাজ্য" হিচাপে গঢ়ি তোলাৰ ভাবুকি, কানাডাৰ সামগ্ৰীৰ ৭ নং পৃষ্ঠাত

## আজি দিব উঃ মাধ্যমিকৰ ফলাফল

ই-সংবাদ, ২৯ এপ্ৰিলঃ আজি প্ৰথমবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিপৰীতে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ৩ নং পৃষ্ঠাত

### পাকিস্তানক এশিকনি দিবলৈ তৎপৰ ভাৰত

## দিল্লীত আজি পিএম মোদীৰ একাধিক বৈঠক

নতুন দিল্লী, ২৯ এপ্ৰিলঃ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিণতি আৰু ভাৰতৰ প্ৰত্যুত্তৰক লৈ এই মুহূৰ্তত ৪ পৃষ্ঠাত চাওক

**বিশেষ বৈঠকত পাকিস্তানৰ বিৰুদ্ধে ৰণনীতি প্ৰস্তুতৰ সম্ভাৱনা**

## ২৪ ঘণ্টা! মুখ্যমন্ত্ৰীক ক্ষমা খুজিবলৈ সময় কংগ্ৰেছৰ

### হিমন্তক সমালোচনা ভূপেন বৰাৰ

ই-সংবাদ বিশেষ, ২৯ এপ্ৰিলঃ বিপ্লৱ শৰ্মা প্ৰতিবেদনৰ দোহাই দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ নাৰী সমাজক চূড়ান্তভাৱে অপমান কৰা কাৰ্যই ৰাজ্যজুৰি ৪ পৃষ্ঠাত


## এটিএমত থাকিব লাগিব 'সৰু' নোট

নতুন দিল্লী, ২৯ এপ্ৰিলঃ এটিএমৰ পৰা ধন উলিয়াওঁতে 'সৰু' নোটৰ অভাৱত সমস্যাৰ ৫ পৃষ্ঠাত

### পেহেলগাম সংহাৰৰ প্ৰত্যুত্তৰ দিবলৈ প্ৰস্তুতি! দিল্লীত ৩ সেনাৰ মুৰব্বীৰে বৈঠক

# সামৰিক অভিযানৰ বাবে সেনাক পূৰ্ণ স্বাধীনতা মোদীৰ

● সেনাই নিৰ্ধাৰণ কৰিব অভিযানৰ স্থান, কাল আৰু লক্ষ্য, বৈঠকত সেনাক স্বতন্ত্ৰ অভিযানৰ অনুমতি



নতুন দিল্লী, ২৯ এপ্ৰিলঃ পাকিস্তানৰ বিৰুদ্ধে সামৰিক অভিযান চলোৱাৰ পূৰ্ণ স্বাধীনতা লাভ কৰিলে ভাৰতীয় সেনাই। পেহেলগামত ২৬ জনকৈ নিৰীহৰ প্ৰাণ কঢ়া নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰত পাকিস্তান জড়িত থকাৰ কথা নিশ্চিত ৫ নং পৃষ্ঠাত

## বন্দুক যুদ্ধত ডিমা হাচাওত নিহত তিনি এনএছচিএনৰ দুৰ্ধৰ্ষ কেডাৰ



ই-সংবাদ, ২৯ এপ্ৰিলঃ পেহেলগাম ঘটনাৰ পিছতে উত্তৰ-পূৰ্বাঞ্চলত আৰম্ভ হৈছে ৩ পৃষ্ঠাত

## পাক বিমানৰ বাবে নিষিদ্ধ হ'ল ভাৰতৰ আকাশমাৰ্গ

নতুন দিল্লী, ২৯ এপ্ৰিলঃ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী সময়ত এই আক্ৰমণৰে ৪নং পৃষ্ঠাত

## পেগাছাছক লৈ গ্ৰীণ ছিগনেল ছুপ্ৰিম ক'ৰ্টৰ

নতুন দিল্লী, ২৯ এপ্ৰিলঃ পেগাছাছ নামৰ স্পাইৱেৰৰ ব্যৱহাৰক 'ভুল' ৫ পৃষ্ঠাত

## অখিললৈ বিশেষ পৰামৰ্শ গৌৰৱ গগৈৰ

### স্থিৰতা আনিবলৈ আহ্বান

ই-সংবাদ, শিৱসাগৰ, ২৯ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনত বিৰোধীৰ মাজতে আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ৭ পৃষ্ঠাত চাওক

## 'ইমানতে শেষ কৰি দিয়ক কথাবোৰ'! গৌৰৱ প্ৰসংগৰ পৰা ছত্ৰভংগ মুখ্যমন্ত্ৰী হিমন্তৰ

### গৌৰৱৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত হঠাৎ সলনি হ'ল কথাৰ সুৰ

ই-সংবাদ, ২৯ এপ্ৰিলঃ যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে আনা পাকিস্তান সংযোগৰ অভিযোগৰ পাশাখেলখন বন্ধ কৰাৰ কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি মৰিগাঁৱত বহুত ২ নং পৃষ্ঠাত





### পেহেলগামৰ নিৰাপত্তাক লৈ প্ৰশ্ন

## লক্ষ্ণৌৰ অধ্যাপিকা মাদ্ৰী কাকতিৰ বিৰুদ্ধে দেশদ্ৰোহৰ অভিযোগ

লক্ষ্ণৌ, ২৯ এপ্ৰিলঃ লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ভাষা বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ মাদ্ৰী কাকতিৰ বিৰুদ্ধে ৰুজু কৰা ৭ পৃষ্ঠাত চাওক



## সুৰক্ষাৰ স্বাৰ্থত বন্ধ কাশ্মীৰৰ ৪৮ পৰ্যটনস্থলী

ই-সংবাদ, ২৯ এপ্ৰিলঃ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত নিৰাপত্তাক লৈ ডাঙৰ প্ৰশ্নৰ সৃষ্টি হৈছে। উক্ত ঘটনাৰ বাবে বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে চৰকাৰৰ নিৰাপত্তাৰ সুৰক্ষাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। ইয়াৰ মাজতে ৪ নং পৃষ্ঠাত

**স্থানীয় লোকৰ জীৱন-জীৱিকাৰ ওপৰত পৰিব প্ৰত্যক্ষ প্ৰভাৱ**

## অভিনেতা ৰোহিতৰ মৃত্যুৰ নতুন মোৰ!

ই-সংবাদ, ২৯ এপ্ৰিলঃ ২৭ এপ্ৰিলৰ সন্ধিয়া মুম্বাইত হিন্দী ছবিত ২ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ইমানতে শেষ কৰি দিয়ক কথাবোৰ’!

কাম কৰিবলৈ থকাৰ বাবে সাংবাদিকক ইমানতে বিষয়টো শেষ কৰি দিয়ক বুলি কয় মুখ্যমন্ত্ৰীয়ে। বিগত প্ৰায় তিনি মাহ ধৰি গৌৰৱ গগৈ, গৌৰৱ গগৈৰ পত্নী, দুই সন্তানৰ বিৰুদ্ধে বাৰে বাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুতৰ অভিযোগ উত্থাপন কৰি আহিছে। তৰুণ গগৈৰ দুই নাতি তথা গৌৰৱ গগৈৰ দুই সন্তানক ভাৰতীয় বা অসমীয়া নহয় বুলি দাবী কৰিছিল মুখ্যমন্ত্ৰীয়ে। ইমানেই নহয়, পত্নীয়ে ভাৰতত থাকি পাকিস্তানৰ দৰমহা লোৱাৰ কথা প্ৰকাশ কৰিছিল। যাৰ দ্বাৰা গৌৰৱ গগৈ আৰু পত্নীক পাকিস্তানৰ এজেণ্ট বুলি বাৰে বাৰে মুখ্যমন্ত্ৰীয়ে দোহাৰি আছে। গৌৰৱ গগৈয়ে কেনেকৈ নামাজ পঢ়িবলৈ শিকিলে বুলি প্ৰশ্ন কৰি পাকিস্তানত ১৫ দিন থাকি অহা বুলি বাৰে বাৰে কৈছে মুখ্যমন্ত্ৰীয়ে। এই বিষয়টোৱে অসমৰ ৰাজনীতিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। একাংশ লোকে মুখ্যমন্ত্ৰীৰ ভাষ্যক লৈ কৈ আহিছে যে যদি গৌৰৱ গগৈ আৰু পত্নীয়ে সঁচাকৈয়ে পাকিস্তানৰ সৈতে যোগাযোগ ৰক্ষা কৰিছিল তেন্তে সোনকালে গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছিল। আনহাতে একাংশ লোকে মুখ্যমন্ত্ৰীয়ে পূৰ্বে অনা তেনে বহু গুৰুতৰ অভিযোগক ফুটুকুৰ ফেন হোৱা বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে ১০ ছেপ্তেম্বৰত গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত বিস্ফোৰণ ঘটোৱাৰ কথা কৈ আহিছে যদিও মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ পৰা ছত্ৰভংগ দিয়া পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বেও আন কেইবাটাও এনে গুৰুতৰ অভিযোগ নিজ মুখে আনি ছত্ৰভংগ দিছে। শিলচৰত বদৰুদ্দিন আজমলৰ উপস্থিতিত পাকিস্তান জিন্দাবাদ ধ্বনি দিয়াৰ অভিযোগ আনিছিল মুখ্যমন্ত্ৰীয়ে। খোদ এটা ভিডিঅ’ শ্বেয়াৰ কৰিছিল। কিন্তু পিছত মুখ্যমন্ত্ৰীৰ ফেচবুক পেজৰ পৰা ভিডিঅ’টো ডিলিট কৰিছিল। মুখ্যমন্ত্ৰীয়ে জিন্দাবাদ ধ্বনি দিয়া বুলি প্ৰমাণ কৰিব নোৱাৰিলে। আজমল পৰিয়ালৰ দাতব্য সংস্থাই ইছলামিক জিহাদী সংগঠনৰ পৰা ধন লৈ অসমত কাম কৰাৰ গুৰুতৰ অভিযোগ আনিছিল মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে বহুত লম্ফ-জম্ফ কৰিও আজমলৰ সংস্থাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। আনহাতে হাগ্ৰামা মহিলাৰীয়ে হাজাৰ হাজাৰ কোটি টকাৰ দুৰ্নীতি কৰাৰ অভিযোগ আনি বিগত বিটিচি নিৰ্বাচনৰ পিছতে হাগ্ৰামা মহিলাৰীক গ্ৰেপ্তাৰৰ কথা আছিল কিন্তু আজিলৈ হাগ্ৰামা মহিলাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। শেহতীয়াকৈ ৰাহুল গান্ধীয়ে মণিপুৰৰ পৰা আৰম্ভ কৰা ন্যায় যাত্ৰাৰ সময়ত ৰাহুল গান্ধী গুৱাহাটীত প্ৰৱেশৰ সময়ত গুৱাহাটীত যিজন ৰাহুল গান্ধীক মানুহে দেখিছিল সেইজন বেলেগ মানুহ আছিল বুলি দাবী কৰি ‘বডী-ডাবল’ বুলি কৈছিল। সেই সময়ত বিষয়টো মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে চৰ্চা কৰি পিছত সবিস্তাৰে প্ৰকাশ কৰি বিষয়টোৰ কথা অসমৰ ৰাইজক জনোৱাৰ কথা আছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীৰ বডী ডাবলক লৈ আজিলৈ প্ৰমাণ দিব নোৱাৰিলে। কংগ্ৰেছ নেতা তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সংযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ মন্তব্য প্ৰদান কৰিছে। কিন্তু আজিৰে পৰা মুখ্যমন্ত্ৰীয়ে এই অভিযোগক লৈ মোখনি মাৰিবলৈ সাংবাদিকক আহ্বান জনায়। আজি মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ মুখ্যমন্ত্ৰীয়ে গুৰুতৰ অভিযোগ সন্দৰ্ভত ইয়াতকৈ বেছি মোক সুধিব নালাগে, ইমানতে বিষয়টো শেষ কৰি দিয়ক বুলি সাংবাদিকক উদ্দেশ্যি মন্তব্য প্ৰদান কৰে। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই গৌৰৱ গগৈক লৈ অনা অভিযোগ সন্দৰ্ভত মন্তব্য দিয়া বুলি নিৰ্দিষ্ট এটা সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল। এদিন পূৰ্বে অখিল গগৈয়ে কৈছিল যে যদি গৌৰৱ গগৈয়ে দেশৰ তথ্য পাকিস্তানক দিছে তেন্তে বেয়া কাম কৰিছে। গৌৰৱ গগৈয়ে পাকিস্তানত যোৱাটো অপৰাধ হ’ব নোৱাৰে বুলি কৈছিল অখিল গগৈয়ে। আজি মৰিগাঁৱত অখিল গগৈৰ মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ দলৰ বিধায়কেই প্ৰকৃততে ফাদিল কৰি দিলে অসমৰ চৰ্চিত সাংসদগৰাকীৰ পাকিস্তান ভ্ৰমণৰ সত্যতা। অখিল গগৈৰ সুৰতে সুৰ মিলাই আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অখিল গগৈয়ে গৌৰৱ গগৈক এক্সপোজ কৰি দিলে। তাৰ মানে পাকিস্তান যোৱাটো সঁচা। অখিল গগৈ অলপ চালাক হয়। যিটো কথা এতিয়ালৈকে গৌৰৱ গগৈয়ে কোৱা নাই, মই যোৱাটো হয় নে নহয়। অখিল গগৈয়ে তেওঁক এক্সপোজ কৰি দিলে যে গৌৰৱ গগৈ যোৱাটো সঁচা। মই প্ৰশ্ন কৰি আছো উত্তৰ দিয়া নাই। আমাৰ বহুত কাম আছে। এইটো আমাৰ কাম নহয়। সাংসদজনক প্ৰশ্ন কৰিছিলো। তেওঁ উত্তৰ দিয়া নাই। আইনে উত্তৰ উলিয়াই ল’ব। তাতকৈ বেছি মোক সুধিব নালাগে। ইমানতে বিষয়টো শেষ কৰি দিয়ক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনেতা ৰোহিতৰ মৃত্যুৰ নতুন মোৰ!

সহঃঅভিনেতা হিচাপে কাম কৰা ৰোহিত বাছফৰ নামৰ অভিনেতাজনৰ মৃত্যুক লৈ চাঞ্চল্য অব্যাহত আছে। মহানগৰীৰ সংৰক্ষিত গড়ভঙা বনাঞ্চলত মৃতদেহ উদ্ধাৰৰ পিছতে চাৰি বন্ধুৱে লগ লাগি ৰোহিত বাছফৰক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছিল পৰিয়ালে। চাৰি বন্ধুৰ সৈতে গড়ভঙা বনাঞ্চললৈ ভ্ৰমণ কৰিবলৈ যোৱাৰ সময়তে এই ঘটনা সংঘটিত হৈছিল। কিন্তু আজি এজন বন্ধুৱে সেয়া হত্যাকাণ্ড নাছিল দুৰ্ঘটনা আছিল বুলি দাবী কৰিছে। সেয়া হত্যা নহয়, পানীত পৰি ৰোহিত বাছফৰৰ মৃত্যু হৈছিল বুলি দাবী কৰিছে বন্ধুজনে। ৰোহিতৰ সৈতে বনাঞ্চললৈ যোৱা পলাতক হৈ থকা জিমনাষ্টিক চেণ্টাৰৰ স্বত্বাধিকাৰী অমৰদীপে আজি সংবাদ মাধ্যম যোগে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। পৰিয়ালে চাৰি বন্ধুৱে ৰোহিতক পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগ অনাৰ বিপৰীতে জিমনাষ্টিক চেণ্টাৰৰ স্বত্বাধিকাৰী অমৰদীপে আজি কয় যে আমি ফুৰিবলৈ গৈছিলো। খানা খাই সি গা ধুবলৈ গৈছিল। নদীত নামিয়েই আমাৰ চকুৰ সন্মুখত পানীৰ মাজত সোমাই গৈছিল ৰোহিত। ৰোহিতে সাঁতুৰিব নাজানে। আমিও নাজানো। আমি নাজানো বাবে পানীত নামিবলৈ ভয় কৰিছিলো। ল’ৰাজন বহুত ভাল মানুহ। প্ৰফেছনল ল’ৰা আছিল। সি যাতে ভাল মানুহ হয় তাৰ বাবে তাক এটা কাম দিছিলো। জিমনাষ্টিকৰ কোচ হ’ব পাৰে তাৰ বাবে কাম দিছিলো। আনহাতে, অমৰদীপৰ সৈতে থকা এগৰাকী যুৱতীয়ে কয় যে আৰক্ষীয়ে বিচাৰিলে আমি সহযোগ কৰিম। আৰক্ষীৰ ওচৰত ৰোহিতৰ যিসমূহ বস্তু আছিল বাইকৰ চাবি, মোবাইল সকলো দি থৈ আহিছো। আমি পলাবলগীয়া থাকিলে নিজেই আৰক্ষী থানালৈ নগ’লোহেঁতেন। ৰোহিত বাছফৰৰ পৰিয়ালে হত্যা কৰাৰ অভিযোগ উত্থাপন কৰি ইতিমধ্যে ফটাশিল আমবাৰী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও এজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰিব পৰা নাই। আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰিব পৰা নাই যদিও সংবাদ মাধ্যমত এজন অভিযুক্তই মন্তব্য প্ৰদান কৰা দেখা গৈছে। উল্লেখ্য যে গুৱাহাটীৰ বৰ্ষাপাৰাত ঘৰ ৰোহিত বাছফৰৰ। বিগত কেইবাবছৰ ধৰি মুম্বাইত থাকি হিন্দী বোলছবি জগতৰ সৈতে জড়িত হৈ আছিল যগিও প্ৰায় এমাহ পূৰ্বে অসমলৈ উভতি আহিছিল ৰোহিত বাছফৰ। ২৭ এপ্ৰিলত চাৰি বন্ধুৰ সৈতে মহানগৰীৰ সংৰক্ষিত গড়ভঙা বনাঞ্চল ভ্ৰমণ কৰিবলৈ গৈছিল। ভৰলুস্থিত জিনমাষ্টিক চেণ্টাৰৰ মালিক অমৰদীপ, ৰঞ্জিত বাছফৰ, অশোক বাছফৰ আৰু ধৰম বাছফৰ ৰোহিতৰ সৈতে গৈছিল। গড়ভঙা বনাঞ্চলত দুপৰীয়াৰ পৰা সন্ধিয়া পৰ্যন্ত কটায় ৫ বন্ধুৱে। কিন্তু সন্ধিয়া জংঘলৰ পৰা চাৰি বন্ধুহে ওলাই আহে। চাৰি বন্ধুৱে ওলাই অহাৰ পিছতে আৰক্ষীয়ে লাভ কৰিছিল হত্যাকাণ্ড সংঘটিত হোৱাৰ খবৰ। চাৰি বন্ধুৱে ৰোহিতৰ মৃত্যু হোৱা বুলি পৰিয়ালক খবৰ দিছিল। লগে লগে আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। আৰক্ষীয়ে হত্যাকাণ্ড সংঘটিত হোৱা এলেকাৰ জলাশয়ত অভিযান চলাবলৈ এছডিআৰএফ বাহিনীক খবৰ দিয়ে। এছডিআৰএফ বাহিনীয়ে বনাঞ্চলৰ জলাশয়ৰ পৰা এটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মৃতদেহটো ৰোহিতৰ বুলি চিনাক্ত কৰে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে ৰোহিতৰ সৈতে যোৱা চাৰি বন্ধু পলাতক হৈ আছিল যদিও আজি এজন বন্ধুৱে সংবাদ মাধ্যমত মন্তব্য প্ৰদান কৰা দেখা যায়। জলাশয়ৰ পৰা মৃতদেহ উদ্ধাৰৰ সময়ত দেহত আঘাতৰ চিন স্পষ্ট হৈ থকা বুলি জানিব পৰা গৈছিল। পৰিয়ালৰ আন এক অভিযোগ মতে, সাধাৰণ গাড়ী পাৰ্কিঙৰ এটা ঘটনাক লৈ বন্ধু কেইজনৰ সৈতে বিবাদ হৈছিল ৰোহিতৰ। যাৰ বাবে হত্যাৰ অভিযোগ উঠিছিল। জনপ্ৰিয় হিন্দী বোলছবি ফেমিলি মেন-৩ ৰ লগতে দুই-এখন ছবিত সহযোগী চৰিত্ৰত অভিনয় কৰিছিল ৰোহিতে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি দিব উঃ মাধ্যমিকৰ ফলাফল

পৰীক্ষাৰ ফলাফল প্ৰকাশৰ তাৰিখ ঘোষণা কৰিছে। বহু জল্পনা-কল্পনাৰ অন্তত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল প্ৰকাশৰ আনুষ্ঠানিক ঘোষণা কৰিছে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে প্ৰকাশ কৰা অনুসৰি কলা, বিজ্ঞান, বাণিজ্য আৰু ভকেচনলে শাখাৰ ফলাফল কাইলৈ অৰ্থাৎ ৩০ এপ্ৰিলত পুৱা ৯ বজাত ঘোষণা কৰা হ'ব। ৰাজ্য চৰকাৰৰ পৰ্টেল, শিক্ষা বিভাগ তথা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডৰ পৰ্টেলসমূহত পুৱা ৯ বজাত ফলাফল ঘোষণা কৰা হ'ব। চেণ্টাৰলৈ ফলাফলৰ পুস্তিকাও প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হৈছে ৩ লাখতকৈ অধিক পৰীক্ষাৰ্থী। যোৱা কেইটামান বছৰত পৰীক্ষাসমূহৰ ফলাফল হঠাতে ঘোষণা কৰাত মিঠাইৰ দোকানসমূহে ব্যৱসায়ৰ পৰা বঞ্চিত হৈছে। এইবাৰ ব্যৱসায়ৰ সুবিধা পালে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্দুক যুদ্ধত ডিমা হাচাওত নিহত

বিদ্ৰোহী বিৰোধী অভিযান। বিগত ৬০ ঘণ্টাত উত্তৰ-পূৰ্বাঞ্চলত দুই পৃথক সংঘৰ্ষত ৬ বিদ্ৰোহী নিহত হৈছে। ৬০ ঘণ্টাৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত নিৰাপত্তাৰক্ষীৰে দ্বিতীয়টো সংঘৰ্ষত ৩ এনএছচিএন কেডাৰ নিহত হৈছে। প্ৰথমটো সংঘৰ্ষ অৰুণাচলত সংঘটিত হৈছে আৰু তিনি কেডাৰ নিহত হৈছে। ইপিনে অসমত দ্বিতীয়টো সংঘৰ্ষত তিনি এনএছচিএন কেডাৰ নিহত হৈছে। ২৭ এপ্ৰিলৰ নিশা অৰুণাচল-নাগালেণ্ড সীমান্তৱৰ্তী এলেকাত অপহৰণ কাণ্ডত জড়িত এনএছচিএনৰ (আংগামি) গোটৰ বিৰুদ্ধে চলোৱা অভিযানৰ সময়তে নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত এনএছচিএনৰ আংগামি গোটৰ তিনি কেডাৰ নিহত হোৱাৰ পিছতে আজি অসমত এনএছচিএনৰ তিনি কেডাৰ সংঘৰ্ষত নিহত হৈছে। আজি অসম-নাগালেণ্ড সীমান্তৱৰ্তী ডিমা হাচাও জিলাত অসম আৰক্ষীৰে হোৱা সংঘৰ্ষত তিনি সন্দেহযুক্ত এনএছচিএন কেডাৰ নিহত হয়। সংঘৰ্ষস্থলীৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদৰ ভাণ্ডাৰ উদ্ধাৰ কৰা হৈছে। এই কথা প্ৰকাশ কৰিছে আৰক্ষীৰ উচ্চপদস্থ বিষয়াই। নাগালেণ্ডৰ পৰা অসমত প্ৰৱেশ কৰা এনএছচিএনৰ কেডাৰে অসমত বাহৰ পাতি থকাৰ খবৰ লাভ কৰিছিল অসম আৰক্ষীয়ে। নাগালেণ্ডৰ পৰা আহি হাফলং আৰক্ষী থানাৰ সীমাৰ অন্তৰ্গত এন কুবিন আৰু হেৰাকিলোৰ মাজৰ এডোখৰ ঠাইত থিতাপি লৈ আছিল। তাৰ পিছতে অভিযান আৰম্ভ কৰে। অভিযানৰ সময়তে দুয়োপক্ষৰ মাজত গুলীয়াগুলী লাগে। দুয়োপক্ষৰ সংঘৰ্ষত এনএছচিএনৰ তিনি কেডাৰ নিহত হয়। সংঘৰ্ষৰ পিছতো অভিযান অব্যাহত আছে। জানিব পৰা মতে, ডিমা হাচাওত চলি থকা কেইবাটাও বৃহৎ প্ৰকল্পত বিদ্ৰোহী গোটে ধন দাবী কৰিছে। এই ধন মুকলি কৰি দিবলৈ হেঁচা প্ৰয়োগ কৰি আহিছে বুলি জানিব পৰা গৈছে। তেনে সময়তে অসম আৰক্ষী আৰু কেন্দ্ৰীয় বাহিনীৰ এটা যুটীয়া দলে অঞ্চলটোত অভিযান আৰম্ভ কৰে। অভিযানৰ সময়তে বিদ্ৰোহী গোটৰ সৈতে মুখামুখি হয়। নিৰাপত্তাৰক্ষী আৰু আৰু বিদ্ৰোহীৰ মাজত প্ৰচণ্ড গুলীবৰ্ষণ হয়। গুলীচালনাত তিনিজন বিদ্ৰোহী নিহত হয়। ঘটনাস্থলীৰ পৰা দুটা একে-৪৭ ৰাইফল, এটা পিষ্টল আৰু গোলা-বাৰুদ উদ্ধাৰ হয়। অসম আৰক্ষীৰ চিপিআৰঅ' ৰাজীৱ নাৰায়ণে কয় যে ডিমা হাচাও জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পলৈ ধন দাবী পত্ৰ প্ৰদান কৰিছিল। সশস্ত্ৰ বিদ্ৰোহীয়ে জংঘলত লুকাই থকাৰ তথ্য লাভ কৰিছিল। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, বিদ্ৰোহী গোট এন কুবিন-হেৰাকিলোৰ অস্ত্ৰধাৰী লুকাই থকাৰ তথ্য লাভ কৰি এদিন পূৰ্বৰ পৰাই চলিছিল অভিযান। প্ৰায় ৬০ ঘণ্টীয়া অভিযানৰ পিছতে সশস্ত্ৰ গোটৰ মুখামুখি হৈছিল নিৰাপত্তাৰক্ষী। সশস্ত্ৰ দুৰ্বৃত্তই নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰাত নিৰাপত্তাৰক্ষীয়ে প্ৰত্যুত্তৰ দি প্ৰচণ্ড গুলীবৰ্ষণ কৰে। ৩ টা মৃতদেহ এনএছচিৰ (নাগালেণ্ডৰ ৰাষ্ট্ৰীয় সমাজতান্ত্ৰিক পৰিষদ) কিছু গোটৰ বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে ২৭ এপ্ৰিলৰ নিশা ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী ৰাজ্য অৰুণাচল প্ৰদেশত এক অপহৰণ কাণ্ডৰ পিছতে এনকাউণ্টাৰ কৰিছিল নিৰাপত্তাৰক্ষীয়ে। অৰুণাচল প্ৰদেশৰ লংডিং জিলাৰ পাংচাওত নিৰাপত্তাৰক্ষী আৰু নগা বিদ্ৰোহীৰ মাজৰ সংঘৰ্ষত এনএছচিএন (আংগামি) গোটৰ তিনি কেডাৰ গুলীৰে থকা-সৰকা হৈ নিহত হৈছে। নিশা নেচনেল ছ'চিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড (আংগামি) গোটৰ ১৫ জনীয়া অস্ত্ৰধাৰী গোটে অৰুণাচল প্ৰদেশৰ পংচাউৰ নিৰ্মাণ প্ৰতিষ্ঠানৰ শ্ৰমিকক অপহৰণ কৰে। বিদ্ৰোহী গোটে সীমান্ত এলেকা ব'ৰ্ডাৰ পিলাৰ ১৫৬ ৰ ওচৰত নিৰ্মাণ কাৰ্যত নিয়োজিত দুই শ্ৰমিক ৩৫ বছৰীয়া জানলুং ৰাংপান আৰু ২৬ বছৰীয়া মহম্মদ গিয়াছুদ্দিনক অপহৰণ কৰিছিল। অপহৰণ কাণ্ড সংঘটিত হোৱাৰ পিছৰে পৰা অৰুণাচল আৰক্ষী আৰু অসম ৰাইফলছে অপহৃতক উদ্ধাৰৰ বাবে অভিযান আৰম্ভ কৰে। নিশা অৰুণাচল আৰক্ষী আৰু অসম ৰাইফলছে গোপন সূত্ৰে শ্ৰমিকক বন্দী কৰি ৰখা ঠাইৰ খবৰ লাভ কৰে। পাংচাওত জংঘলত দুয়োপক্ষৰ মাজত লগা সংঘৰ্ষত বিদ্ৰোহীৰ গাত গুলী লাগে। পিছত নগা বিদ্ৰোহী গোটৰ তিনি বিদ্ৰোহীৰ মৃতদেহ উদ্ধাৰ হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক বিমানৰ বাবে নিষিদ্ধ হ'ল

জড়িত পাকিস্তানৰ বিৰুদ্ধে ইটোৰ পিছত সিটোকৈ একাধিক পদক্ষেপ গ্ৰহণ কৰিছে ভাৰতে। এইবাৰ কেন্দ্ৰই আকাশ আৰু সাগৰীয় পথৰ জৰিয়তে পাকিস্তানত নিষেধাজ্ঞা আৰোপ কৰাৰ দিশত আগবাঢ়িছে। সূত্ৰ অনুসৰি ভাৰতীয় আকাশমাৰ্গ পাকিস্তানী বিমানৰ বাবে বন্ধ কৰাৰ পৰিকল্পনা কৰিছে নতুন দিল্লীয়ে। একে সময়তে আনকি মালবাহী জাহাজৰ চলাচলৰ ক্ষেত্ৰতো কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। উল্লেখ্য যে ২৫ জন পৰ্যটক আৰু এজন স্থানীয় বাসিন্দাৰ নৃশংস হত্যাৰ প্ৰতিশোধৰূপে পাকিস্তানলৈ এই কঠোৰ বাৰ্তা দিছে নতুন দিল্লীয়ে। পেহেলগামত সংঘটিত এই নৰসংহাৰৰ দায়িত্ব স্বীকাৰ কৰিছিল লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠন 'দ্য ৰেজিষ্টেন্স ফ্ৰন্ট'-এ। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা এনআইএয়ে কয় যে আক্ৰমণকাৰী দুজন ভাৰতীয়, বাকীসকল পাকিস্তানী নাগৰিক আছিল। এই আক্ৰমণৰ বাবে এফালে পাকিস্তানে ছিমলা চুক্তি বাতিল কৰাৰ বিপৰীতে দিল্লীয়েও ইটোৰ পিছত সিটো কঠোৰ সিদ্ধান্ত ল'বলৈ আৰম্ভ কৰিছে ইছলামাবাদৰ বিৰুদ্ধে। ইফালে, দুয়োখন দেশৰ মাজত অব্যাহত থকা উত্তেজনাৰ মাজতে ধাৰাবাহিকভাৱে পঞ্চম দিনাও নিয়ন্ত্ৰণ ৰেখাত যুদ্ধবিৰতি উলংঘা কৰি গুলীচালনা কৰি আছে। পৰিণতিস্বৰূপে সীমান্তত অবিৰত সংঘৰ্ষৰ ফলত সমগ্ৰ জম্মু-কাশ্মীৰ অঞ্চল উত্তপ্ত হৈ পৰিছে। উল্লেখ্য যে পেহেলগাম কাণ্ডক লৈ পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ প্ৰত্যুত্তৰৰ পিছতে যোৱা সপ্তাহত ইছলামাবাদে ভাৰতীয় বিমানৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ ঘোষণা কৰিছিল। কিন্তু এইবাৰ প্ৰতিশোধ ল'বলৈ সাজু হৈছে নতুন দিল্লীয়েও। চৰকাৰী সূত্ৰৰ মতে, দিল্লীয়ে বিচাৰে পাকিস্তানী বিমান সংস্থাসমূহক ভাৰতীয় আকাশমাৰ্গ ব্যৱহাৰ কৰাত বাধা দিয়া হওক। ফলত কোৱালালামপুৰকে ধৰি দক্ষিণ-পূব এছিয়াৰ গন্তব্যস্থানলৈ যাবলৈ তেওঁলোকে চীন বা শ্ৰীলংকাৰ আকাশমাৰ্গ ব্যৱহাৰ কৰিব লাগিব। ফলত যাত্ৰা ব্যয় বৃদ্ধি পাব ইছলামাবাদৰ। একে সময়তে যদি পাকিস্তানৰ মালবাহী জাহাজকো ভাৰতৰ জলসীমাত প্ৰৱেশ নিষিদ্ধ কৰা হয় পাকিস্তানৰ বাণিজ্যৰ ওপৰত হেঁচা পৰিব।

ROYAL CONSTRUCTION

MANUFACTURER OF

CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)

CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৪ ঘণ্টা! মুখ্যমন্ত্ৰীক ক্ষমা খুজিবলৈ সময়

প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীজনে লেকামহীন ঘোঁৰাৰ দৰে য'তে-ত'তে পঞ্চায়ত নিৰ্বাচনৰ ভোট বিচাৰি এতিয়া নক'বলগীয়া কথা, নকৰিবলগীয়া কাম কৰি ফুৰিছে। বৰছলাৰ এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত কংগ্ৰেছৰ আমোলত চাকৰি কৰা মহিলাসকলে টকা-পইচা নহয়, অন্য পথেৰে চাকৰি লোৱা বুলি মহিলাৰ শালীনতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। এই বিষয়টোক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰীয়ে আজিৰ দিনটোত কেইবাবাৰো চাফাই দিবলগীয়া হৈছে যদিও অসমৰ মহিলা সমাজক যে তেওঁ ইচ্ছাকৃতভাৱে অপমান কৰিছে, সেয়া প্ৰমাণিত কৰিছে। মুখ্যমন্ত্ৰীৰ বক্তব্যৰ পিছত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ হুংকাৰ দিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি লখিমপুৰত সাংবাদিকৰ আগত কয় যে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ আমোলত চাকৰি পোৱা মহিলা প্ৰাৰ্থীসকলৰ বিৰুদ্ধে যি সন্দেহজনক আঙুলি টোৱাইছে তাৰ বাবে তেওঁ ৰাইজৰ ওচৰত ক্ষমা খুজিব লাগে। যদি অহা ২৪ ঘণ্টাৰ ভিতৰত ক্ষমা নোখোজে তেতিয়াহ'লে ৰাজহুৱা ধিক্কাৰৰ যোগ্য, মুখ্যমন্ত্ৰীজনৰ বিৰুদ্ধে আদালতত গোচৰ ৰুজু কৰিবলৈ মহিলা কংগ্ৰেছক নিৰ্দেশ দিয়া হ'ব। বৰাই কয়, ক্ষমতাৰ স্বাৰ্থত এজন মুখ্যমন্ত্ৰীয়ে নিজৰ আই-মাতৃ, ভাই-ভনীসকলক লৈ ইমান বজৰুৱা মন্তব্য কৰিব পাৰে বুলি তেওঁ সপোনতো ভবা নাছিল। মুখ্যমন্ত্ৰীৰ বক্তব্যই অসমৰ নাৰী সমাজক অপমান কৰাৰ লগতে অসমৰ ৰীতি-নীতি আৰু পৰম্পৰাত কুঠাৰাঘাত কৰিছে। ইফালে, অসম মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে নাৰীৰ প্ৰতি কৰা এনে অশালীন মন্তব্যৰ বাবে মুখ্যমন্ত্ৰীক ৰাজহুৱাভাৱে ককৰ্থনা কৰিছে আৰু ২৪ ঘণ্টাৰ ভিতৰত ক্ষমা খুজিবলৈ দাবী জনাইছে। এক বিবৃতিত মীৰা বৰঠাকুৰে কয় যে পঞ্চায়তত ভোট লাভ কৰাৰ আশাত অসমৰ মহিলা সমাজক তেওঁ এইদৰে অপমানিত কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। ইয়াৰ পৰিণতি ভয়ংকৰ হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইফালে, প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে ৰাজনীতিৰ পাশাখেলত নিজৰ বাই-ভনীসকলক ভোটৰ আশাত পণ কৰাটো অত্যন্ত লজ্জাজনক। কংগ্ৰেছৰ আমোলত যদি মহিলাসকলে বেয়া পথেৰে চাকৰি ল'বলগীয়া হৈছিল তাৰ বাবে হিমন্ত বিশ্ব শৰ্মাই প্ৰধানকৈ জগৰীয়া হ'ব। কাৰণ কংগ্ৰেছ চৰকাৰৰ সময়ত তেওঁ মুখ্যমন্ত্ৰীৰ সোঁহাত আছিল আৰু সকলো নিযুক্তি, বদলি আদি তেওঁৰ নেতৃত্বতেই চলিছিল। মুখ্যমন্ত্ৰীয়ে এই কথা পাহৰি গ'লে নহ'ব যে কংগ্ৰেছ দলত এটা দশকতকৈও অধিক কাল মন্ত্ৰী থকাৰ পিছত মুখ্যমন্ত্ৰীৰ আসন নোপোৱাৰ বাবেহে তেওঁ আদৰ্শৰ ওলোটা খৰ মাৰি বিজেপিলৈ ঢপলিয়াই আহিছে। অসমৰ ৰাইজক বাৰে বাৰে টেঙা আম বেচি থকা মুখ্যমন্ত্ৰীজনৰ ৰাজহুৱা দায়বদ্ধতাক লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে বুলিও বৰাই কয়। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ষমা নুখুজিলে অসম মহিলা কংগ্ৰেছে ৰাজ্যজুৰি তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি জানিবলৈ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুৰক্ষাৰ স্বাৰ্থত বন্ধ কাশ্মীৰৰ ৪৮

জম্মু-কাশ্মীৰ চৰকাৰে জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে সমগ্ৰ কাশ্মীৰ উপত্যকাৰ ৮৭ টা স্বীকৃতিপ্ৰাপ্ত পৰ্যটনস্থলীৰ ভিতৰত ৪৮ টা পৰ্যটনস্থলী সাময়িকভাৱে বন্ধ কৰি দিছে। জনপ্ৰিয় পৰ্যটনস্থলীসমূহৰ প্ৰতি সম্ভাব্য ভাবুকি আৰু চোৰাংচোৱাৰ প্ৰতিবেদন অনুসৰি এই পৰ্যটনস্থলীসমূহ বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে পেহেলগাম ঘটনাৰ লগত পাকিস্তান চৰকাৰ জড়িত নহয় বুলি দাবী জনোৱাৰ লগতে ঘটনাৰ নিৰপেক্ষ তদন্তৰ দাবী জনাইছে পাকিস্তান চৰকাৰে। তথাপি এই আক্ৰমণৰ লগত জড়িত ৰেজিষ্টেন্স ফ্ৰণ্টৰ সৈতে পাকিস্তান চৰকাৰৰ সম্পৰ্ক আছে বুলি দাবী কৰিছে ভাৰতৰ চোৰাংচোৱাই। জানিব পৰা মতে, পেহেলগাম ঘটনাৰ পিছতেই ভাৰত চৰকাৰে জম্মু-কাশ্মীৰৰ সকলো স্থানতে নিৰাপত্তা বৃদ্ধি কৰিছে। জনপ্ৰিয় পৰ্যটনস্থলী আৰু ইয়াৰ আশে-পাশে অতিৰিক্ত টহল, চেক পইণ্ট আদিৰ ব্যৱস্থা কৰা হৈছে। অসংখ্য সন্দেহযুক্ত লোকক গ্ৰেপ্তাৰ কৰি জেৰা চলোৱা হৈছে। ইফালে, যোৱা কেইবছৰমানত জম্মু-কাশ্মীৰত উত্থান ঘটা পৰ্যটন উদ্যোগসমূহ বন্ধ হৈ পৰাৰ ফলত স্থানীয় লোক আৰু ব্যৱসায়ীসকলৰ জীৱন-জীৱিকালৈ সংকট নামি আহিছে। পৰ্যটনৰ ওপৰত নিৰ্ভৰ কৰা হোটেল, ৰেস্তোৰাঁ, ট্যুৰ অপাৰেটৰ আদি যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। বসন্ত আৰু গ্ৰীষ্মকালত সমগ্ৰ জম্মু-কাশ্মীৰলৈ অগণন পৰ্যটকৰ সোঁত বয় যদিও পেহেলগাম ঘটনাৰ পিছত জম্মু-কাশ্মীৰলৈ যোৱা পৰ্যটকৰ সংখ্যা অভাৱনীয়ভাৱে হ্ৰাস পাইছে। একপ্ৰকাৰ নীৰৱতাই বিৰাজ কৰিছে পৰ্যটনস্থলীসমূহত। উল্লেখ্য যে বৰ্তমান বন্ধ কৰি দিয়া পৰ্যটনস্থলীসমূহ পুনৰ কেতিয়া মুকলি কৰা হ'ব সেই সম্পৰ্কে প্ৰশাসনে কোনো নিৰ্দিষ্ট সময়সীমা উল্লেখ কৰা নাই। তথাপি নিৰাপত্তা সম্পৰ্কে চোৰাংচোৱা আৰু তদন্তকাৰীয়ে দাখিল কৰা প্ৰতিবেদনৰ পিছত এই পৰ্যটনস্থলীসমূহ পুনৰ মুকলি কৰাৰ বিষয়টো আলোচনা হ'ব বুলি আশ্বাস দিয়া হৈছে। ইয়াৰ মাজতে কৰ্তৃপক্ষই স্থানীয় লোক আৰু পৰ্যটকসকলক সতৰ্ক হ'বলৈ আহ্বান জনাইছে যাতে নিৰাপত্তা নিশ্চিত হয়

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত আজি পিএম মোদীৰ একাধিক

অব্যাহত আছে চৰম উত্তেজনা। সমগ্ৰ দেশেই এতিয়া এটা প্ৰশ্নৰ উত্তৰ বিচাৰিছে- "পেহেলগাম আক্ৰমণৰ পিছত কিদৰে প্ৰত্যুত্তৰ দিব ভাৰতে?" এনে পৰিস্থিতিতে আজি অৰ্থাৎ বুধবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন এক উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰিব। সূত্ৰ অনুসৰি এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, সেনাপ্ৰধান অনিল চৌহানকে ধৰি অন্যান্য শীৰ্ষ নেতাসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। পেহেলগাম আক্ৰমণৰ পিছত ভাৰতৰ নিৰাপত্তা প্ৰস্তুতি পুনৰীক্ষণৰ বাবে এইবাৰ দ্বিতীয়বাৰৰ বাবে বৈঠক অনুষ্ঠিত হৈছে। যোৱা সপ্তাহত কাশ্মীৰৰ পেহেলগামত ২৬ জন পৰ্যটকে প্ৰাণ হেৰুৱাইছিল। তাৰ পিছত সীমান্তত উত্তেজনা বৃদ্ধি পায় আৰু ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ আৰু অধিক অৱনতি ঘটে। এনে পৰিস্থিতিত মোদীৰ নেতৃত্বত এই বৈঠকখন অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। বৈঠকত কি কি সিদ্ধান্ত লোৱা হ'ব সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও বহুতে আশা কৰিছে যে এই বৈঠকত পাকিস্তানৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে কেন্দ্ৰীয় চৰকাৰে। সূত্ৰ অনুসৰি পুৱা ১১ বজাৰ পৰা আৰম্ভ হ'ব নিৰাপত্তা সম্পৰ্কীয় কেবিনেট কমিটীৰ বৈঠক। তাৰ পিছত সেই সমিতি আৰু ৰাজনৈতিক পৰিক্ৰমা কেবিনেট কমিটীৰ বৈঠক অনুষ্ঠিত হ'ব। পেহেলগাম আক্ৰমণৰ পিছত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অমিত শ্বাহ, ৰাজনাথ সিং, অজিত ডোভাল, অনিল চৌহান, পৰ্যটন মন্ত্ৰী নীতিন গাডকাৰী, স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণেও এই বৈঠকত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। কেবিনেট আলোচনাৰ অন্তত অৰ্থনৈতিক পৰিক্ৰমা সমিতিৰ সুকীয়া বৈঠকো অনুষ্ঠিত হ'ব পাৰে। উল্লেখ্য যে ২২ এপ্ৰিলত পেহেলগামত উগ্ৰবাদীয়ে ২৫ জন পৰ্যটক আৰু এজন স্থানীয় বাসিন্দাক গুলীয়াই হত্যা কৰিছিল। তেতিয়াৰ পৰাই ভাৰত-পাকিস্তানৰ সম্পৰ্কত সৃষ্টি হৈছে চৰম উত্তেজনাৰ। ভাৰতে প্ৰথম পদক্ষেপ হিচাপে সিন্ধু জল চুক্তি স্থগিত ৰখাৰ লগতে পাকিস্তানী নাগৰিকক ঘূৰাই পঠিয়াবলৈ আৰম্ভ কৰে। তদুপৰি পাকিস্তানৰ টুইটাৰ একাউণ্ট আৰু ইউটিউব চেনেলো ভাৰতত নিষিদ্ধ কৰি দিয়া হৈছে। কিন্তু এতিয়ালৈকে পাকিস্তানত সামৰিক আক্ৰমণৰ কোনো ডাঙৰ ঘোষণা হোৱা নাই। আজিৰ বৈঠকত পাকিস্তানৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ সন্দৰ্ভত আলোচনা হ'ব নে নাই সেয়া নিশ্চিত নহয় যদিও ভাৰতৰ সঁহাৰি যে অধিক কঠোৰ হ'ব, সেয়া স্পষ্ট। ভাৰতৰ সিদ্ধান্তক লৈ পাকিস্তান শংকিত।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# পেগাছাছক লৈ গ্ৰীণ ছিগনেল ছুপ্ৰিম

বুলি কোৱাৰ কোনো কাৰণ নাই, বৰঞ্চ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা মনত ৰাখি এনে চোৰাংচোৱাগিৰি নিতান্তই প্ৰয়োজনীয়। -এই পৰ্যবেক্ষণ আগবঢ়াইছে দেশৰ সৰ্বোচ্চ আদালতে। ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ এন কোটেশ্বৰ সিঙৰ বিভাগীয় বিচাৰপীঠে স্পষ্ট কৰি দিয়ে যে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টোত কোনো আপোচ কৰিব নোৱাৰি আৰু উচ্চতম ন্যায়ালয়ে নিযুক্তি দিয়া পেগাছাছৰ বিশেষ সমিতিৰ প্ৰতিবেদন ৰাজহুৱা কৰাটো সম্ভৱ নহয় কাৰণ ই দেশৰ নিৰাপত্তাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। পেহেলগাম আক্ৰমণৰ পিছত দেশৰ উচ্চ নিৰাপত্তা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই পৰ্যবেক্ষণ অতি তাৎপৰ্যপূৰ্ণ বুলি জ্ঞাত সূত্ৰই সদৰী কৰিছে। উচ্চতম ন্যায়ালয়ে কয়, "আমি বৰ্তমান এনে এটা পৰ্যায়ত আছো য'ত অতিৰিক্ত সজাগ হোৱাটো অতি গুৰুত্বপূৰ্ণ। যদি কোনো দেশৰ নিৰাপত্তা সংস্থাই নিজৰ শত্ৰুৰ সৈতে মোকাবিলা কৰিবলৈ স্পাইৱেৰ ব্যৱহাৰ কৰে, তেন্তে সেয়া বেয়া কথা নহয়।" আদালতে আৰু কয়, "কিন্তু হয়, যদি সেই ছফ্টৱেৰটো সাধাৰণ নাগৰিক বা নিৰ্দিষ্ট ব্যক্তিৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হয়, তেন্তে সেয়া নিশ্চিতভাৱে তদন্তৰ বিষয়। উচ্চতম ন্যায়ালয়ৰ মতে, পেগাছাছ তদন্ত সমিতিৰ সমগ্ৰ প্ৰতিবেদন ৰাজহুৱা কৰিব নোৱাৰি কাৰণ ইয়াত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ গুৰুতৰ দিশ সন্নিৱিষ্ট কৰা হৈছে। কিন্তু কোনোবাই যদি ব্যক্তিগত পৰ্যায়ত জানিব বিচাৰে যে তেওঁ নিৰীক্ষণৰ আওতালৈ আহিছে নে নাই, তেন্তে সেই তথ্য দিব পাৰি। উল্লেখ্য যে ২০২১ চনৰ এপ্ৰিল মাহত পেগাছাছ বিতৰ্ক পোহৰলৈ অহাৰ পিছতে সমগ্ৰ দেশতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সৰ্বভাৰতীয় সংবাদ মাধ্যমত প্ৰকাশিত এক প্ৰতিবেদনত দাবী কৰা হৈছিল যে কেন্দ্ৰই ইজৰাইলী কোম্পানী এন এছ অ' গ্ৰুপে নিৰ্মাণ কৰা পেগাছাছ স্পাইৱেৰ ব্যৱহাৰ কৰি দেশখনৰ শীৰ্ষ ৰাজনীতিবিদ, সাংবাদিক, মানৱ অধিকাৰ কৰ্মী, উদ্যোগপতি, চৰকাৰী আমোলাক নিৰীক্ষণ কৰি আহিছে। এই তালিকাত ৰাহুল গান্ধী, অভিষেক বেনাৰ্জী, প্ৰশান্ত কিশোৰ, প্ৰাক্তন আৰক্ষী বিষয়া ৰাকেশ আস্থানা, প্ৰাক্তন নিৰ্বাচন আয়ুক্ত অশোক লাভাছাৰ দৰে গুৰুত্বপূৰ্ণ ব্যক্তিত্বৰ নামো আছিল। সেই সময়ত কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে তথ্য চুৰিৰ অভিযোগ উত্থাপন হৈছিল। অৱশ্যে আজিৰ পৰ্যবেক্ষণত কিছু সকাহ লাভ কৰে মোদী চৰকাৰে। চৰকাৰৰ হৈ উপস্থিত থকা ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয়,"সন্ত্ৰাসবাদীৰ বিৰুদ্ধে পেগাছাছ ব্যৱহাৰ কৰাত কি সমস্যা? সন্ত্ৰাসবাদীৰ গোপনীয়তাৰ অধিকাৰ আছে নেকি?" উচ্চতম ন্যায়ালয়ে এই যুক্তিৰ সৈতে সন্মতি প্ৰকাশ কৰি কয় যে "দেশৰ নিৰাপত্তা ৰক্ষাৰ বাবে এনে প্ৰযুক্তিৰ প্ৰয়োগ নিতান্তই প্ৰয়োজনীয়।" তথ্য অনুসৰি পেগাছাছৰ সহায়ত ফোন মেছেজ, ই-মেইল, ফটো, স্থান, আনকি কল টেপ কৰা সম্ভৱ। ব্যৱহাৰকাৰীৰ অজ্ঞাতে কেমেৰা আৰু মাইক্ৰ'ফোনত প্ৰৱেশ কৰিব পাৰি। ফলত ৰাষ্ট্ৰৰ বিৰোধীক যেনেকৈ লক্ষ্য কৰি ল'ব পাৰি, সাধাৰণ নাগৰিকৰো অধিকাৰ খৰ্ব হোৱাৰ আশংকা থাকে। অৱশ্যে উচ্চতম ন্যায়ালয়ৰ স্পষ্ট বাৰ্তা হ'ল নিৰীহ নাগৰিকৰ বিৰুদ্ধে ইয়াক ব্যৱহাৰ কৰা বুলি কিবা সন্দেহ থাকিলে তদন্ত কৰা হ'ব। সেয়ে পেহেলগাম আক্ৰমণৰ পৰিপ্ৰেক্ষিতত যি সময়ত দেশ পুনৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়ত নিমগ্ন হৈ পৰিছে, সেই সময়ত পেগাছাছৰ বৈধতাৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণে মোদী চৰকাৰৰ কৌশলগত স্থিতিৰ বাবে অধিক শক্তিশালী ভেটি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে পেগাছাছক লৈ ভাৰতৰ ৰাজনীতি গৰম হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সামৰিক অভিযানৰ বাবে সেনাক পূৰ্ণ

হোৱাৰ পিছতে শত্ৰু দেশখনৰ বিৰুদ্ধে স্বতন্ত্ৰমূলকভাৱে সামৰিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ তিনিওটা সেনা বিভাগকে পূৰ্ণ স্বাধীনতা প্ৰদান কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰাজধানীত প্ৰতিৰক্ষা মন্ত্ৰী, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা, চিডিএছ আৰু তিনিওটা সেৱাৰ মুৰব্বীসকলৰ সৈতে হোৱা জৰুৰী বৈঠকত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে যে প্ৰত্যাক্ৰমণৰ সময়, কৌশল, লক্ষ্য নিৰ্ধাৰণৰ অধিকাৰ এতিয়া সম্পূৰ্ণৰূপে সামৰিক বাহিনীৰ হাতত। উচ্চ পৰ্যায়ৰ চৰকাৰী সূত্ৰই জনোৱা মতে, প্ৰধানমন্ত্ৰীয়ে সেনাবাহিনীৰ ওপৰত সম্পূৰ্ণ আস্থা ব্যক্ত কৰি কয় যে উগ্ৰবাদীৰ বিৰুদ্ধে কঠোৰ প্ৰত্যুত্তৰ দিয়াটো এতিয়া ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি। তেওঁ কয় যে সেনাই নিজেই সিদ্ধান্ত ল'ব যে তেওঁলোকে কেনেদৰে সঁহাৰি জনাব, কাক লক্ষ্য কৰি ল'ব, কেতিয়া অভিযান চলাব। বৈঠকত সীমান্ত অঞ্চলৰ নিৰাপত্তা পৰিস্থিতি, কাশ্মীৰ উপত্যকাৰ ভিতৰত উগ্ৰবাদী সংগঠনৰ চলাচল, পাকিস্তানৰ সমৰ্থনৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। মঙলবাৰে অনুষ্ঠিত হোৱা বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চিডিএছ জেনেৰেল অনিল চৌহান, সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, এয়াৰ চিফ মাৰ্শ্বাল এ পি সিং আৰু নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ ত্ৰিপাঠী উপস্থিত থাকে। বৈঠকৰ পিছত স্পষ্ট হৈ পৰে যে এইবাৰ আৰু সহনশীলতা নাথাকিব- ভাৰতীয় বাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ সামৰিক ব্যৱস্থা ল'বলৈ এতিয়া সাজু হৈছে। আনহাতে, কেৱল সামৰিক দৃষ্টিকোণৰ পৰাই নহয়, ৰাজনৈতিক আৰু অৰ্থনৈতিক দৃষ্টিকোণৰ পৰাও চৰকাৰে প্ৰস্তুতি আৰম্ভ কৰিছে। বুধবাৰে কেন্দ্ৰীয় কেবিনেট কমিটীৰ নিৰাপত্তা সমিতিৰ বৈঠক আহ্বান কৰা হৈছে। একে সময়তে ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়ক কেবিনেট কমিটীৰ সুকীয়া বৈঠকৰো আয়োজন কৰা হৈছে। একেদিনাই তিনিখন সৰ্বোচ্চ কেবিনেট কমিটীৰ বৈঠক আহ্বান কৰাৰ অৰ্থ হ'ল চৰকাৰে চূড়ান্ত পদক্ষেপ লোৱাৰ পূৰ্বে সকলো দিশ শক্তিশালী কৰিবলৈ বিচাৰিছে। ইয়াৰ উপৰি পেহেলগাম কাণ্ডক লৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব পাৰে বুলিও জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে তিনিদিন পূৰ্বে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছিল যে তেওঁলোকে দীৰ্ঘদিন ধৰি আমেৰিকা আৰু পশ্চিমৰ বাবে সন্ত্ৰাসবাদক আশ্ৰয় প্ৰদান কৰি আহিছে। এই প্ৰেক্ষাপটত ভাৰতে সবল প্ৰতিক্ৰিয়া প্ৰকাশ কৰাটো এতিয়া সময়ৰ আহ্বান হৈ পৰিছে। এতিয়া বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব নে নাই লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এটিএমত থাকিব লাগিব 'সৰু' নোট

সমস্যাৰ সন্মুখীন হয় বহু গ্ৰাহক। কিন্তু এইবাৰ এটিএমৰ এই চিনাকি দৃশ্য সলনি কৰিবলৈ আগবাঢ়িছে ভাৰতীয় ৰিজাৰ্ভ বেংক। সোমবাৰে আৰবিআয়ে দেশৰ সকলো বেংকক পৰ্যাপ্ত পৰিমাণৰ ১০০ আৰু ২০০ টকীয়া নোট এটিএমত উপলব্ধ কৰিবলৈ নিৰ্দেশ দি জাৰি কৰিছে এক নতুন নিৰ্দেশনা। আৰবিআয়ে জাৰি কৰা নিৰ্দেশনাত স্পষ্টকৈ উল্লেখ আছে যে ২০২৫ চনৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত দেশৰ কমেও ৭৫ শতাংশ এটিএমত একাধিক কেছেটৰ পৰা কমেও এটা কেছেটত ১০০ বা ২০০ টকীয়া নোট ৰাখিব লাগিব। পৰৱৰ্তী পৰ্যায়ত এই প্ৰয়োজনীয়তা পূৰণ কৰি ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত এই ব্যৱস্থাটো ৯০ শতাংশ এটিএমলৈ সম্প্ৰসাৰিত কৰা হ'ব। অৰ্থাৎ অহা বছৰৰ ভিতৰত এটিএমত 'সৰু' নোটৰ যোগান নিশ্চিত কৰাৰ বাবে আৰবিআয়ে দৃঢ় পদক্ষেপ ল'বলৈ সাজু হৈছে। অৱশ্যে অহা মাহত এটিএম সেৱা সন্দৰ্ভত আন এক বৃহৎ পৰিৱৰ্তন আহি আছে। এতিয়া 'বিনামূলীয়া লেনদেনৰ সীমা' অতিক্ৰম কৰাৰ পিছত গ্ৰাহকে প্ৰতিটো অতিৰিক্ত লেনদেনৰ বাবে ২১ টকা ভৰিব লাগে। কিন্তু সেই চাৰ্জ ২৩ টকালৈ বৃদ্ধি হ'বলৈ গৈ আছে। ফলত মাহত এবাৰতকৈ অধিক এটিএমৰ পৰা ধন উলিয়ালে ব্যয় বৃদ্ধিৰ সন্মুখীন হ'ব লাগিব গ্ৰাহক। ইফালে বেংকসমূহে গ্ৰাহক সুৰক্ষা আৰু অধিক শক্তিশালী কৰাৰ বাবে ইতিমধ্যে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। জালিয়াতি ৰোধ কৰিবলৈ 'পজিটিভ পে' ছিষ্টেম' প্ৰৱৰ্তন কৰা হৈছে, যাৰ ফলত, ৫০,০০০ টকাতকৈ অধিক মূল্যৰ চেক জাৰি কৰাৰ সময়ত গ্ৰাহকে পেয়ী, ধনৰাশি, চেক নম্বৰ আদি তথ্য আগতীয়াকৈ বেংকত জমা দিব লাগিব। যদি পৰীক্ষণৰ পিছত তথ্যৰ মিল নাথাকে, তেন্তে চেক বাতিল কৰা হ'ব পাৰে। একে সময়তে ডিজিটেল লেনদেন সুৰক্ষিত কৰি ৰাখিবলৈ টু ষ্টেপ ভেৰিভিকেচনো কঠোৰ কৰা হৈছে। ইয়াৰ ফলত প্ৰৱঞ্চনাৰ আশংকা হ্ৰাস পাব বুলি আশা ব্যক্ত কৰিছে আৰবিআয়ে।

# পাকিস্তানক সমৰ্থন কৰি কোকৰাঝাৰত গ্ৰেপ্তাৰ দুই যুৱক

ই-সংবাদ, কোকৰাঝাৰ, ২৯ এপ্ৰিলঃ কোকৰাঝাৰৰ দুই সংখ্যালঘু যুৱকে পাকিস্তানৰ সমৰ্থনত সামাজিক মাধ্যমত লিখি গ্ৰেপ্তাৰ হোৱা ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা যুৱক দুজন হ'ল ক্ৰমে দোতমা থানাৰ অন্তৰ্গত ব্ৰজখাল গাঁৱৰ বাসিন্দা কালাম শ্বেখৰ পুত্ৰ মনিৰুজ আলী শ্বেখ আৰু আনজন হ'ল ফকিৰাগ্ৰাম থানাৰ অন্তৰ্গত টেকেৰখাতা গাঁৱৰ নুৰভাজ আলীৰ পুত্ৰ নজৰুল

## সামাজিক মাধ্যমত চোকা নজৰ ৰাখিছে চৰকাৰ-প্ৰশাসনে

ইছলাম (২৩)। উল্লেখ্য যে যুৱক দুজনে নিজা ফেচবুক একাউণ্টত I Love Pakistan বুলি লিখাৰ লগতে পাকিস্তানৰ সমৰ্থনত আন কেইবাশাৰী বাক্যও লিখিছিল। বিষয়টো আৰক্ষীৰ দৃষ্টিগোচৰ হোৱাত দুয়োকে শেষাংশ ৯ পৃষ্ঠাত

## ডিকমৰ বিজেপিৰ নিৰ্বাচনী সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৯ এপ্ৰিলঃ** উজনিত পঞ্চায়ত নিৰ্বাচনক লৈ ব্যাপক তৎপৰ হৈছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। আজি চাবুৱা-লাহোৱাল সমষ্টিৰ ডিকম পঞ্চায়তত কেইবাহাজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত শেষাংশ ৯ পৃষ্ঠাত



মাজুলীত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভাৰ এটি দৃশ্য, ফটোঃ ই-সংবাদ বিশেষ, মাজুলী

### মাজুলীত প্ৰচাৰ চলাই পৱিত্ৰ মাৰ্ঘেৰিটাৰ বিশেষ মন্তব্য

# 'গৌৰৱ গগৈৰ ক্ষমতা জিলা পৰিষদৰ সদস্যতকৈও কম'

**ই-সংবাদ বিশেষ, মাজুলী, ২৯ এপ্ৰিলঃ** 'কেন্দ্ৰত বিজেপি দলৰ চৰকাৰ আছে, ৰাজ্যত বিজেপি চৰকাৰ আছে, গতিকে সমাগত পঞ্চায়ত নিৰ্বাচনত ৰাইজে বিজেপি'ক ভোট দিব। বৰ্তমান কেন্দ্ৰত বিজেপি চৰকাৰৰ উন্নয়ন আৰু বিকাশৰ ইঞ্জিন আছে, ৰাজ্যত উন্নয়ন আৰু বিকাশৰ ইঞ্জিন আছে, গতিকে এই ডাবোল ইঞ্জিনৰ বিজেপি চৰকাৰৰ দিনত মাজুলীৰ সকলো পঞ্চায়তত শেষাংশ ৯ পৃষ্ঠাত

### নিৰ্বাচনলৈ মাথো দুদিন

## পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰ মুকলি অগপৰ

**ই-সংবাদ, গুৱাহাটী, ২৯ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি অসম গণ পৰিষদ দলৰ আমবাৰীস্থ মুখ্য কাৰ্যালয়ত দলটোৱে এখনি ঘোষণা-পত্ৰ মুকলি কৰে। দলে পঞ্চায়তসমূহক অধিক শক্তিশালী আৰু গতিশীল কৰি গ্ৰামাঞ্চলৰ ১৬ নং পৃষ্ঠাত

# 'বিজেপিৰ দিনত প্ৰতিটো পৰ্যায়তে মানুহৰ বাবে যুঁজিছো'

### ৰঙিয়াত বিজেপিৰ প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী শৰ্মাৰ মন্তব্য

**ই-সংবাদ, ৰঙিয়া, ২৯ এপ্ৰিলঃ** বিজেপি চৰকাৰৰ দিনত অসমখন অনন্য দিশলৈ গৈছে। চৰাইদেউ মৈদামে বিশ্বৰ স্বীকৃতি পালে। অসমীয়া ভাষা ধ্ৰুপদী ভাষা হ'ল।ঝুমুৰ-বিহু নৃত্য বিশ্বলৈ গতিমান হ'ল। বিজেপি চৰকাৰৰ দিনত প্ৰতিটো পৰ্যায়তে মানুহৰ বাবে যুঁজিছো। এই মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। আজি ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত চেপ্তিস্থিত মোদী ফিল্ডত অনুষ্ঠিত বিশাল 'বিজয় সংকল্প সমাৱেশত' অংশগ্ৰহণ কৰি পঞ্চায়ত নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলৰ শেষাংশ ৮ পৃষ্ঠাত

## গান গাই ভোটাৰৰ দৃষ্টি কাঢ়িছে ৰাইজৰ দলৰ জিতু গায়নে

**ই-সংবাদ, শিৱসাগৰ, ২৯ মাৰ্চঃ** প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অন্ত পৰিবলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত শিৱসাগৰ খেলুৱা আৰু লাচিত গাঁও পঞ্চায়ত এলেকাত আজি বিজেপি-অগপ মিত্ৰজোঁট আৰু ৰাইজৰ শেষাংশ ১৬ পৃষ্ঠাত

## নগাঁৱৰ বৰজহাৰ কমলাবাৰী শাখা সত্ৰৰ নামঘৰত চুৰিকাণ্ড

**ই-সংবাদ, বেবেজীয়া, ২৯ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো ৰাইজ পঞ্চায়ত নিৰ্বাচনত ব্যস্ত থকাৰ সুবিধা লৈ জিলাখনৰ বিভিন্ন প্ৰান্তত সঘনে সংঘটিত হ'ব ধৰিছে চুৰিকাৰ্য। এনেদৰে চোৰৰ সন্ত্ৰাস অব্যাহত থকাৰ মাজতে সোমবাৰে নিশা জিলাখনৰ বেবেজীয়া শেষাংশ ৮নং পৃষ্ঠাত

## হিন্দু বসতিপ্ৰধান অঞ্চল ফাটনাত গো-মাংস উদ্ধাৰ, চাঞ্চল্য

**ই-সংবাদ, গুৱালকুছি, ২৯ এপ্ৰিলঃ** নিষিদ্ধ কৰাৰ পিছতো ৰাজ্যত অব্যাহত আছে গো-মাংসৰ অবাধ বেহা। নিশা শুৱালকুছি থানাৰ অন্তৰ্গত গন্ধমৌৰ ফাটনাত এখন আশ্ৰমৰ সমীপত নিষিদ্ধ গো-মাংস উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যি সময়ত হিন্দু বসতিপ্ৰধান ঠাইত গো-মাংস নিষিদ্ধ, সেই সময়তে হিন্দু বসতিপ্ৰধান গন্ধমৌৰ ফাটনাত গো-মাংস উদ্ধাৰ হোৱা ঘটনাই বৃহত্তৰ অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য, কামৰূপ গন্ধমৌৰ ফাটনাঘুলিত থকা শেষাংশ ৮ পৃষ্ঠাত

## নিশা দদৰাত ড্ৰাগছসহ ৩ সৰবৰাহীক আটক

**ই-সংবাদ, শুৱালকুছি, ২৯ এপ্ৰিলঃ** ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত আছে কামৰূপৰ দদৰা আৰক্ষীৰ। নিশা দদৰা আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ তিনি কুখ্যাত ড্ৰাগছ শেষাংশ ৮ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লক্ষ্ণৌৰ অধ্যাপিকা মাদ্ৰী কাকতিৰ বিৰুদ্ধে

হৈছে গোচৰ। শেহতীয়াকৈ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ কেন্দ্ৰীয় চৰকাৰক নিৰাপত্তাৰ বিষয়ে প্ৰশ্ন কৰাৰ বাবে সোমবাৰে দেশদ্ৰোহৰ অভিযোগ দাখিল কৰা হয়। এবিভিপিৰ নেতা যতীন শুক্লাই এক্স পোষ্টৰ জৰিয়তে ভাৰতৰ ঐক্য আৰু সাৰ্বভৌমত্বক লক্ষ্য কৰি লোৱাৰ অভিযোগ উত্থাপন কৰি ড০ কাকতিৰ বিৰুদ্ধে হাসংগঞ্জ থানাত এফআইআৰ ৰুজু কৰে। অভিযোগ কৰা হৈছে যে ‘গেৰুৱা সন্ত্ৰাসবাদ’ৰ দৰে শব্দৰ ব্যৱহাৰকে ধৰি তেওঁৰ কিছুমান মন্তব্য পাকিস্তানী সংবাদ মাধ্যমে প্ৰচাৰ কৰি দেশবাসীৰ মাজত ক্ষোভ আৰু অধিক বৃদ্ধি কৰিছে। চৰকাৰ আৰু সমাজ সম্পৰ্কে ব্যংগমূলক মন্তব্য দিয়াৰ বাবে পৰিচিত ড০ মাদ্ৰী কাকতিয়ে এটা ভিডিঅ’ত উল্লেখ কৰিছে যে কাৰোবাক হত্যা কৰাৰ আগতে ধৰ্মীয় পৰিচয় বিচৰাটো সন্ত্ৰাসবাদ। কিন্তু ইয়াৰ লগতে গণ আক্ৰমণৰ পূৰ্বে ধৰ্মৰ বিষয়ে সোধা-পোছা কৰা, ধৰ্মৰ ভিত্তিত মানুহক চাকৰিৰ পৰা বৰ্খাস্ত কৰা, ভাৰাতীয়াক থকাৰ ব্যৱস্থাৰ পৰা বঞ্চিত কৰা আৰু বুলড’জাৰেৰে ঘৰ উচ্ছেদ কৰা আদি কাম সন্ত্ৰাসবাদৰ শাৰীত পৰে বুলি মাদ্ৰীয়ে উল্লেখ কৰে। উল্লেখ্য যে ড০ মেডুছা নামেৰে পৰিচিত মাদ্ৰী কাকতি অসমৰ জীয়ৰী। সাহসী ৰাজনৈতিক ধাৰাভাষ্য আৰু ব্যংগৰ বাবে তেওঁ পৰিচিত। তেওঁৰ শেহতীয়া বক্তব্যই লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিবাদৰ সৃষ্টি কৰিছে। ইতিধ্যে লক্ষ্ণৌ বিশ্ববিদ্যালয়ে ড০ কাকতিক কাৰণ দেখুওৱাৰ জাননী জাৰি কৰি পাঁচ দিনৰ ভিতৰত লিখিত ব্যাখ্যা বিচাৰিছে। এবিভিপিয়ে উপাচাৰ্যলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰি তেওঁৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। ড০ কাকতিয়ে এই সম্পৰ্কে কয়, "মই যি ক'লোঁ সেয়া এটা সত্য আৰু ১০০% শুদ্ধ। এই বক্তব্যত কোনো ভুল নাই। ই এটা সাধাৰণ বক্তব্য।" জানিব পৰা মতে, দেশদ্ৰোহ, শত্ৰুতা প্ৰচাৰ, ধৰ্মীয় আৱেগক আঘাত কৰা, জনশান্তি বিঘ্নিত কৰা আৰু তথ্য-প্ৰযুক্তি আইনৰ প্ৰাসংগিক ধাৰাসমূহৰ অভিযোগত আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে। ইতিমধ্যে আৰক্ষীয়ে এই গোচৰ সম্পৰ্কে তদন্ত আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিললৈ বিশেষ পৰামৰ্শ গৌৰৱৰ গগৈৰ

ফলত ৰাজ্যৰ ৰাজনীতি এতিয়া গৰম হৈছে। গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰীৰ আক্ৰমণৰ পিছতে অখিল গগৈয়েও গৌৰৱ গগৈক আক্ৰমণ কৰিছিল। যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে আজি অখিল গগৈক প্ৰত্যুত্তৰ দি অখিল গগৈক লক্ষ্য কৰি লয়। অখিল গগৈয়ে কৰি অহা বিভিন্ন মন্তব্য সন্দৰ্ভত মন্তব্য প্ৰদান কৰি অখিল গগৈক স্থিৰতা আনিবলৈ পৰামৰ্শ দিয়ে। গৌৰৱ গগৈয়ে কয় যে এই ধৰণে ৰাজনীতিত গম্ভীৰভাৱে কাম কৰাটো কঠিন। অখিল গগৈৰ সৈতে আমাৰ ব্যক্তিগত সম্পৰ্ক ভাল। কিন্তু ৰাজনৈতিকভাৱে কাম কৰিবলৈ অলপ স্থিৰতাৰ আৱশ্যক। তেওঁ কেতিয়াবা ড০ হীৰেন গোহাঁইকো সমালোচনা কৰে, কেতিয়াবা মোক সমালোচনা কৰে। এদিন কংগ্ৰেছৰ পক্ষে আৰু দুদিন পিছত বিপক্ষে কথা কয়। অখিল গগৈৰ কথা ধৰিবলৈ টান বুলি প্ৰকাশ কৰি গৌৰৱ গগৈয়ে আৰু কয় যে নিবাৰ্চনৰ সময়ত অখিল গগৈয়ে সংবাদ মাধ্যমত নিজৰ কথাবোৰ প্ৰকাশ কৰি আছে। সেই কাৰণে মই অখিল গগৈৰ কথাবোৰ ধৰিবলৈ টান পাইছো। অখিল গগৈয়ে এদিন আমাৰ পক্ষত কথা ক'ব। দুদিন পিছত বিপক্ষে ক'ব। এদিন ভূপেন বৰাৰ লগত চাহ খাব। দুদিন পিছত আকৌ তেওঁ কংগ্ৰেছকে সমালোচনা কৰিব। ড০ হীৰেন গোহাঁই ছাৰকো তেওঁ সমালোচনা কৰে। কেতিয়াবা মোক সমালোচনা কৰে। কোন দিনা তেওঁ কি কয় ধৰিবই নোৱাৰি। আমাৰ ব্যক্তিগত সম্পৰ্ক ভালেই আছে, কিন্তু যেতিয়া আমি কাম কৰিবলৈ বিচাৰো তেতিয়া অলপ স্থিৰতা লাগে। আজি নিজ সংসদীয় সমষ্টিৰ অন্তৰ্গত শিৱসাগৰৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ মুখামুখি হৈ সাংসদ গৌৰৱ গগৈৰ পঞ্চায়ত নিৰ্বাচনক লৈও প্ৰতিক্ৰিয়া ব্যক্ত কৰে মই আশা কৰাতকৈ বেছি ভাল হ'ব ফলাফল। আমাৰ প্ৰচাৰ সভাত যথেষ্ট মহিলাই অংশগ্ৰহণ কৰিছে। যোৱা লোকসভা নিৰ্বাচনত অনুষ্ঠিত কৰা প্ৰচাৰ সভাত ইমান মহিলাই অংশগ্ৰহণ কৰা নাছিল। মহিলাসকল এতিয়া সজাগ হৈছে। গছপুলিৰ নামত, লাখপতি বাইদেউৰ নামত ঠগিছে চৰকাৰে। সেয়া বুজি পাইছে। লগতে পাকিস্তান লিংক সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত সাংসদগৰাকীয়ে কয় যে এয়া সকলো ৰাজনীতি। কিন্তু মুখ্যমন্ত্ৰীয়ে যি ৰাজনীতি কৰিছে আমি তেনে ৰাজনীতি নকৰো। আমাৰ দলৰ ৰাজনীতি তেনে নহয়। এছআইটিৰ ৰিপ'ৰ্ট কিয় জমা দিয়া নাই। এছআইটিৰ ৰিপৰ্টত যি তথ্য পাইছে সেয়া ৰাইজক জনাওক, ৰাজহুৱা কৰক মুখ্যমন্ত্ৰীয়ে। কিয় কৰা নাই বুলি মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে। গৌৰৱ গগৈক এতিয়া অখিল গগৈয়ে কেনেদৰে প্ৰত্যুত্তৰ দিব, সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসাৰ ট্ৰাম্পৰ ৰঙাচকু! কানাডাত

ওপৰত শুল্ক আৰোপ কৰাৰ ঘোষণা আৰু নিৰ্বাচনৰ দিনটোত কানাডাৰ লোকসকলক প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰি "আমেৰিকাৰ অংশ" হোৱাৰ আহ্বান- এই সকলোবোৰ কথাই সলনি কৰি পেলালে কানাডাৰ নিৰ্বাচনৰ গতিপথ। কানাডাৰ ওপৰত ট্ৰাম্পৰ প্ৰভাৱ বিস্তাৰৰ প্ৰয়াসে যেন নতুনকৈ দেশবাসীৰ মনত জগাই তোলে জাতীয়তাবাদ। সেই জাতীয়তাবাদকে অস্ত্ৰ হিচাপে লৈ ক্ষমতালৈ উভতি আহিল লিবাৰেল নেতা মাৰ্ক কাৰ্নী। ভোটদানৰ মাত্ৰ তিনি সপ্তাহ পূৰ্বে জনমত সমীক্ষাত আগবাঢ়ি আছিল কনজাৰ্ভেটিভ পাৰ্টি। জীৱন-যাপনৰ ব্যয়, গৃহ নিৰ্মাণ, স্বাস্থ্যসেৱাৰ অভাৱ আদি বিষয়ত হতাশ হোৱা ভোটাৰসকলক পিয়েৰ পইলিভ্ৰে নিজৰ পক্ষত আনি থিয় কৰাবলৈ সক্ষম হৈছিল। কিন্তু ইয়াৰ মাজতে ঘটে মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এণ্ট্ৰি। নিৰ্বাচনৰ আগদিনা ট্ৰাম্পে ঘোষণা কৰে, “কানাডা আমাৰ ৫১ সংখ্যক ৰাজ্য হ'ব লাগে।” লগতে কানাডাৰ সামগ্ৰীৰ ওপৰত নতুন শুল্ক আৰোপ কৰাৰ ভাবুকিও প্ৰদান কৰে ট্ৰাম্পে। আৰু এই ভাবুকিয়েই যেন সমগ্ৰ নিৰ্বাচনটোক এক নতুন মোৰ প্ৰদান কৰে, জীৱনশৈলীৰ বিষয়বোৰক পিছ পেলাই নিৰ্বাচনী চৰ্চালৈ আহে সাৰ্বভৌমত্ব। এই পৰিৱৰ্তিত পৰিৱেশতেই নতুন লিবাৰেল নেতা মাৰ্ক কাৰ্নি পুনৰ যুদ্ধলৈ উভতি আহিছিল। মাত্ৰ ছমাহ আগতে দলটোৰ আগশাৰীৰ স্থানতো নথকা কাৰ্নী হঠাৎ হৈ পৰে জাতীয়তাবাদৰ চেহেৰা। কাৰ্নীয়ে নিজৰ প্ৰচাৰ অভিযানত এটা স্পষ্ট বাৰ্তা দিছিল- “ট্ৰাম্পৰ দাসত্ব নহয়, কানাডাৰ মৰ্যাদা ৰক্ষা কৰক।” তেওঁৰ এই স্থিতিয়ে ভোটাৰৰ আৱেগ জগাই তুলিছিল। বৰ্তমানো কানাডাৰ নিৰ্বাচনৰ ফলাফল চূড়ান্ত নহয় যদিও হিচাপ অনুসৰি এইবাৰো লিবাৰেলে সংখ্যাগৰিষ্ঠতাৰ অতি ওচৰ চাপিছে। কিছুমান আসনত তেওঁলোকে এনডিপি বা গ্ৰীন পাৰ্টিৰ পৰা সমৰ্থন লাভ কৰিব পাৰে। আনহাতে কনজাৰ্ভেটিভ পাৰ্টিৰ ফলাফল তেওঁলোকৰ আশাতকৈ বহু কম। পিয়েৰ পইলিভ্ৰে নিজেই কাৰ্লটন ৰাইডিঙৰ আসন হেৰুৱাবলগীয়া হৈছে। বহু ক্ষেত্ৰত ট্ৰাম্পৰ প্ৰতি তেওঁৰ নৰম স্থিতিয়ে ভোটাৰক ক্ষুব্ধ কৰি তুলিছে। একে সময়তে এনডিপিৰ নেতা জগমীত সিঙেও আসন হেৰুৱাইছে আৰু ইতিমধ্যে দলৰ ভিতৰত পৰিৱৰ্তনৰ আহ্বান চলিছে। এলিজাবেথ মেই পুনৰ জয়লাভ কৰিলেও এইবাৰ গ্ৰীন পাৰ্টিয়ে কাৰ্যতঃ প্ৰাসংগিকতা হেৰুৱাই পেলাইছে। এই ফলাফলে কানাডাৰ ৰাজনীতিত এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে কানাডাৰ জনসাধাৰণে সাৰ্বভৌমত্বৰ বিষয়টোত আপোচ নকৰে। ট্ৰাম্পৰ বক্তব্য যিমানেই আক্ৰমণাত্মক নহওক কিয়, উদাৰবাদীসকলৰ বাবে ৰাজনৈতিক সুৰক্ষা হৈ পৰে। আৰু মাৰ্ক কাৰ্নী- ভোটাৰৰ মনত আশাৰ প্ৰতীক হৈ পৰা এজন প্ৰাক্তন বেংকাৰে এতিয়া কানাডাৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিবলৈ সাজু হৈছে। দীৰ্ঘ সময়ৰ মূৰকত কানাডাৰ নেতৃত্ব সলনি হোৱাত ভাৰতৰ সৈতে পূৰ্বৰ তিক্ততাপূৰ্ণ সম্পৰ্ক অৱসান ঘটিব বুলি আশা কৰা হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নিশা দদৰাত ড্ৰাগছসহ ৩ সৰবৰাহীক

সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। কামৰূপৰ দদৰা আৰক্ষী চকীৰ সন্মুখেৰে যোৱা গুৱাহাটী-হাজো সংযোগী পথত নিশা তালাচী চলাই এখন চাৰিচকীয়া বাহনৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছসহ তিনিজন আৰোহীক আৰক্ষীয়ে আটক আটক কৰে। আৰক্ষীৰ পৰা জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত গুৱাহাটী- হাজো সংযোগী পথৰ দদৰা আৰক্ষী চকীৰ সন্মুখত নিশা তালাচী চলাই গুৱাহাটীৰ দিশৰ পৰা অহা এ আৰ-০১ আৰ-৮৭১৫ নম্বৰৰ মাৰুতি ভেন এখনেৰে ৬ টা চাবোনৰ বাকচত অনা ড্ৰাগছ জব্দ কৰাৰ লগতে তিনি ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইজন হৈছে ক্ৰমে ৰবুল আলী, (৩২), হাউলী, কমল মিঞা, (৪৪), বৰপেটা, আব্দুল মজিদ (২০), হাউলী। শিলচৰৰ পৰা বৰপেটালৈ সৰবৰাহ কৰাৰ সময়তে গোপন খবৰৰ ভিত্তিত দদৰা আৰক্ষীয়ে তালাচী চলাই জব্দ কৰে ড্ৰাগছখিনি। ঘটনা সন্দৰ্ভত দদৰা আৰক্ষীয়ে জেৰা চলাই তদন্ত অব্যাহত ৰাখিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# হিন্দু বসতিপ্ৰধান অঞ্চল ফাটনাত গো-

পৰমাৰ্থ সাধক সংঘ নামৰ আশ্ৰমখনৰ সীমাতেই থকা মনজিৎ দাস নামৰ এজন লোকৰ চৌহদৰ সীমাৰ চাৰিবেৰ নিৰ্মাণৰ কামত নিয়োজিত হৈ আছে বৰপেটাৰ কেইবাজনো ইছলাম ধৰ্মীয় শ্ৰমিক। নিৰ্মাণ কাৰ্যত নিয়োজিত ইছলামধৰ্মী শ্ৰমিকসকলে সন্ধিয়া আশ্ৰমখনৰ মাজেৰেই খাবলৈ আনিছিল গো- মাংস। স্থানীয় এজন যুৱকে উক্ত চৌহদৰ ভিতৰত মাংস কাটি থকা অৱস্থাত দেখি সোধা-পোছা কৰাত সেয়া গো-মাংস কাটি থকা বুলি জানিব পাৰি স্থানীয় ৰাইজক খবৰ দিয়ে। নিষিদ্ধ গো-মাংস উদ্ধাৰৰ খবৰ পোৱাৰ পিছতে অঞ্চলটোত হুৱাদুৱা লাগে। কিয়নো হিন্দু বসতিপ্ৰধান অঞ্চলটোত শ্ৰমিকসকলে নিষিদ্ধ গো-মাংস খোৱাটো গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি স্থানীয় ৰাইজৰ মাজত উত্তেজনাৰ সৃষ্টি হয়। আনহাতে ৰাজু বিশ্বাস নামৰ লোকজনৰ আশ্ৰমখনৰ ভিতৰত মাছ-মাংস খোৱাটো নিষিদ্ধ থকাৰ পিছতো এইসকল ইছলামধৰ্মীয় শ্ৰমিকে প্ৰায়েই গো-মাংস লৈ আশ্ৰমৰ চৌহদৰ ভিতৰতে গো-মাংস ভক্ষণ কৰি অহাৰ অভিযোগ কৰে স্থানীয় ৰাইজে। ইপিনে, হিন্দু বসতিপ্ৰধান অঞ্চলত গো-মাংস উদ্ধাৰ হোৱাৰ খবৰ বিয়পি পৰাত স্থানীয় ৰাইজৰ লগতে বিশ্ব হিন্দু পৰিষদৰ নেতা-কৰ্মীসকল উপস্থিত হৈ শ্ৰমিকসকলক সোধা-পোছা কৰাত সেয়া খাবলৈ অনা গো-মাংস বুলি স্বীকাৰ কৰে। পিছত ঘটনা সন্দৰ্ভত শুৱালকুছি আৰক্ষীক অৱগত কৰাত আৰক্ষী ঘটাস্থলীত উপস্থিত হৈ কৰ্মৰত আটাইকেইজন শ্ৰমিকক থানালৈ নিয়ে। স্থানীয় ৰাইজৰ অভিযোগ- হিন্দু বসতিপ্ৰধান অঞ্চলত এনেদৰে মুকলিকৈ গো-মাংস আনি মজুত কৰি অইন ধৰ্মীয় মানুহৰ ধৰ্মীয় আৱেগত আঘাত হানিছে। এইসকল লোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'বলৈ কামৰূপ প্ৰশাসন আৰু মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁৱৰ বৰজহাৰ কমলাবাৰী শাখা সত্ৰৰ

আৰক্ষী পহৰা চকীৰ এলেকাধীন ২ নং বৰজহাৰ কমলাবাৰী শাখা সত্ৰৰ নামঘৰত চোৰে চলায় চাফাই অভিযান। প্ৰাপ্ত খবৰ মতে, নিশা দুষ্কৃতিকাৰীয়ে কমলাবাৰী শাখা সত্ৰৰ নামঘৰৰ গ্ৰিলৰ তলা ভাঙি ভিতৰত প্ৰবেশ কৰি চুৰি কাৰ্য সংঘটিত কৰে। চোৰে ভিতৰত প্ৰবেশ কৰি নামঘৰটোত থকা কাঁহৰ বৰতাল, ৰূপৰ অলংকাৰ, প্ৰণামীৰ ধন আদিকে ধৰি বিভিন্ন সামগ্ৰী লুট কৰি নিয়ে। পুৱা নামঘৰীয়া নামঘৰলৈ আহি দুৱাৰ খোলা অৱস্থাত প্ৰত্যক্ষ কৰি ভিতৰলৈ গৈ ভালদৰে পৰ্যবেক্ষণ কৰাত নিশা চুৰি কাৰ্য সংঘটিত হোৱাৰ কথা পোহৰলৈ আহে। লগে লগে নামঘৰীয়াই নামঘৰ পৰিচালনা সমিতিৰ লোকসকলক ঘটনাৰ বিষয়ে অৱগত কৰাত সকলো আহি উক্ত স্থানত সমৱেত হৈ স্থানীয় বেবেজীয়া আৰক্ষীক খবৰ দিয়ে। পিছত বেবেজীয়া আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত চলোৱাৰ লগতে ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি চোৰৰ সন্ধান অব্যাহত ৰাখিছে । উল্লেখ্য, পূৰ্বেও দুবাৰ চুৰিকাৰ্য সংঘটিত হোৱা এই নামঘৰটোৰ চুৰি কাৰ্যত স্থানীয় লোক জড়িত থকাৰ সন্দেহ কৰিছে ৰাইজে । কাজেই, এনেদৰে পৱিত্ৰ ধৰ্মীয় অনুষ্ঠানত দুষ্কৃতিকাৰীয়ে সংঘটিত কৰা চুৰি কাৰ্যক লৈ চিন্তাশীল মহলে উদ্বিগ্নতা প্ৰকাশ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'বিজেপিৰ দিনত প্ৰতিটো পৰ্যায়তে

বাবে নিৰ্বাচনী প্ৰচাৰ চলায় মুখ্যমন্ত্ৰীগৰাকীয়ে। বিয়লিৰ ভাগত অনুষ্ঠিত সভাখনত প্ৰধান বিৰোধী দল কংগ্ৰেছক চোকা সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সুতা,লু ঙী, কম্বলৰ ৰাজনীতি শেষ হ'ব লাগে। ৰাজ্যত এতিয়া উন্নয়নৰ বতাহ বলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে লুঙী ধুতিৰ প্ৰতি আমাৰ মৰম নাই। কংগ্ৰেছৰ দিনত চাকৰি দি পইচা লৈ নেতাবোৰে ডাঙৰ ডাঙৰ ঘৰ বনাইছে, কিন্তু আমি এখনো তামোল-পাণ নোখোৱাকৈ ডেৰ লাখ চাকৰি দিলো। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ লাভৰ সুবিধাৰ বাবে এতিয়া আৰু জিঅ' টেগিঙৰ নামত কষ্ট খাব নালাগে বুলিও সদৰী কৰে। ৰেচন কাৰ্ড থাকিলে ইনকাম চাৰ্টিফিকেট নালাগে, কলেজত বিনামূলীয়া নামভৰ্তি হৈ যাব বুলি সদৰী কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে নিযুত মইনা আঁচনিৰ জৰিয়তে ছাত্ৰীসকল উপকৃত হ'ব। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আয়ুষ্মান ভাৰত, আয়ুষ্মান অসম দিছো। তেনেদৰে ৰন্ধন গেছৰ দাম ৩০০ টকা হ্ৰাস পাব বুলিও কয়। পহিলা অক্টোবৰৰ পৰা দাইল, চেনি বজাৰতকৈ ৩০ টকা আৰু নিমখ ১০ টকা ৰেহাই মূল্যত প্ৰদান কৰাৰো প্ৰতিশ্ৰুতি দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। ৰঙিয়া,ক মলপুৰ আৰু হাজো বিধানসভা সমষ্টিৰ অতিৰিক্ত ৪ হাজাৰকৈ দৰিদ্ৰ পৰিয়াল অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত হ'ব বুলিও দোহাৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ইফালে নিৰ্বাচনৰ পিছত ৰঙিয়া-কমলপুৰ আৰু হাজো সমষ্টিৰ বিধায়ক-বিধায়িকাৰ সুবিধা অনুসৰি নিৰ্দিষ্ট এটা দিনত মহিলাসকলৰ বহু প্ৰতীক্ষিত ১০ হাজাৰ টকা আগবঢ়োৱাৰ কথা উল্লেখ কৰে। একেখন মঞ্চতে দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আমাক ১০০% মৰম দিলে আমি চক্ৰ বৃদ্ধি সূতসহ ঘূৰাই দিম বুলি ভাষণত কয়। নিৰ্বাচন সেৰক আৰুৰাইজৰ মাজত মণিকাঞ্চন সংযোগ বুলি অভিহিত কৰি শইকীয়াই সৰ্বস্তৰৰ ৰাইজৰ প্ৰতি ভোটদানৰ আহ্বান জনাই কয় যে প্ৰথমে ভোটদান পিছত জলপান। একেখন মঞ্চতে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জীত দাস , বিধায়কদ্বয় ভবেশ কলিতা, দিগন্ত কলিতাৰ লগতে বিধায়িকা সুমণ হৰিপ্ৰিয়াৰ লগতে, ৰূপম শৰ্মা ,দিলীপ দাস প্ৰমুখ্যে নেতৃবৃন্দ উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ‘গৌৰৱ গগৈৰ ক্ষমতা জিলা পৰিষদৰ

বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক অহা ২ মে'ত ভোট দিয়ক " -এই আহ্বান ভাৰতৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ। আজি নামনি মাজুলীৰ বালিচাপৰি তিনিআলিত ভাৰতীয় মিত্ৰজোঁটৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত যোৰহাট লোকসভা সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰভাৰী তথা কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰি অসম তথা মাজুলীৰ উন্নয়ন আৰু বিকাশৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক পঞ্চায়ত নিৰ্বাচনত বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। বালিচাপৰি তিনিআলিত অনুষ্ঠিত এখন জনাকীৰ্ণ নিৰ্বাচনী সভাত ভাষণ দি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক ক্ষুৰধাৰ সমালোচনা কৰি বৰ্তমান মাজুলীবাসীয়ে গৌৰৱ গগৈক কেতিয়াও লগ নাপায়, পাকিস্তানৰ ৰাইজৰ লগততে তেওঁ ব্যস্ত বুলি উল্লেখ কৰে। গৌৰৱ গগৈক ক্ষুৰধাৰ সমালোচনা কৰি তেওঁ অবৈধভাৱে পাকিস্তানত ১৫ দিন থকাটো অবাঞ্ছনীয় আৰু অবিশ্বাস্য বুলি উল্লেখ কৰে। সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈৰ ক্ষমতা বৰ্তমান পঞ্চায়ত নিৰ্বাচনৰ জিলা পৰিষদৰ নামনি মাজুলীৰ প্ৰাৰ্থী জুন্তি মিলি পায়েঙতকৈও বহুত কম বুলি উল্লেখ কৰে। তেওঁ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে অৰুণোদয় বা অন্যান্য হিতাধিকাৰী আঁচনি প্ৰস্তুত কৰিব পাৰে কৈ সাংসদ গৌৰৱ গগৈয়ে বৰ্তমান চৰকাৰৰ এখন আঁচনিৰো কোনো এখন আবেদন ল'ব নোৱাৰে বুলি উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ চৰকাৰে পঠিয়ালেহে পাকিস্তানলৈ যাব পাৰে বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে ১৫ দিন পাকিস্তানত কি কৰিছিল বুলি প্ৰশ্ন কৰে। সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে মাজুলীৰ দুখৰ সময়ত ৰাইজৰ কাষলৈ নাহে বুলি উল্লেখ কৰে আৰু অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ প্ৰতিটো নামঘৰৰ পানী পৰা টিং সলনি কৰাৰ পৰা অসমৰ বাবে চেটেলাইট প্ৰস্তুত কৰালৈকে সকলো কাম কৰিছে বুলি উল্লেখ কৰে। সমাগত পঞ্চায়ত নিৰ্বাচনত তেওঁ মাজুলীৰ উন্নয়ন আৰু বিকাশৰ বাবে পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি-অসম'ৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। বালিচাপৰি তিনিআলিত অনুষ্ঠিত উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি মাজুলীৰ বিধায়ক ভুবন গামে সমাগত পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক জয়ী কৰিবলৈ আহ্বান জনায়। তেওঁ যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক মাটিৰ কেঁচু আৰু মাটিৰ তলত সোমাই থাকে বুলি কটাক্ষ কৰে। বিধায়ক গামে কয় যে কেঁচুৱে মাটিৰ তলত সোমাই থাকে আৰু বৰষুণ দিলেহে ওলাই আহে বুলি কয়। বৰ্তমান পঞ্চায়ত নিৰ্বাচনতহে ৰাইজৰ কাষলৈ অহা বুলি কৈ মাজুলীৰ শৈক্ষিক ক্ষেত্ৰখন আৰু নতুন প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে বৰ্তমান তেওঁ কাম কৰি আছে। "আমাৰ কাম আৰু কংগ্ৰেছৰ কথা" বুলি কৈ তেওঁ মাজুলীৰ উন্নয়নৰ কামৰ বাবেই সমাগত পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনায়। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত পঞ্চায়ত নিৰ্বাচনৰ মাজুলীৰ সমষ্টিৰ প্ৰভাৰী সিদ্ধাংকু অংকুৰ বৰুৱা, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামীয়ে ভাষণ প্ৰদান কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। নামনি মণ্ডল ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত অনুষ্ঠিত উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ নেতা পুতুল চন্দ্ৰ মহন্ত, মনোজ বৰা, লীলাকাশ্ত ভট্টাচাৰ্য, বুদ্ধিন শইকীয়া, নৱজ্যোতি মিলি, কিষাণ মৰ্চাৰ ৰাজ্যিক সমিতিৰ সম্পাদক বিতোপন দলে, অসম গণ পৰিষদৰ মাজুলী জিলাৰ সভাপতি ব্ৰজেন গাম আদিয়ে অংশগ্ৰহণ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ডিকমৰ বিজেপিৰ নিৰ্বাচনী সভাত

নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰি সৰ্বানন্দ সোণোৱালে বিজেপিৰ দিনত দুখীয়াসকল আৰ্থিকভাৱে সমৃদ্ধ হোৱা বুলি দাবী কৰে। সৰ্বানন্দ সোণোৱালে কয় যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক গাঁও, চাহ বাগিচা সকলোতে ব্যাপক সঁহাৰি লাভ কৰিছে। পঞ্চায়তসমূহ গঠনত বিজেপিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিব। সেই অধিকাৰ ৰাইজে দিব। ৰাইজে দহ বছৰ ধৰি দিল্লী আৰু দিছপুৰৰ চৰকাৰৰ পৰা যিখিনি সা-সুবিধা পাইছে ৰাইজ উপকৃত হৈছে, ৰাইজ শক্তিশালী হৈছে। সামাজিক নিৰাপত্তা লাভ কৰি সন্মানসহকাৰে জীয়াই থাকিবলৈ সক্ষম হৈছে। প্ৰতিটো দুখীয়া পৰিয়াল আৰ্থিকভাৱে সবল হৈছে। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি কয় কংগ্ৰেছী পঞ্চায়তীৰাজৰ সময়ত দুখীয়া-দৰিদ্ৰৰ নামত অহা বিভিন্ন আঁচনি আত্মসাৎ কৰিছিল। কংগ্ৰেছ দলক ৰাইজে প্ৰত্যাখ্যান কৰিছে। বকুল, ডিকম আৰু মদাৰখাত জিলা পৰিষদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ চৰকাৰক আৰু সমালোচনা কৰি কয় যে কংগ্ৰেছৰ দিনত শিক্ষা ব্যৱস্থাৰ একেবাৰে শোচনীয় অৱস্থা আছিল। বৰ্তমান বিজেপি চৰকাৰৰ দিনত শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত হৈছে। বিজেপি চৰকাৰৰ দিনত চাহ বাগিচা অঞ্চলত ১১৮ খন হাইস্কুল স্থাপন কৰা হৈছে। ৫ সহস্ৰাধিক অগপ-বিজেপিৰ কাৰ্যকৰ্তা উপস্থিত থকা প্ৰচাৰ সভাত চাবুৱা-লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, পোনাকণ বৰুৱা, বিজেপিৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দুলাল বৰা, জিলা সম্পাদক সুশীল তাছা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অগপ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সম্পাদক বিনোদ বুঢ়াগোহাঁই, বকুল জিলা পৰিষদৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী প্ৰাৰ্থী খগেন ৰাজোৱাৰ, লাহোৱাল জিলা পৰিষদৰ প্ৰাক্তন সদস্য ভূপেন কুমাৰ গগৈ, ডিকম জিলা পৰিষদৰ প্ৰাৰ্থী ব্ৰজেন গগৈ, মদাৰখাত জিলা পৰিষদৰ প্ৰাৰ্থী মীনাক্ষি গোহাঁই, অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## পাকিস্তানক সমৰ্থন কৰি কোকৰাঝাৰত

জে'ললৈ প্ৰেৰণ কৰে। ইয়াৰে মনিৰুজ আলী শ্বেখক আৰক্ষীয়ে কালি নিশা গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে নজৰুল ইছলামক ২৭ এপ্ৰিলৰ দিনা গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে পেহেলগামৰ ঘটনাৰ পিছত পাকিস্তানৰ সমৰ্থনত ছ'চিয়েল মিডিয়াত লিখি ৰাজ্যৰ দুই ডজনতকৈ অধিক লোকে ইতিমধ্যে গ্ৰেপ্তাৰ বৰণ কৰিছে যদিও তৎসত্ত্বেও একাংশ লোকে এতিয়াও পাকিস্তানৰ প্ৰতি ছ'চিয়েল মিডিয়াত নিজৰ সমৰ্থন প্ৰকাশ কৰি আহিছে। তেনে দেশদ্ৰোহী লোকক আৰক্ষীয়ে প্ৰতিদিনে গ্ৰেপ্তাৰ কৰিয়েই আছে। কোকৰাঝাৰতো দুই যুৱক পাকিস্তানক সমৰ্থন কৰি গ্ৰেপ্তাৰ হোৱা ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

দক্ষিণ-পূৱ এছিয়াত সন্ত্ৰাসবাদক ইন্ধন যোগোৱাৰ অভিযোগ

# ‘অসৎ ৰাষ্ট্ৰ’ আখ্যাৰে ৰাষ্ট্ৰসংঘত পাকিস্তানক তুলাধূনা দিলে ভাৰতে

ৰাষ্ট্ৰসংঘ, ২৯ এপ্ৰিল: পাকিস্তানক এখন অসত ৰাষ্ট্ৰ দেশখনক ৰাষ্ট্ৰসংঘত তীব্ৰ ভাষাৰে সমালোচনা কৰে ভাৰতীয় প্ৰতিনিধি যোজনা পেটেলে কয় যে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাজা আচিফে পূৰ্বতে পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনসমূহক সমৰ্থন আৰু পুঁজি যোগান ধৰাৰ কথা স্বীকাৰ কৰি পাকিস্তানক এক "অসৎ ৰাষ্ট্ৰ" হিচাপে উন্মোচিত কৰিছে যি বিশ্বব্যাপী সন্ত্ৰাসবাদক ইন্ধন যোগায় আৰু অস্থিৰতা সৃষ্টি কৰে। তেওঁ পেহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰসংগত কয় যে পাকিস্তানে সন্ত্ৰাসবাদীক প্ৰশিক্ষণৰ বাবে ধন যোগান ধৰে। পেহলগামৰ আক্ৰমণৰ বিষয়টোক বিশ্বৰ কেইবাখনো দেশে নিন্দা কৰিছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সৈতে থিয় দিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ উপস্থায়ী প্ৰতিনিধি ৰাজদূতগৰাকীয়ে লগতে কয় যে পেহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ ২০০৮ চনৰ ২৬/১১ৰ মুম্বাই আক্ৰমণৰ পিছৰ পৰা ভাৰতত আটাইতকৈ ডাঙৰ সন্ত্ৰাসবাদী আক্ৰমণ।

পেটেলে নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সন্ত্ৰাসবাদ বিৰোধী কাৰ্যালয়ৰ 'সন্ত্ৰাসবাদ বক্ষী সংস্থা নেটৱৰ্ক' (ভিঅ'টিএএন)ৰ শুভাৰম্ভ অনুষ্ঠানত এইদৰে পাকিস্তানক সমালোচনা কৰে। তেওঁ লগতে কয় যে আক্ৰমণৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ নেতাসকলে আগবঢ়োৱা "শক্তিশালী, দ্ব্যৰ্থহীন" সমৰ্থন আৰু সংহতি সন্ত্ৰাসবাদৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ "শূন্য সহনশীলতা"ৰ প্ৰমাণ। ২২ এপ্ৰিলত পহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ২৫ জন ভাৰতীয় আৰু এজন নেপালী নাগৰিক নিহত হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প, উপ ৰাষ্ট্ৰপতি জে ডি ভেন্স, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, ইউকেৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰ, ইটালীৰ প্ৰধানমন্ত্ৰী জিঅৰ্জিয়া মেলোনি, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰন আৰু ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টনিঅ' গুটেৰেছকে ধৰি বিশ্বৰ নেতাসকলে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়ে আৰু ভাৰতৰ সৈতে সমবেদনা আৰু সংহতি প্ৰকাশ কৰে।



চীনৰ এখন ৰেষ্টোৰাঁত জুই লগাৰ ফলত ২০ জন লোক নিহত হয়, ফটো মঙলবাৰ

# আটাৰী সীমান্তৰে আজি ভাৰতত প্ৰৱেশ ভাৰতত বিবাহিত পাকিস্তানী মহিলাৰ

চণ্ডীগড়, ২৯ এপ্ৰিল: ভাৰতীয় নাগৰিকৰ সৈতে বিবাহপাশত আৱদ্ধ ৭০ গৰাকীতকৈও অধিক পাকিস্তানী মহিলাই আটাৰী সীমান্ততৰে আজি ভাৰতত প্ৰৱেশ কৰে। দীৰ্ঘম্যাদী ভিছাসহ জাৰি কৰা এনঅ'আৰআই প্ৰমাণপত্ৰ লগত লৈ তেওঁলোক ভাৰতলৈ ঘূৰি আহে। পাকিস্তানত তেওঁলোকৰ পিতৃ-মাতৃক লগ কৰিবলৈ যোৱা পাকিস্তানী মহিলাসকলক আজি পাকিস্তানৰ ইমিগ্ৰেচন কৰ্তৃপক্ষই পাকিস্তানী পাছপোৰ্ট থকা আৰু এনঅ'আৰআই প্ৰমাণপত্ৰ আৰু দীৰ্ঘম্যাদী ভিছা থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱাসকলক ভাৰতলৈ পাৰ হ'বলৈ অনুমতি দিয়ে।

# ৰাজস্থানৰ কোটাত পুনৰ শিক্ষাৰ্থীৰ আত্মহত্যা

কোটা, ২৯ এপ্ৰিল: ৰাজস্থানৰ কোটা চহৰত নীট পৰীক্ষাৰ প্ৰস্তুতি কৰি থকা এজন ছাত্ৰই আত্মহত্যা কৰে। মৃত ছাত্ৰজন বিহাৰৰ ইকবাল বুলি চিনাক্ত কৰা হৈছে। ১৬ বছৰ বয়সীয়া ইকবাল ২০ দিন আগতে নীটৰ প্ৰস্তুতি কৰিবলৈ বিহাৰৰ পৰা কোটালৈ গৈছিল। বিহাৰৰ দাতিয়া জিলাৰ পৰা তেওঁ কোটালৈ গৈছিল। আত্মহত্যাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই।



# ২৯ মে'ত শুভাংশু শুক্লা যাব আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ

**নতুন দিল্লী, ২৯ এপ্ৰিল:** ভাৰতীয় বায়ু সেনাৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লা ২৯ মে' তাৰিখে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ উৰা মাৰিব। শুভাংশু শুক্লা ২০২৫ চনৰ এক্সিঅ'ম-৪ মিছনৰ নেভিগেটৰ হ'ব।এক্সিঅ'ম স্পেচ ইনে মঙলবাৰে এই তথ্য প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে ১৯৮৪ চনত উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাই ছোভিয়েট মিছনৰ অংশ হিচাপে মহাকাশ যাত্ৰা কৰিছিল। নাছা আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ দ্বাৰা একেলগে চলোৱা এই মিছন ফ্ল'ৰিদাৰ কেনেডী স্পেচ চেণ্টাৰৰ পৰাই আৰম্ভ কৰা হ'ব। গ্ৰুপ কেপ্টেইন শুক্লাই মহাকাশ যাত্ৰী আৰু মিছন পাইলট হিচাপে কাম কৰিব। শুভাংশু শুক্লা ইছৰ'এ দ্বাৰা বাছনি কৰা আটাইতকৈ কম বয়সৰ মহাকাশ যাত্ৰী। তেওঁৰ বয়স ৪০ বছৰ।

# মাচুল ইচ্ছা মতে ল'ব নোৱাৰিব দিল্লীৰ বিদ্যালয়সমূহে

**নতুন দিল্লী, ২৯ এপ্ৰিল:** এতিয়াৰেপৰা যিমান ইচ্ছা সিমান পৰিমাণৰ মাচুল ছাত্ৰ-ছাত্ৰীৰপৰা আদায় কৰিব নোৱাৰিব দিল্লীৰ বিদ্যালয়সমূহে। দিল্লী চৰকাৰে এখন নতুন খচৰা বিধেয়ক - দিল্লী স্কুল এডুকেশ্বন ট্ৰেন্সপাৰেন্সি ইন ফিজ এণ্ড ৰেগুলেশ্যন অফ ফিজ, ২০২৫ ত অনুমোদন জনাই ব্যক্তিগত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহত বিদ্যালয়ৰ মাচুল নিয়ন্ত্ৰণ কৰাৰ দিশত এক ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিছে। চহৰখনৰ ১,৬৭৭ খন ব্যক্তিগত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ বাবে প্ৰযোজ্য হ'বলগীয়া এই বিধেয়কখনৰ উদ্দেশ্য হৈছে বিদ্যালয়সমূহে কেনেদৰে তেওঁলোকৰ মাচুল বৃদ্ধি কৰে সেই বিষয়ত অধিক স্পষ্টতা আৰু নিৰপেক্ষতা অনা। মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই এখন সংবাদমেলত কয় যে বিদ্যালয়সমূহত দুৰ্ব্যৱহাৰ আৰু যথেচ্ছ মাচুল বৃদ্ধিৰ বিৰুদ্ধে চৰকাৰে অভিভাৱকৰ পৰা কেইবাটাও অভিযোগ পাইছিল।

# এনচিইআৰটিৰ পাঠ্যক্ৰমত দুশিঙীয়া হ'ল অসমৰ গঁড়

**নতুন দিল্লী, ২৯ এপ্ৰিল:** এনচিইআৰটিৰ পাঠ্যক্ৰমত অসম সম্পৰ্কীয় ভুল দৃষ্টিগোচৰ হৈছে। চতুৰ্থ শ্ৰেণীৰ গণিতৰ এটা পাঠত প্ৰাসংগিক ছবি হিচাপে অসমৰ গঁড়ৰ নাম দি উপস্থাপন কৰা হৈছে আফ্ৰিকাৰ গঁড়। পাঠ্যপুথিখনত ব্যৱহাৰ কৰা ফটোখন অসমৰ এশিঙীয়া গঁড়ৰ বুলি ব্যাখ্যা কৰা হৈছে যদিও ফটোত দেখুওৱা হৈছে আফ্ৰিকাত পোৱা



এটা দুশিঙীয়া গঁড়ৰ ছবি। এনেধৰণৰ কাণ্ডজ্ঞানহীনতাৰ বাবে স্বাভাৱিকতে সমালোচনাৰ পাত্ৰ হৈ পৰিছে এনচিইআৰটি। ভাৰতীয় গঁড় বৰ্তমান বিপদজনকভাৱে বিলুপ্তিৰ পথত যদিও চোৰাং চিকাৰৰ বিৰুদ্ধে অভিযানৰ পাছত গঁড়ৰ সংখ্যা কিছু বাঢ়িছে। ভাৰতীয় গঁড়ৰ সাধাৰণতে এটা শিং থাকে আৰু কাজিৰঙাত পোৱা যায়।

# কলগাছিয়াৰ খালবাল্লীত গৰাখহনীয়াত জাহ গ'ল কেইবাটাও পৰিয়াল



**ই-সংবাদ, কলগাছিয়া, ২৯ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত খাৰবাল্লী গাঁৱত বিগত তিনি মাহ ধৰি বেঁকী নদীৰ গৰাখহনীয়াই তাণ্ডৱ চলোৱাত প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। ফলত মানচিত্ৰৰ পৰা নিঃশ্চিহ্ন হোৱাৰ দিশত গতি কৰিছে খাৰবাল্লী গাঁওখন। উল্লেখ্য যে, বিগত তিনি মাহৰ ভিতৰত গাঁওখনৰ ফুলবাৰ আলী, ফজল হক, হাবেল উদ্দিন, ওমৰ আলী, বক্কাৰ আলী, ছায়েদ আলী, লোকমান আলী, আবু ছামা, নিশান আলী, জবেদ আলী, শহিদ আলী, আশ্ৰফ আলী, ছায়েদ আলী, মহৰ আলী, হামেদ আলী, আলিমুদ্দিন আদি কৰি প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। সেইদৰে ২০২৩-২৪ বৰ্ষতো ফজল হক, মোন্নাফ আলী, জছিম উদ্দিন, সাজু আলী, আব্দুল বাতেন, জায়েদ আলী, গিয়াচ উদ্দিন, গফুৰ মোল্লাকে আদি কৰি গাঁওখনৰ প্ৰায় ত্ৰিশটা পৰিয়ালৰ ভেটি-মাটি নৈৰ খহনীয়ায় নিঃশ্চিহ্ন হৈছে। খৰালিৰ সময়তো বেঁকী নদীৰ গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰি শ শ বিঘা খেতি মাটি, ফচলৰ খেতি যেনে মাকৈ, জলকীয়া, বেঙেনা, ইৰি ধানৰ খেতি, ঘাঁহ খেতি আদি নৈৰ খহনীয়াত জাহ গৈছে। স্মৰ্তব্য যে, বহু প্ৰত্যাশাৰে ৰাইজৰ কাম কৰিব বুলি লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইনক একাংশ লোকে ভোট দিছিল যদিও জিকাৰ পিছৰে পৰাই ৰাইজলৈ পিঠি দিয়াৰ অভিযোগ উত্থাপিত হৈছে সাংসদগৰাকীৰ বিৰুদ্ধে। ইয়াৰ বিপৰীতে জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে অলপতে খাৰবাল্লী গাঁৱৰ উক্ত খহনীয়াপীড়িত অঞ্চল পৰিদৰ্শন কৰি ভুক্তভোগীৰ খবৰ লোৱাৰ লগতে খহনীয়া প্ৰতিৰোধৰ বাবে উক্ত স্থানত চৰকাৰে আঁচনি ধাৰ্য কৰা বুলি কয় যদিও খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাত শীঘ্ৰে বাঁহৰ পাৰ্কুপাইনেৰে অস্থায়ীভাৱে হ'লেও কাম আৰম্ভ কৰিবলৈ ৰাইজে দাবী জনায়। উল্লেখ্য যে, দক্ষিণে আমগুৰি আৰু উত্তৰ ফালে বলাইপাথাৰ-কাউৰজাহী অঞ্চলত চৰকাৰে বিশ্ব বেংকৰ আঁচনিৰে জিঅ' বেগেৰে গৰাখহনীয়া প্ৰতিৰোধৰ কাম কৰি আছে যদিও মাজতে মাত্ৰ ১০০০ মিটাৰ ঠাই সেই আঁচনিখনৰ পৰা বাদ পৰি আছে। ফলত খাৰবাল্লীৰ এই মাজৰ অংশত বেঁকী নদীৰ গৰাখহনীয়াই ৰুদ্ৰমূৰ্তি ধাৰণ কৰাত গাঁওখনৰ উপৰি কলগাছিয়ালৈও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। শীঘ্ৰে বিজ্ঞানসন্মতভাৱে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে কলগাছিয়া ৰাজহ চক্ৰ, বৰপেটা অসামৰিক চিকিৎসালয়, কলগাছিয়া আৰক্ষী থানা আদি চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহো খহনীয়াৰ কবলত পৰিব বুলি আশংকা কৰিছে ৰাইজে।

## ত্ৰিকোণীয়া যুঁজে লাভান্বিত কৰিব ৰাইজৰ দলক

# মৈৰাবাৰীত চুকে কোণে ৰাইজৰ দলৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, মৈৰাবাৰী, ২৯ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ ৫৩ নং লাহৰীঘাট সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা মৈৰাবাৰী জিলা পৰিষদ সমষ্টিত ৰাইজৰ দলে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। মৈৰাবাৰী জিলা পৰিষদ সমষ্টিত ভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থিত্ব প্ৰাদান কৰিছে যদিও প্ৰাচাৰ কাৰ্যত মৈৰাবাৰী জিলা পৰিষদৰ অন্তৰ্গত সাতখন গাঁও পঞ্চায়তৰ ৱাৰ্ডৰ চুকে কোণে নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজৰ দলৰ মনোনীত প্ৰাৰ্থী মাছুকা আহমেদে ভোটাৰ ৰাইজৰ মন মন জয় কৰিবলৈ সক্ষম হৈছে। লগতে মৈৰাবাৰী জিলা পৰিষদ সমষ্টিত ৰাইজৰ দলৰ মনোনীত প্ৰাৰ্থী মাছুকা আহমেদৰ হৈ ধিং সমষ্টিৰ যুৱ নেতা তথা ৰাইজৰ দলৰ মুখপত্ৰ মেহেবুৱ মুক্তাৰ, ৰাইজৰ দলৰ সংখ্যালঘু কোষৰ ৰাজ্যিক সভাপতি জিয়াবুৰ ৰহমান খান, ৰাইজৰ দলৰ জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মাইন উদ্দিন আহমেদ, মৰিগাঁও জিলাৰ ৰাইজৰ দলৰ সম্পাদক ৰাতুল হকৰ লগতে দলৰ বিষয়ববীয়া এডভোকেট খাইৰুল ইছলাম আৰু আশ্বাদুল ইছলামেও সমান্তৰালকৈ চলাই গৈছে নিৰ্বাচনী প্ৰচাৰ। কংগ্ৰেছৰ টিকটকেন্দ্ৰিক সংঘাতৰ বিসম্বাদে মৈৰাবাৰী জিলা পৰিষদ এলেকাধীন মৈৰাবাৰী পঞ্চায়ত, দলৈগাঁও পঞ্চায়ত, বৰচাপৰি, দাতিয়ালবৰি, গৰিয়াবৰী, লোচনাবৰী আৰু লেংৰীবৰী গাঁও পঞ্চায়তত ভোটাৰ ৰাইজে ভোটদানৰ উপায় বিচাৰি নিকা ভাবমূৰ্তি প্ৰাৰ্থীৰ সন্ধানত ৰাইজৰ দলৰ মনোনীত প্ৰাৰ্থী মাছুকা আহমেদৰ সমৰ্থনত থিয় হোৱা পৰিলক্ষিত হৈছে। কংগ্ৰেছৰ টিকটকেন্দ্ৰিক সংঘাতৰ বিসম্বাদ, আনহাতে দল বগৰা নেতাৰ পৰিয়ালৰ এজন অসামাজিক কাৰ্য-কলাপত জড়িত ব্যক্তিৰ ঘৈণীয়েকৰ নামত কংগ্ৰেছৰ জিলা পৰিষদৰ টিকট প্ৰদানে ৰাইজৰ দলৰ প্ৰাৰ্থীৰ বিজয়ৰ বাট মুকলি কৰিছে বুলি ভোটাৰৰ মাজত চৰ্চা চলিছে। মৈৰাবাৰী জিলা পৰিষদৰ অন্তৰ্গত পঞ্চায়তসমূহৰ ঘৰে ঘৰে তথা বিভিন্ন সভা-সমিতি অনুষ্ঠিত কৰি ৰাইজৰ দলৰ প্ৰাৰ্থী মাছুকা আহমেদে প্ৰচাৰ চলাই ভোটৰ ৰাইজৰ মন গলাবলৈ চেষ্টা অব্যাহত ৰাখিছে। মৈৰাবাৰী জিলা পৰিষদ সমষ্টি দখলৰ বাবে শাসক-বিৰোধী সকলোৱে প্ৰাৰ্থিত্ব প্ৰাদান কৰিছে যদিও কংগ্ৰেছ, এআইইউডিএফ আৰু ৰাইজৰ দলৰ ত্ৰিকোণীয়া যুঁজে ৰাইজৰ দলৰ প্ৰাৰ্থী মাছুকা আহমেদ বিজয়ী হৈ ওলাই যোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। প্ৰায় এশ শতাংশ সংখ্যালঘু অধ্যুষিত মৈৰাবাৰী জিলা পৰিষদ সমষ্টিত এইবাৰ ৰাইজৰ দলৰ উত্থানে নিৰ্বাচনী বতাহ গৰম কৰি তুলিছে। ৰাইজৰ দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত সংখ্যালঘু ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে।

# চতিয়া কেন্দ্ৰীয় বিহুমেলাত শ্ৰেষ্ঠ ৰূপজ্যোতি আঞ্চলিক বিহু দল

**ই-সংবাদ, চতিয়া, ২৯ এপ্ৰিলঃ** ৯২ সংখ্যক চতিয়া কেন্দ্ৰীয় বিহুমেলাৰ অতি আকৰ্ষণীয় মঞ্চবিহু প্ৰতিযোগিতা কালি সম্পন্ন হৈ যায়। প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকাই বন্তি প্ৰজ্বলন কৰে। মঞ্চবিহু প্ৰতিযোগিতা উদ্বোধন কৰি বিশিষ্ট সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই কয় যে বিহুৰ বৰ্ণাঢ্য ঐতিহ্য বৰ্তাই ৰখাত চতিয়াৰ এক বিশেষ ভূমিকা আছে। অসমৰ প্ৰথমখন মুকলি বিহু হিচাপে পৰিগণিত মাধুৰী আঁহতৰ তলৰ বিহু অনুষ্ঠিত কৰাৰ গৌৰৱ চতিয়াৰেই আছে। জয়ন্ত সোণোৱাল, মুন ডেকা আৰু টুনটুন বৰাই বিচাৰ কৰা মঞ্চবিহু প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰঃ শ্ৰেষ্ঠ দলঃ ৰূপজ্যোতি আঞ্চলিক বিহু দল, ঢেকীয়াজুলি; দ্বিতীয় শ্ৰেষ্ঠ দলঃ বিশ্বনাথ আঞ্চলিক বিহু দল, বিশ্বনাথ চাৰিআলি; তৃতীয় শ্ৰেষ্ঠ দলঃ ব্ৰহ্মপুত্ৰ বিহু দল, জখলাবন্ধা; শৃংখলাবদ্ধ দলঃ ফ্ৰেইগুশ্বিপ বিহু দল, কলিয়াবৰ; বিচাৰকৰ বিশেষ বঁটাঃ প্ৰাগজ্যোতিষ বিহু দল, কলাবাৰী; বিহুকুঁৱৰীঃ চয়নিকা বৰা, ৰূপজ্যোতি আঞ্চলিক বিহু দল, ঢেকীয়াজুলি; বিহুকোঁৱৰঃ বিতু বৰুৱা, প্ৰাগজ্যোতিষ বিহু দল, কলাবাৰী; শ্ৰেষ্ঠ ঢুলীয়াঃ বিপ্লৱ গগৈ, ভৰলীপৰীয়া বিহু দল, জামুগুৰিহাট; শ্ৰেষ্ঠ পেঁপাবাদকঃ দেৱশীষ শইকীয়া, সাঁচিপাত বিহু দল, ছিপাঝাৰ; শ্ৰেষ্ঠ নাচনীঃ ভাগ্যশ্ৰী পৰাশৰ, বিশ্বনাথ আঞ্চলিক বিহু দল, বিশ্বনাথ চাৰিআলি; দ্বিতীয় শ্ৰেষ্ঠ নাচনীঃ মৰমী চুতীয়া, ভৰলীপৰীয়া বিহু দল, জামুগুৰিহাট। আজি অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। আজিৰ অনুষ্ঠানৰ মুখ্য আকৰ্ষণ জুবলী বৰুৱাৰ গীতৰ শৰাই।

# গেলেকীত গৌৰৱ গগৈৰ প্ৰচাৰ

**ই-সংবাদ, গেলেকী, ২৯ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ব্যাপক নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে শাসক-বিৰোধীৰ নেতা-কৰ্মী। এইবাৰ গেলেকীত নিৰ্বাচনী প্ৰচাৰৰ বাবে উপস্থিত হয় যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক বিকাশ উপাধ্যায় আৰু বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া। নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে সাংসদ গৌৰৱ গগৈয়ে। সংবাদ মাধ্যমৰ আগত গৌৰৱ গগৈয়ে কয় যে এইখন চৰকাৰৰ দিনতেই গাঁৱৰ ভিতৰত আটাইতকৈ বেছি মদৰ দোকান খোলা হৈছে আৰু আটাইতকৈ বেছি ছিণ্ডিকেট হৈছে।

# গেলেকীত কৃতী ছাত্ৰ ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ২৯ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ শিৱসাগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী ক্ৰমে স্নেহা কোঁৱৰ আৰু বিষ্ণু শৰ্মাক সম্বৰ্ধনা জনায়। গেলেকী শিঙিবিল গাঁও নিৱাসী তথা অমৃত কোঁৱৰৰ কন্যা স্নেহা কোঁৱৰে গেলেকী আদৰ্শ বিদ্যাপীঠৰ পৰা ২০২৫ বৰ্ষৰ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত ৮৬,৭০% নম্বৰসহ ডিষ্টিংচন লাভ কৰি গেলেকী পৰীক্ষা কেন্দ্ৰটোৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ সুনাম অৰ্জন কৰে। আনহাতে, গেলেকী সোণাপুৰৰ বৰহোলা নিবাসী পিতৃ ৰাম প্ৰসাদ শৰ্মা আৰু মাতৃ ৰত্না শৰ্মাৰ সু-সন্তান বিষ্ণু শৰ্মাই গুৰুকুল স্কুলৰ পৰা ৮৪ % নম্বৰসহ উত্তীৰ্ণ হয়। দুয়োগৰাকী শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক দিপালী ৰাধিকা দুৱৰাই আঁত ধৰা অনুষ্ঠানতে সভাপতি দিলীপ মহন্তই উৎসাহমূলক বক্তব্যৰে উষ্ম অভিনন্দন জনায়। অনুষ্ঠানত বিশিষ্ট কবি গুণ মৰাণ, শাখা সাহিত্য সভাৰ উপদেষ্টা অমৰ শৰ্মা, উমা শৰ্মা আদিয়ে আগন্তুক দিনবোৰত শৈক্ষিক দিশত কেনেদৰে আগবাঢ়ি যাব লাগিব সেই বিষয়ে দিহা-পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰি আজি অনুষ্ঠানটিত ন-পুখুৰী শাখা সাহিত্য সভাৰ যুৱ সদস্য কপিল গগৈ আৰু ৰিমঝিম গগৈয়ে শুভেচ্ছামূলক বক্তব্য দাঙি ধৰাৰ লগতে কবি গুণ মৰাণে কবিতা পাঠেৰে অনুষ্ঠানটি ৰসাল কৰি তোলে। সম্বৰ্ধনা প্ৰাপক দুয়োগৰাকী শিক্ষাৰ্থীক ন-পুখুৰী শাখা সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, চেলেং, অসমীয়া স্বাভিমান বিহুৱান, কলম, কিতাপৰ টোপোলা আৰু নগদ ধনেৰে সম্বৰ্ধনা জনোৱা হয়।

# ধৰিত্ৰী খাৰঘৰীয়াৰ স্মৃতিচাৰণ সভা সম্পন্ন

ই-সংবাদ, পশ্চিম যোৰহাট, ২৯ এপ্ৰিলঃ লখিমী নগৰ ২ নং পথৰ নিবাসী তথা দেৰগাঁও শিক্ষন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰবক্তা সদ্য প্ৰয়াত ধৰিত্ৰী খাৰঘৰীয়াৰ ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আজি বাসগৃহত অনুষ্ঠিত হয়। লখিমী নগৰ উন্নয়ন সমিতি, নামঘৰ পৰিচালনা সমিতিয়ে আদ্যশ্ৰাদ্ধৰ উদ্দেশ্যে অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে তেখেতৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি, ধূপ, চাকি প্ৰজ্বলন কৰা হয়। অসীম কুমাৰ বৰা, জীৱ কান্ত বৰাই আঁত ধৰা সভাত ডক্টৰ সত্যেন্দ্ৰ কুমাৰ দত্ত, ড০ অমূল্য ডেকা, বিজিত কুমাৰ ভাগৱতী, ডক্টৰ স্মৃতিৰেখা বৰুৱা, দিলীপ শইকীয়াই ধৰিত্ৰী খাৰঘৰীয়াৰ ব্যক্তিত্ব আৰু জীৱনশৈলী সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

# বহাগত বিহুৰ মঞ্চত পৰিবহণ বিভাগৰ পথ-সুৰক্ষা সজাগতা অব্যাহত

**ই-সংবাদ, গুৱাহাটী, ২৯ এপ্ৰিলঃ** অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ আহ্বানেৰে সমাজৰ সৰ্বস্তৰতে ব্যাপক পথ-সুৰক্ষা জনসচেতনতা সৃষ্টিত উঠি পৰি লাগিছে কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগ। পৰিবহণৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসৰ তত্বাৱধানত মহানগৰ জিলাখনৰ লগতে ইয়াৰ সমীপৰ বিভিন্ন ৰঙালী বিহু সম্মিলনীত সমবেত ব্যাপকসংখ্যক লোকৰ সন্মুখত ব্যতিক্ৰমী অনুষ্ঠান পৰিৱেশন কৰি সুৰক্ষিত যাতায়াতৰ প্ৰতি সকলোকে দায়বদ্ধ কৰিব পৰাকৈ বিভাগটোৱে পাৰ্যমানে প্ৰচেষ্টা চলাইছে। দেওবাৰে চিৰিয়াখানা আঞ্চলিক ৰঙালী বিহু সম্মিলনী, শনিবাৰে চন্দ্ৰপুৰৰ ঠাকুৰকুছি ব'হাগী উৎসৱ আৰু ইয়াৰ আগেয়ে ক্ষেত্ৰী, তেতেলীয়া গান্ধীনগৰ ৰঙালী বিহু সম্মিলনত পথ-সুৰক্ষা সজাগতাৰ বাণী সম্বলিত বিহুগীত, বিহুছবি, সজাগতামূলক নাটক আদিৰে যুৱপ্ৰজন্মকে ধৰি সকলো শ্ৰেণীৰ ৰাইজৰ মাজত বাহন চালনাৰ নীতি নিৰ্দেশনা সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হয়। গুৰুত্বপূৰ্ণ অনুষ্ঠানসমূহৰ নেতৃত্ব বহন কৰি পৰিবহণৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে বিহুৰ অনুষ্ঠানসমূহত সমবেত আই-মাতৃসকলক নিজৰ সন্তান, নাতি-পুতিৰ হাতত হেলমেট-ছীটবেল্ট তুলি দি তীব্ৰবেগ পৰিহাৰ কৰি সুৰক্ষিত যাতায়াতৰ প্ৰতি দায়বদ্ধ কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ সবিনয়ে আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ যান-বাহন ব্যৱহাৰকাৰীক কেৱল নিয়মৰ খাতিৰত নহয় সুৰক্ষিত যাতায়াতৰ স্বাৰ্থত যানবাহন চালনাৰ নীতি-নিয়মসমূহ মানি চলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্ঘটনামুক্ত অসমৰ সপোন বাস্তৱায়িত কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ব্যতিক্ৰমী অনুষ্ঠানসমূহত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ কেইবাটাও কালজয়ী গীতকে ধৰি পথ-সুৰক্ষাৰ নীতি-নিয়মৰ আধাৰত বিশেষভাৱে প্ৰস্তুত কৰা গীত, নাটক আৰু বিহু হুঁচৰিয়ে শ্ৰোতা দৰ্শকৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰে।

# ডিব্ৰুগড়ত আগন্তুক পঞ্চায়ত নিৰ্বাচনক লৈ প্ৰশাসনৰ প্ৰস্তুতি সভা

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন ২০২৫ ৰ ২ মে'ত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সুচাৰুৰূপে সম্পাদন কৰিবলৈ ডিব্ৰুগড় জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। আজি জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন কামকাজ শৃংখলাবদ্ধভাৱে সম্পাদন কৰিবলৈ গঠন কৰা বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতে এখনি গুৰুত্বপূৰ্ণ সভা জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ পৰা নিৰ্বাচনী কামকাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰৰ যাৱতীয় সা-সুবিধা যেনে খোৱা পানীৰ ব্যৱস্থা, বিদ্যুতৰ সংযোগ তথা অনাময় ব্যৱস্থা আদি সন্দৰ্ভত বিস্তৃতভাৱে বুজ লোৱাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰলৈ যাতায়াতৰ পৰিকল্পনাৰ ওপৰতো আলোচনা কৰে। তেওঁ ভোটগ্ৰহণৰ কামত নিয়োজিত বিষয়া কৰ্মচাৰীসকলে যাতে ভোটগ্ৰহণৰ সময়ত কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। পঞ্চায়ত নিৰ্বাচনৰ সমগ্ৰ প্ৰক্ৰিয়া যাতে সুচাৰুৰূপে সম্পন্ন হয় তাৰ বাবে দায়িত্ববাহী প্ৰতিগৰাকী বিষয়াক নিৰ্বাচন সংক্ৰান্তীয় প্ৰতিটো দিশ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ডিব্ৰুগড় জিলাত জিলা পৰিষদ সদস্য পদৰ বাবে মুঠ ৫০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হোৱাৰ লগতে ৩ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। একেদৰে আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে মুঠ ২০৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হোৱাৰ লগতে ১০ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, গাঁও পঞ্চায়তৰ অন্তৰ্গত ৱাৰ্ডৰ সদস্য পদৰ বাবে ২,১৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হোৱাৰ লগতে ১০৩ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যিক নিৰ্বাচনী আয়োগৰ https://emmssec.assam.gov.in ৱেবছাইটত ৰাইজে পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ বিষয়ে সবিশেষ তথ্য লাভ কৰিব। ডিব্ৰুগড় জিলাত ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ১১৬৫ টা ভোটগ্ৰহণ কেন্দ্ৰত ২ মে'ত পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈকে প্ৰথম পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১১৬৫ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৬২ টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। পঞ্চায়ত নিৰ্বাচনত ডিব্ৰুগড় জিলাৰ ৭ খন আঞ্চলিক পঞ্চায়তত ৫২ গৰাকী চেক্টৰ বিষয়া, ২২ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ১১৬৫ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৪৬৬০ গৰাকী পুলিং বিষয়া নিয়োগ কৰা হৈছে। পঞ্চায়ত নিৰ্বাচন-২০২৫ ৰ ডিব্ৰুগড় জিলাৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৮৭১৯৭৫ গৰাকী (Portal generated Report অনুসৰি)। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৪২৫৭৫৬, মহিলা ভোটাৰৰ সংখ্যা হৈছে ৪৪৬২০৭ আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা হৈছে ১২ গৰাকী। উক্ত ভোটাৰ তালিকা https://ermssec.assam.gov.in/download-pdf-electoral-roll ত ৰাইজৰ বাবে উপলব্ধ হ'ব।

# পলাশবাৰী সমষ্টিৰ ৰামপুৰ জিলা পৰিষদৰ পদত শাসক-বিৰোধীৰ প্ৰচাৰ

**ই-সংবাদ, মিৰ্জা, ২৯ এপ্ৰিলঃ** ৰাজ্যজুৰি বলিছে নিৰ্বাচনৰ ধুমুহা। জিলা পৰিষদ আৰু পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থিত্ব পোৱা প্ৰাৰ্থীসকলে উঠি পৰি লাগিছে নিৰ্বাচনী প্ৰচাৰত। কি শাসক, কি বিৰোধী সকলো ব্যস্ত নিৰ্বাচনী প্ৰচাৰত। সমান্তৰালভাৱে পলাশবাৰী সমষ্টিৰ ১১ ৰামপুৰ জিলা পৰিষদৰ নিৰ্বাচনত দেখিবলৈ পোৱা গৈছে শাসক-বিৰোধীৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ। ভাৰতীয় জাতীয় কংগ্ৰেছ দল আৰু বিৰোধী ঐক্যৰ সমৰ্থিত প্ৰাৰ্থী বিপ্লৱ তালুকদাৰ আৰু এন ডি এ আৰু ভাৰতীয় জনতা পাৰ্টিৰ প্ৰক্ষেপিত প্ৰাৰ্থী জিতুমণি নাথৰ মাজত চলিছে নিৰ্বাচনী প্ৰচাৰৰ তুমুল যুদ্ধ। ১১ নং ৰামপুৰ জিলা পৰিষদৰ অন্তৰ্গত বিভিন্ন ঠাইত ইতিমধ্যে বিপ্লৱ তালুকদাৰ আৰু জিতুমণি নাথে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। বিভিন্ন সময়ত দুৰ্নীতি, কেলেংকাৰী, কয়লা ছিণ্ডিকেট, গৰু ছিণ্ডিকেটৰ লগত নাম সাঙোৰ খোৱা শাসকীয় দলৰ মনোনীত প্ৰাৰ্থী জিতুমণি নাথ ৰাইজৰ কল্যাণ কৰাৰ পৰিৱৰ্তে ব্যক্তিগত কল্যাণৰহে পৰিপন্থী বুলি অভিহিত কৰিছে ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু বিৰোধী ঐক্য মঞ্চৰ মনোনীত প্ৰাৰ্থী বিপ্লৱ তালুকদাৰে। ৰাইজে এইবাৰ দল চাই নহয়, প্ৰাৰ্থী চাইহে নিৰ্বাচিত কৰিব, নোটৰ পৰিৱৰ্তে ভোটৰ ৰাজনীতি, ভয়- ভাবুকি দি আঁচনি বন্ধ কৰি দিয়াৰ ৰাজনীতি এইবাৰ নচলিব আদি মন্তব্যৰে বিভিন্ন নিৰ্বাচনী প্ৰচাৰ সভাত উভতি ধৰা দেখিবলৈ পোৱা গৈছে যুৱনেতা বিপ্লৱ তালুকদাৰক। আনহাতে, এই নিৰ্বাচনী কেন্দ্ৰিক ধামধুমীয়াৰ মাজতে দক্ষিণ কামৰূপৰ সম্পদ তথা হৃদপিণ্ড স্বৰূপ ৰামপুৰৰ গো-চৰণীয়া পথাৰ দৰাবিল চৰকাৰে বহিৰাগত বণিকগোষ্ঠীক গতাই দিয়াক লৈ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। দৰাবিল ৰক্ষা কৰাৰ স্বাৰ্থত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি বিধায়ক হেমাংগ ঠাকুৰীয়াক মিছলীয়া আখ্যা দিছে। ৰাইজৰ অভাৱ-অভিযোগ পূৰণ কৰাৰ ক্ষেত্ৰত হেমাংগ ঠাকুৰীয়া এজন সম্পূৰ্ণ অসফল বিধায়ক বুলি অভিযোগ উত্থাপন কৰে পলাশবাৰী সমষ্টিৰ চিমিনা গাঁওবাসীয়ে। কাৰণ ব্ৰহ্মপুত্ৰ নদীৰ ভয়ংকৰ গৰাখহনীয়াৰ কবলত পৰি ককবকাই থকা চিমিনাবাসী ৰাইজে আজিলৈকে ভূমিহীন হৈ আছে। চিমিনা উন্নয়নৰ জয়ঢোল বজোৱা বিজেপি চৰকাৰৰ পোহৰৰ চাকিয়ে ঢুকি নপোৱা এই গাঁওখনৰ বাসিন্দাসকলে ভূমিপাট্টা পোৱাৰ পৰা বঞ্চিত হৈ আছে। বহু গৃহহীন মানুহে এতিয়া পথৰ দাঁতিতে জীৱনযাপন কৰিবলৈ বাধ্য হৈছে। যাৰ ফলত এতিয়া চিমিনাবাসী ৰাইজ চৰকাৰ তথা বিধায়কৰ ওপৰত ক্ষুণ্ণ হোৱা পৰিলক্ষিত হৈছে। নিৰ্বাচন আহিলে সংখ্যালঘু ভোটাৰসকলক লৈ বহুক্ষেত্ৰত বিভিন্ন ধৰণৰে ৰাজনীতি কৰা দেখা যায়, কিন্তু নিৰ্বাচন শেষ হ'লেই সংখ্যালঘুসকলৰ অভাৱ-অভিযোগবোৰ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসনে পিঠি দিয়া পৰিলক্ষিত হয়। যাৰ উদাহৰণ ৰামপুৰৰ দৰাবিলৰ মাছমৰীয়া ৰাইজ আৰু পলাশবাৰী সমষ্টিৰ মুছলমান সংখ্যালঘু চিমিনাবাসী ৰাইজ বুলি সচেতন মহলে মন্তব্য কৰিছে।

# তামাৰহাটৰ কাচখানাত কংগ্ৰেছৰ বিশাল নিৰ্বাচনী জনসভা

**ই-সংবাদ, তামাৰহাট, ২৯ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। তামাৰহাটৰ কাচখানাত অনুষ্ঠিত কংগ্ৰেছৰ পঞ্চায়ত নিৰ্বাচনী সভাত নেৰা নেপেৰা বৰষুণক নেওচি হেজাৰ হেজাৰ জনতা উপস্থিত হয়। ছাতি লৈ নিৰ্বাচনী সভাত উপস্থিত হয় ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। আগন্তুক পঞ্চায়ত নিৰ্বাচনত ধুবুৰীত মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ নচলাও বুলি কৈ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ শেষত ধুবুৰীৰ ৰাইজৰ ভোট বিচাৰি আহিব বুলি কটাক্ষ কৰে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। সংখ্যালঘুৰ ভোট বিজেপিক নালাগে কোৱাৰ পিছতো কিয় সংখ্যালঘু ৰাইজৰ ওচৰলৈ ভোট বিচাৰি আহে অসমৰ মুখ্যমন্ত্ৰী বুলি তেওঁ প্ৰশ্ন কৰে। এইবাৰ পঞ্চায়ত নিৰ্বাচনৰ ফাইনেল মেচখনত কংগ্ৰেছক জিকাই দিয়ক। অহা ২৬ ৰ বিধানসভাৰ নিৰ্বাচনত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কেনেকৈ আঁতৰাব লাগে সেই ব্যৱস্থা আমি কৰিম। গোলকগঞ্জ বিধানসভা সমষ্টিৰ গংগাধৰ জিলা পৰিষদৰ কাচখানাত অনুষ্ঠিত কংগ্ৰেছৰ নিৰ্বাচনী সভাত উপস্থিত হৈ ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন এনেদৰে বিজেপিক তীব্ৰ ভাষাৰে সমালোচনা কৰে। বিগত চাৰি মাহত অসমত ইজনৰ পিছত সিজনকৈ সাংসদক আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত গোলকগঞ্জৰ বিধায়ক আব্দুছ ছোবাহান আলী সৰকাৰে কয় যে, মুখ্যমন্ত্ৰীৰ উন্নয়নৰ কাম চাওক বিজেপিয়ে উন্নয়নৰ বিপৰীতে এক লক্ষ বাষষ্ঠি হাজাৰ কোটি টকা ঋণৰ বোজাহে ৰাইজৰ ওপৰত জাপি দিছে। বিজেপিয়ে ক্ষমতাৰ যি অপব্যৱহাৰ কৰিছে এইবেলি পঞ্চায়ত নিৰ্বাচন আৰু অহা ২৬ ৰ বিধানসভা নিৰ্বাচনত ইয়াৰ উত্তৰ ৰাইজে দিব। এজনৰ পিছত আনজন কংগ্ৰেছৰ সাংসদক আক্ৰমণ কৰা ঘটনাক নিন্দা জনাই গোলকগঞ্জৰ বিধায়ক ছোবাহান আলী সৰকাৰ কয় যে, মুখ্যমন্ত্ৰীয়ে গৃহ দপ্তৰ চম্ভালিব পৰা নাই, এজন যোগ্য মন্ত্ৰীৰ হাতত গৃহ দপ্তৰৰ দায়িত্ব দিয়ক। কংগ্ৰেছৰ আজিৰ নিৰ্বাচনী সভাখনত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ লগত গোলকগঞ্জৰ বিধায়ক ছোবাহান আলী সৰকাৰ, দক্ষিণ শালমাৰাৰ বিধায়ক ওৱাজেদ আলী চৌধুৰীকে ধৰি কংগ্ৰেছ দলৰ বহু নেতা উপস্থিত থাকে।

# পশ্চিম বেজভাগতী লখিমী জ্যোতি মিলন সংঘৰ উদ্যোগত ত্ৰয়োদশ বাৰ্ষিক ৰঙালী বিহুৰ আয়োজন

ই-সংবাদ, দুনী, ২৯ এপ্ৰিলঃ অসমীয়া হিয়া আমঠু বাপতিসাহোন ৰঙালী বিহু অইন বছৰৰ দৰে এইবেলিও ২৬ আৰু ২৮ ব'হাগ তথা ১০ আৰু ১২ মে'ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পশ্চিম বেজভাগতী লখিমী জ্যোতি মিলন সংঘৰ উদ্যোগত সংঘৰ বাকৰিত আয়োজন কৰা হৈছে। ২৬ ব'হাগ, ১০মে'ত অনুষ্ঠানৰ প্ৰথম দিনৰ পুৱা সামুহিক চাফাইৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। সামুহিক চাফাই পৰিচালনা কৰিব মুকুট কাকতি, মহেশ ডেকা, হিৰণ ডেকা, দধিৰাম চৌধুৰী, গজেন চৌধুৰী, ৰঘুনাথ চৌধুৰীয়ে। ইয়াৰ পাছত বন্তি প্ৰজলন কৰিব বেজভাগতী বিষ্ণু মন্দিৰৰ দেউৰী সত্য ডেকাই। সংঘৰ পতাকা উত্তোলন কৰিব পশ্চিম বেজভাগতী প্ৰথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পুষ্পৰাম বড়োই। সহযোগী কৰিব বিহু উদযাপন সমিতিৰ প্ৰাক্তন সম্পাদক নীলমণি ডেকাই। সমান্তৰালভাৱে শ্বহীদ তৰ্পণ কৰিব সংঘৰ উপদেষ্টা নন্দৰাম ডেকাই। তেওঁক সহযোগ কৰিব সংঘৰ সম্পাদক ৰঞ্জন ডেকাই। ইয়াৰ পাছত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব প্ৰদীপ ডেকা, বিনয় চৌধুৰী, চিলাৰায় মেধি, মৃদুল কাকতি, দীপক কাকতি, আৰু গিৰিন্দ কাকতিয়ে। উক্ত কাৰ্যসূচীসমূহৰ সমাপ্তিৰ পাছত আৰম্ভ হ'ব আকৰ্ষণীয় ভেশচন প্ৰতিযোগিতা। ভেশচন প্ৰতিযোগিতাত অধ্যক্ষতা কৰিব সৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিপিনচন্দ্ৰ বৰুৱাই। ইয়াৰ উপৰি সাহিত্য প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতাৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। বন্তি প্ৰজ্বলনেৰে ২৮ ব'হাগ, ১২ মে'ত দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। দ্বিতীয় দিনা বিশেষ বিহু নৃত্য আৰু আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অধ্যক্ষতা কৰিব বুঢ়ীনগৰ কনিষ্ঠ মহাবিদ্যালয় প্ৰবক্তা জিতেন হাজৰিকাই। বিশিষ্ট সমাজ সেৱক ঝাৰগাঁৱৰ বাবুল বড়োৰ পৰিচালনাত অনুষ্ঠিত হ'ব নৃত্য প্ৰতিযোগিতা। সন্ধিয়া সৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লংকেশ্বৰ হাজৰিকাই উদ্বোধন কৰিব সাংস্কৃতিক অনুষ্ঠান। আমন্ত্ৰিত শিল্পী কুমাৰ জিৎ, বেদশ্ৰী গোস্বামী আৰু সাগৰিকা নাথে গীত পৰিৱেশন কৰাৰ উপৰি মুকলি বিহু প্ৰদৰ্শনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। উক্ত দুয়ো দিনৰ কাৰ্যসূচীসমূহত ৰাইজৰ সহায়-সহযোগিতা, উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে লখিমী জ্যোতি মিলন সংঘৰ সভাপতি ধনমণি ডেকা, সম্পাদক ৰঞ্জন ডেকা, সহঃ সম্পাদক নিপু ডেকা আৰু বিহু উদযাপন সমিতিৰ সভাপতি গিৰীশ ডেকা, সম্পাদক নয়ন মণি ডেকা আৰু সহঃ সম্পাদক ভাস্কৰ শইকীয়াই।

# পঞ্চায়ত নিৰ্বাচন ডিব্ৰুগড় জিলাত ড্ৰাই ডে'

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় জিলাত ৩০ এপ্ৰিলৰ বিয়লি ৪.৩০ বজাৰ পৰা ২ মে'ৰ দিনা ভোটগ্ৰহণৰ অন্ত নপৰালৈকে আৰু লগতে ১১ মে' ভোট গণনাৰ দিনা ভোট গণনা প্ৰক্ৰিয়া শেষ নোহোৱালৈকে সুৰা নিষিদ্ধ দিন হিচাপে ঘোষণা কৰা হৈছে। জিলা দণ্ডাধীশে জাৰি কৰা এই সম্পৰ্কীয় নিৰ্দেশনাত কোৱা হৈছে যে উল্লিখিত দিনকেইটাত জিলাখনত সকলো সুৰাৰ বিপণী বন্ধ থকাৰ লগতে সুৰাৰ বিক্ৰী, মজুতকৰণ আৰু ক্ৰয় নিষিদ্ধ থাকিব। এই নিৰ্দেশ উলংঘা কৰিলে অসম আৱকাৰী আইন আৰু বিধিৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# দলগাঁও সমষ্টিৰ এটা ৱাৰ্ডত তিনি ভাতৃৰ নিৰ্বাচনী যুঁজ

**ই-সংবাদ, খাৰুপেটীয়া, ২৯ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দৰং জিলাত বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সমান্তৰালকৈ ভোটাৰসকলৰ মাজতো তৎপৰতা আৰু উৎসাহ বৃদ্ধি পাইছে যদিও জিলাখনৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত বিহুদিয়া গাঁও পঞ্চায়তৰ এটা ৱাৰ্ডত ভোটাৰ ৰাইজে কাক ভোট দিব তাকলৈ পৰিছে বিপাঙত। ৱাৰ্ডটোৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতাত নামিছে সাতগৰাকী প্ৰাৰ্থী। ইয়াৰে তিনিগৰাকী প্ৰাৰ্থী হ'ল সমন্ধত নিজ ভাই-ককাই। একেটা ৱাৰ্ডৰ এটা সদস্য পদৰ বাবে এই তিনি ভাতৃয়ে দলগাঁও সমষ্টিৰ ৫৫ নং বিহুদিয়া গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত অৱতীৰ্ণ হৈছে নিৰ্বাচনী যুঁজত। প্ৰাৰ্থী সাতগৰাকীৰ ভিতৰত মুস্তাক আহমেদ, ছালাউৰ ৰহমান আৰু শ্বেখ ছাদুল্লা আহমেদ হৈছে ভাই-ককাই। তিনিওজনে ঘৰে ঘৰে চলাইছে নিৰ্বাচনী প্ৰচাৰ। পিছ পৰি থকা নাই সম্পৰ্কীয় ভাতৃ মফিজুৰ ৰহমানো। মফিজুৰ ৰহমানেও চলাই গৈছে প্ৰচাৰ। ১০২৭ গৰাকী ভোটাৰ থকা ৱাৰ্ডটোত চাৰি ভাতৃৰ নিৰ্বাচনী যুঁজত নিজৰ নিজৰ বিজয় নিশ্চিত বুলি দাবী কৰিছে চাৰিওগৰাকী প্ৰাৰ্থীয়ে। ইয়াকে লৈ ৰাইজৰ মাজত চলিছে ব্যাপক চৰ্চা।



জাগীৰোডৰ নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰিকা

# তিনিচুকীয়া জিলাৰ ৰমেনজ্ কলেজত বক্তৃতানুষ্ঠান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৯ এপ্ৰিলঃ** আজি ৰমেনজ্ কলেজ, তিনিচুকীয়াৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত এটি বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। 'পৰ্যটনৰ ক্ষেত্ৰ হিচাপে তিনিচুকীয়া জিলাৰ সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বান'- শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বন্যপ্ৰাণী সংৰক্ষক আৰু পৰিৱেশবিদ জয়নাল আবেদিনে। ভাষণ প্ৰসংগত তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীয়ে বসবাস কৰা তিনিচুকীয়া জিলাত প্ৰচুৰ পৰ্যটনৰ সম্ভাৱনীয়তা থকাৰ কথা ব্যক্ত কৰি সকলোৰে সহযোগিতা কামনা কৰে। বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে ৰমেনজ্ কলেজ, তিনিচুকীয়াৰ অধ্যক্ষ ড০ মৃগাংক চৌধুৰীয়ে উপস্থিত সকলোলৈকে আদৰণি জনোৱাৰ লগতে সমল ব্যক্তি জয়নাল আবেদিনক ৰমেনজ কলেজ, তিনিচুকীয়াই 'Professor of Practice' সন্মানেৰে সন্মানিত কৰাৰ কথা ৰাজহুৱা কৰে। তেওঁক মহাবিদ্যালয়ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। শতাধিক ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটিৰ সামগ্ৰিকভাৱে আঁত ধৰে ড০ সুৰভী দত্তই। অনুষ্ঠানটিত ৰমেনজ কলেজ, তিনিচুকীয়াৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম দুৱৰা, ৰীমা আবেদিন আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।

# জিতেন্দ্ৰ নাথ শৰ্মাৰ ওপজা দিনত 'ল'ৰালিৰ সন্ধানত এদিন' শীৰ্ষক অনুষ্ঠান

**ই-সংবাদ, বাঁহজানী, ২৯ এপ্ৰিলঃ** বিংশ শতিকাৰ চল্লিশ দশকত জন্ম লাভ কৰা চাৰি বন্ধুৰ 'ল'ৰালি সন্ধানত এদিন' শীৰ্ষক অনুষ্ঠানে আজি শান্তিপুৰ, নলবাৰীত সাহিত্য-সাংস্কৃতিক পৰিসৰত এক আৱেগিক মুহূৰ্তৰ সৃষ্টি কৰে, যি স্মৃতি, অনুভৱ আৰু শিল্প-সৃষ্টিৰ মাজেৰে অনন্য দৃষ্টান্ত দাঙি ধৰে। অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা লখিমী সাহিত্য সভা আৰু অসম টাইমৰ যৌথ উদ্যোগত শান্তিপুৰ, নলবাৰীত অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ কেন্দ্ৰবিন্দুত আছিল নলবাৰী কলেজৰ প্ৰাক্তন আলোচনী সম্পাদক, প্ৰবীণ খেলুৱৈ, সমাজমুখী ব্যক্তিত্ব জিতেন্দ্ৰ নাথ শৰ্মা। আজি জিতেন্দ্ৰ নাথ শৰ্মাৰ ৮৮সংখ্যক ওপজা দিন। উক্ত বিশেষ দিনটোত চাৰি বন্ধুৱে সোঁৱৰণ কৰে বিংশ শতিকাৰ চল্লিশৰ দশকৰ কথা, ৫০ চনৰ বৰ ভুঁইকপৰ কথা ইত্যাদি। এই অনুষ্ঠানটো কেৱল এগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিক আদৰ জনোৱাৰ অনুষ্ঠানেই নাছিল, এটি যুগৰ কথা, এটি মনৰ কথা আৰু এটি বন্ধুত্বৰ কাহিনীৰ পুনৰ উদঘাটন আছিল। অনুষ্ঠানটোত চাৰি বন্ধু ক্ৰমে জিতেন্দ্ৰ নাথ ডেকা, জিতেন্দ্ৰ নাথ শৰ্মা, গোকুল চন্দ্ৰ ডেকা আৰু ভগৱান ডেকাৰ লগতে লখিমী শাখা সাহিত্য সভাৰ সম্পাদক শচীন শৰ্মা, জিতেন্দ্ৰ নাথ শৰ্মাৰ সুযোগ্য সন্তান নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা, অসম টাইমৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, বিশিষ্ট সাংবাদিক কমলেশ শৰ্মা, উদ্দিপ্ত কুমাৰকে ধৰি যথেষ্ট সংখ্যক শুভাকাংক্ষী উপস্থিত থাকে।

# মালেগড়ত পুনৰ আৰম্ভ ব্ৰহ্মপুত্ৰ, মানাহ, বেঁকী নৈৰ খহনীয়া

**ই-সংবাদ, অভয়াপুৰী, ২৯ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ নিকটৱৰ্তী মালেগড়ত পুনৰ আৰম্ভ হৈছে ব্ৰহ্মপুত্ৰ, মানাহ আৰু বেঁকী নৈৰ খহনীয়া। ফলত বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়া হৈছে নৈ-পৰীয়া ৰাইজ। জানিব পৰা মতে, মালেগড় পঞ্চায়তৰ পূব তিনিকোণীয়াত কেইদিনমানৰ পৰা পুনৰ নৈকেইখনে খহনীয়াৰ তাণ্ডৱ চলোৱাত নতুনকৈ বিস্তৰ কৃষিভূমি নৈত জাহ যোৱাৰ লগতে বহু পৰিয়াল গৃহহীন হোৱাৰ আশংকাই দেখা দিছে। বিগত কেইবছৰমান পূৰ্বে ইয়াৰে নিকটৱৰ্তী গোবিন্দপুৰত খহনীয়াই তাণ্ডৱ চলোৱাৰ পাছত পৰৱৰ্তী সময়ত পূব তিনিকোণীয়া আৰু পশ্চিম তিনিকোণীয়াত খহনীয়াৰ সৃষ্টি কৰি বহু পৰিয়ালৰ ঘৰবাৰী, ভেটি-মাটি, কৃষিভূমি উছন কৰিবলৈ লয়। উল্লেখ্য যে, জিলাখনৰ যোগীঘোপা অঞ্চলৰ মালেগড়ত ব্ৰহ্মপুত্ৰ, মানাহ আৰু বেঁকী নৈ তিনিখন মিলিত হোৱাত নৈৰ গতিবেগ অধিক হোৱাৰ ফলতে উক্ত অঞ্চলত খহনীয়াই তাণ্ডৱ চলোৱাত বিগত চাৰি বছৰৰো অধিক কাল ধৰি নিৰবচ্ছিন্নভাৱে বহু পৰিয়ালৰ ভেটি-মাটি, ঘৰ-বাৰী, কৃষিভূমি উছন হৈছে। সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ তিনিখনকৈ গাঁও খহনীয়াৰ কৱলত পৰাত কেবা শতাধিক পৰিয়ালৰ আটোমটোকাৰিকৈ সজা সপোনৰ ঘৰ-বাৰী, ভেটি-মাটি, কৃষিভূমি নৈৰ বুকুত জাহ গৈছে। ইয়াৰে কিছু পৰিয়ালে আন ঠাইত ভূমি ক্ৰয় কৰি থিতাপি লোৱাৰ লগতে আন একাংশই সৰ্বস্ব হেৰুৱাই লাম-লাকুটি লৈ আনৰ ঘৰত আশ্ৰয় ল'ব লগা হৈছে। স্মৰ্তব্য যে ড০ হিমন্ত বিশ্ব শৰ্মাই হেলিকপ্টাৰেৰে মালেগড়ত অৱতৰণ কৰি খহনীয়া অঞ্চল পৰিদৰ্শন কৰি প্ৰতিৰোধ ব্যৱস্থাৰ বাবে আঁচনি গ্ৰহণৰ প্ৰতিশ্ৰুতি দি থৈ যোৱাৰ লগতে বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ বাবে কোনো ব্যৱস্থাই ন'ললে।

# কামপুৰৰ যুৱ সমাজকৰ্মী ব্যৱসায়ী পল্লৱ বৰুৱাৰ মৃত্যু

**ই-সংবাদ, কামপুৰ, ২৯ এপ্ৰিলঃ** কামপুৰ পুৰনি বজাৰ অঞ্চলৰ বিশিষ্ট যুৱ সমাজকৰ্মী, কামপুৰ বৰুৱা মাৰ্কেটৰ অন্যতম স্বত্বাধিকাৰী পল্লৱ বৰুৱা(৩৫)ৰ হৃদৰোগত অক্ৰান্ত হৈ আকস্মিকভাৱে মৃত্যু ঘটে। যোৱা নিশা হৃদৰোগত আক্ৰান্ত হোৱাৰ পিছত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়া হয় যদিও আজি দুপৰীয়া তেওঁ মৃত্যুক সাবটি ল'বলগীয়া হয়। প্ৰয়াত পল্লৱ বৰুৱা ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাৰ কামপুৰ নগৰ মণ্ডলৰ প্ৰাক্তন সম্পাদক হোৱাৰ উপৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ একনিষ্ঠ কৰ্মী আছিল। সৰবৰাহী যুৱকজনৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছতে যথেষ্ট সংখ্যক গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পল্লৱ বৰুৱাই পত্নীসহ পুত্ৰ-কন্যাক ইহ সংসাৰত এৰি থৈ যায়।



মাৰ্ঘেৰিটাত আপৰ সংবাদমেল, মঙলবাৰে

# শিমলাগুৰিত ভয়ংকৰ ডকাইতি কাণ্ড

**ই-সংবাদ, বৰপেটাৰোড, ২৯ এপ্ৰিলঃ** ৰাজ্যত দৈনিক বৃদ্ধি পাই আহিছে অপৰাধজনিত ঘটনা। কেতিয়াবা চিলনী চোৰৰ সন্ত্ৰাস, কেতিয়াবা চোৰ-ডকাইতৰ সন্ত্ৰাস! মুঠৰ ওপৰত সুৰক্ষিত নহয় নাগৰিক! তেনে এক ঘটনা সংঘটিত হয় বৰপেটাৰোডৰ সমীপৰ বাগছা জিলাৰ শিমলাগুৰিত। বৰপেটাৰোডৰ সমীপৰ শিমলাগুৰিত আজি পুৱতি নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ ডকাইতি কাণ্ড। যি ঘটনাই বৰপেটাৰোডত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডকাইতৰ দলটোৱে গৃহস্থক হাতে-ভৰিয়ে বান্ধি লুটি লৈ যায় ধন-সোণ। বৰপেটাৰোডৰ সমীপৰ শিমলাগুৰি আৰক্ষী পহৰা চকীৰ সমীপতেই এই ঘটনা সংঘটিত হয়। শিমলাগুৰিৰ শংকৰ নগৰৰ পৰ্যটন বিভাগৰ কৰ্মচাৰী সুভাষ দাসৰ ঘৰত পুৱতি নিশা সংঘটিত হয় এই ঘটনা। স্বামী সুভাষ দাস গোলাঘাটত কৰ্মৰত অৱস্থাত থকাৰ বাবে ঘৰত পত্নী আৰু কাম কৰা মহিলা এগৰাকী থাকে। ডকাইতৰ দলটোৱে কাষৰ ঘৰৰ ছাদ বগাই সুভাষ দাসৰ ঘৰত পুৱতি নিশা প্ৰৱেশ কৰে। ঘৰত আছিল সুভাষ দাসৰ পত্নী আৰু বনকৰা এগৰাকী মহিলা। তিনিজনীয়া ডকাইতৰ দলটোৱে মহিলা দুগৰাকীক হাত আৰু মুখ বান্ধি হাতত কেবাতোলা সোণ আৰু নগদ ধন লুটি নিয়ে। ইতিমধ্যে শিমলাগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী পহৰা চকীৰ কাষতেই এনে ধৰণৰ ঘটনা সংঘটিত হোৱাক লৈ আতংকিত হৈ পৰিছে বৰপেটাৰোডৰ ৰাইজ।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অনিয়মীয়া বিদ্যুৎ যোগানে জ্বলা কলা খুৱাইছে চেঙাৰ চৰাঞ্চলৰ ৰাইজক

**ই-সংবাদ, শিমলীতোলা, ২৯ এপ্ৰিলঃ** বিগত কিছুদিনৰ পৰা ধূপধাৰা বিদ্যুৎ সংমণ্ডলৰ গাফিলতি বাবে প্ৰায়েই বিদ্যুৎ ব্যাহত হৈ থকাটো নিয়মত পৰিণত হৈছে। এজাক বৰষুণ দিলেই বা বতাহত গছৰ পাত এখিলা সৰিলেই বিদ্যুৎ কৰ্তন হোৱাটো এক সাধাৰণ ঘটনাত পৰিণত হৈছে। দেওবাৰে নিশা দহ মান বজাত ডাম্পাৰ বাহন এখন দুৰ্ঘটনাত পতিত হৈ Dhupdhara 33 kV মেইন লাইনৰ বৈদ্যুতিক খুঁটাত খুন্দা মৰাৰ লগতে সোমবাৰে ধুমুহাই সমগ্ৰ ধূপধৰা অঞ্চলত বৈদ্যুতিক লাইনৰ বিস্তৰ ক্ষতিসাধন কৰাৰ ফলত বিদ্যুৎ কৰ্তন হৈ ধূপধাৰা সংমণ্ডলৰ আলোপতি ফিডাৰৰ বৰপেটা জিলাৰ চেঙাৰ সমগ্ৰ চৰাঞ্চল অন্ধকাৰ হৈ পৰাৰ উপৰি পাৰ্শ্ববৰ্তী বহু কেইখন গাঁও অন্ধকাৰত ডুব যায়। ইফালে, আজি বিয়লি পৰলৈকে বিদ্যুৎ সংযোগ নোহোৱাৰ ফলত গোৱালপাৰাৰ শিমলীতোলাকে ধৰি দক্ষিণ বৰপেটাৰ সমগ্ৰ চৰাঞ্চলৰ বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ কাম-কাজ অচল হৈ পৰাৰ ফলত জৰুৰীকালীন সেৱাৰ পৰা বহু গ্ৰাহক বঞ্চিত হয়। উল্লেখ্য যে, বহু অনুষ্ঠান-প্ৰতিষ্ঠানত জেনেৰেটৰ সহায়ত কাম সম্পন্ন কৰিব লগীয়া হয়। ইফালে, চৌবিশ ঘণ্টাতকৈ তাধিক সময় বিদ্যুৎ নথকাৰ ফলত বি এছ এন এল, এয়াৰটেলকে ধৰি জিঅ'ৰ নেটৱৰ্ক সেৱাও ব্যাহত হৈ পৰে। অত্যাৱশ্যকীয় সেৱা হিচাপে সামান্য ক্ষতিৰ ফলত দীৰ্ঘ সময় বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হৈ পৰা গ্ৰাহকসকল ক্ষোভত ফাটি পৰে লাইনমেনৰ লগতে ধূপধাৰা বিদ্যুৎ সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীৰ ওপৰত। উল্লেখ্য যে ধূপধাৰা বিদ্যুৎ বিতৰণ উপ-সংমণ্ডলৰ অধীনত আছে গোৱালপাৰা জিলাৰ শিমলীতোলাকে ধৰি কেইবাখনো গাঁৱৰ লগতে চেঙাৰ খোলাবান্ধা, আলোপোতি মাজৰ চৰ, বাঘমাৰা চৰ, ভাতনাপাইতি বাগিচা, গাঁওকে ধৰি এক বৃহৎ অঞ্চল যদিও এই বৃহৎ পৰিসৰৰ গ্ৰাহকসকলক বিদ্যুৎ নিয়মীয়াকৈ যোগান ধৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে ধূপধাৰা বিদ্যুৎ উপ-সংমণ্ডল।

# অহোপাত এচিআৰডিৰ উদ্যোগত বিশেষ চিকিৎসা শিবিৰ

**ই-সংবাদ, মুছলপুৰ, ২৯ এপ্ৰিলঃ** বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী অহোপাত আজি অসমৰ এটি আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা এচিআৰডিৰ উদ্যোগত আৰু এছ বি আই ফাউণ্ডেছনৰ অৰ্থ সাহায্যত বিশেষ চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। গাঁৱৰ সৰ্বসাধাৰণ লোকসকলক প্ৰাথমিক পৰ্যায়ৰ সকলোধৰণৰ স্বাস্থ্য সম্বন্ধীয় সা-সুবিধা প্ৰদান কৰাটো মূল লক্ষ্য হিচাপে লৈ আৰম্ভ কৰা বিশেষ স্বাস্থ্য শিবিৰে বাক্সা জিলাৰ প্ৰায় ২০ খনকৈ গাঁও সামৰি লৈছে। আচাম চেন্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডি নামৰ সংস্থাটোৱে বাক্সা জিলাৰ অন্তৰ্গত গাঁওসমূহলৈ এটি টীমৰ সহায়ত গৈ গাঁৱৰ সৰ্বসাধাৰণ লোকসকলৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিভিন্ন ধৰণৰ ৰোগৰ ঔষধ বিতৰণ কৰিছে বুলি অৱগত কৰে এছ বি আই সঞ্জীৱনী নামেৰে নামাকৰণ কৰা প্ৰকল্পটোৰ বাক্সা জিলা প্ৰকল্প বিষয়া কল্যাণ ডেকাই। ইফালে, আজিৰ চিকিৎসা শিবিৰত উপস্থিত থাকি এচিআৰডিৰ কাৰ্যবাহী সঞ্চালক প্ৰেৰণা চাংকাকতিয়ে তেওঁলোকৰ ফালৰ পৰা ভিতৰুৱা তথা দুৰ্গম অঞ্চলত স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ উপৰি মাজে-সময়ে সজাগতা সভা অনুষ্ঠিত কৰা বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে, আজি নাৰায়ণা হস্পিটেল, গুৱাহাটীৰ সহযোগত অনুষ্ঠিত বিশেষ চিকিৎসা শিবিৰত বহু কেইগৰাকী বিশেষজ্ঞ চিকিৎসকে উপস্থিত থাকি ৰোগীসকলৰ স্বাস্থ্য-পৰীক্ষা কৰাৰ উপৰি পৰামৰ্শ প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষা কৰা দুই শতাধিক ৰোগীক বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অগপৰ পঞ্চায়ত নিৰ্বাচনৰ ঘোষণা-পত্ৰ

জনসাধাৰণৰ হাতত অধিক ক্ষমতা প্ৰদানৰ লক্ষ্য নিৰ্দিষ্ট কৰাৰ লগতে পঞ্চায়তসমূহৰ জৰিয়তে গ্ৰামাঞ্চলৰ বাট-পথৰ অধিক উন্নীতকৰণ, সুচল যাতায়াত আৰু যোগাযোগ ব্যৱস্থা, নিয়মীয়া বিদ্যুৎ যোগান, ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান, পঞ্চায়তত দক্ষতা বিকাশ কেন্দ্ৰ, সমূহীয়া সেৱা কেন্দ্ৰ স্থাপনৰ লগতে অপ্টিকেল ফাইবাৰ সংযোগ কৰি হাইস্পিড ইন্টাৰনেট সেৱাৰ ব্যৱস্থা কৰা, উন্নত মানৰ শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা আদিক অধিক প্ৰাধান্য দিয়া হয়। ঘোষণা-পত্ৰত বিশেষভাৱে গ্ৰামাঞ্চলৰ যুৱক-যুৱতী আৰু মহিলাসকলক চৰকাৰৰ আত্মনিৰ্ভৰশীল আঁচনিৰ জৰিয়তে কৰ্মসংস্থাপনমুখী কৰাৰ উদ্দেশ্যে এই আঁচনিৰ অধিক সম্প্ৰসাৰণ কৰি গ্ৰামাঞ্চলৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰো অংগীকাৰ প্ৰকাশ কৰে। ঘোষণা-পত্ৰত কৃষকসকলৰ উপাৰ্জন আৰু উৎপাদন বৃদ্ধিত অত্যধিক গুৰুত্ব প্ৰদান কৰি কেইবাটাও বিষয়ত দলটোৱে দায়বদ্ধতা দোহাৰে। গাঁওসভাসমূহৰ জৰিয়তে পঞ্চায়তত ৰাইজৰ সমস্যা সমাধানৰো প্ৰতিশ্ৰুতি প্ৰদান কৰা হয়। দলৰ ঘোষণা-পত্ৰ নিকা, স্বচ্ছ আৰু দুৰ্নীতিমুক্ত পঞ্চায়তৰ জৰিয়তে সমবিকাশ আৰু সম-উন্নয়নৰ বাবে অসম গণ পৰিষদ দলে নিৰ্বাচনী ঘোষণা-পত্ৰত দলটোৰ সংকল্প দোহাৰে। ঘোষণা-পত্ৰ মুকলি অনুষ্ঠানত দলৰ সাধাৰণ সম্পাদক ডাঃ কমলাকান্ত কলিতা, মনোজ শইকীয়া, উপ-সভাপতি বিষ্ণু দাস, সম্পাদক প্ৰিন্স ফাইজুল হক, কাৰ্যালয় সম্পাদক নৃপ কুমাৰ ফুকন আৰু দলৰ আইন কোষৰ আহ্বায়ক পাৰ্থ প্ৰতিম মেধি আদি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গান গাই ভোটাৰৰ দৃষ্টি কাঢ়িছে ৰাইজৰ

দলে চলায় ব্যাপক নিৰ্বাচনী প্ৰচাৰ। বেতবাৰী মৌজাৰ অন্তৰ্ভুক্ত আটাইকেইখন পঞ্চায়ত আৰু একমাত্ৰ জিলা পৰিষদ খেলুৱা জিলা পৰিষদত এইবাৰ যুঁজ হ'ব আকৰ্ষণীয়। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত খেলুৱা গাঁও পঞ্চায়ত, লাচিত, বেতবাৰী পঞ্চায়তসহ পাঁচখন পঞ্চায়ত শিৱসাগৰ সমষ্টিৰ পৰা কৰ্তন কৰি ডিমৌ সমষ্টিত অন্তৰ্ভুক্ত কৰাত ৰাইজৰ মাজত সৃষ্টি হৈছিল ক্ষোভৰ। সেই ক্ষোভৰ প্ৰতিফলন যোৱা লোকসভা নিৰ্বাচনত দেখুৱাইছিল ভোটাৰসকলে। শাসকীয় বিজেপি দলৰ প্ৰাৰ্থীয়ে শিৱসাগৰ সমষ্টিৰ পৰা কৰ্তন হোৱা পঞ্চায়ত এলেকাত লাভ কৰা ভোটৰ হাৰ যথেষ্ট নিম্নগামী হৈছিল। এই ক্ষোভ দূৰ কৰিবলৈ বিজেপি-অগপ মিত্ৰজোঁটে যোৱা কেইমাহত অশেষ কষ্ট কৰাত বহুখিনি সফল হৈছে যদিও আগন্তুক পঞ্চায়ত নিৰ্বাচনত হ'ব তুমুল প্ৰতিযোগিতা। শিৱসাগৰ জিলাৰ ১২ খন জিলা পৰিষদৰ একমাত্ৰ খেলুৱা পৰিষদ বিজেপিয়ে এৰি দিছে অসম গণ পৰিষদক। খেলুৱা পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপৰ শিৱসাগৰ জিলাৰ সভাপতি ঘন গগৈ আৰু ৰাইজৰ দলৰ প্ৰাৰ্থী জিতু গায়নৰ মাজতে মূল যুঁজ হ'ব বুলি চৰ্চা চলিছে ৰাইজৰ মাজত। প্ৰচাৰৰ ক্ষেত্ৰতো পিছপৰি আছে খেলুৱা জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থী গজেন ৰাজখোৱা। নিৰ্বাচনী প্ৰচাৰ অন্ত পৰিবলৈ আৰু মাত্ৰ কেইঘন্টামান বাকী থকা অৱস্থাত আজি পুৱাৰ পৰা নিশালৈকে বিজেপি-অগপ মিত্ৰজোঁটৰ কৰ্মীসকলে বিধায়ক সুশান্ত বৰগোহাঁইৰ নেতৃত্বত বেতবাৰী মৌজাৰ বাকচু, খেলুৱা, বোকাবিল, শুকানপুখুৰীকে ধৰি কেইবাঠাইতো প্ৰচাৰ সভা অনুষ্ঠিত কৰাৰ লগতে উলিয়ায় বাইক ৰেলী। "ৰাইজৰ মাজত এতিয়া কোনো অসন্তুষ্টি নাই। ৰাইজে উন্নয়ন বিচাৰে। যোৱা লোকসভা নিৰ্বাচনত যিবিলাক অঞ্চলত বিজেপিৰ সভালৈ ৰাইজ অহা নাছিল সেইবিলাক অঞ্চলত এতিয়া আমাৰ সভাবিলাকত যথেষ্ট লোকৰ সমাগম হৈছে। জনসাধাৰণে এতিয়া বুজি উঠিছে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে যি উন্নয়নমুখী কাম কৰিছে, আঁচনি লৈছে সেয়া আনে কৰাটো সম্ভৱ নহয়। কংগ্ৰেছ নেতা গৌৰৱ গগৈক এইবিলাক ঠাইত লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণতে দেখা। তাৰ পিছত এবাৰো ৰাইজৰ খবৰ লোৱা নাই সাংসদগৰাকীয়ে, কাম কৰাতো দূৰৰে কথা।" প্ৰচাৰ সভাত ভাষণ প্ৰদান কৰি এই মন্তব্য কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে। তেওঁ লগতে বিৰোধীয়ে ৰাইজৰ চিন্তা কৰাতো দূৰৰে কথা নিজৰ মাজত কাজিয়া কৰিয়েই সময় পাৰ কৰিছে বুলিও কটাক্ষ কৰে। সুশান্ত বৰগোহাঁয়ে কয়, "বিৰোধীৰ মাজত যি খাম-খেয়ালি হৈ আছে তাৰ পৰাই বুজা গৈছে তেওঁলোকৰ অৱস্থা যে অতি বেয়া। বিজেপি-অগপ মিত্ৰজোঁটে সদায়ে জনতাৰ স্বাৰ্থত উন্নয়ন বিচাৰে। মিত্ৰজোঁটৰ চৰকাৰে সৰ্বসাধাৰণ জনতাক উপকৃত কৰিব পৰা সকলো আঁচনি গ্ৰহণ কৰিছে। "প্ৰচাৰ সভাত ৰাইজৰ দল তথা বিধায়ক অখিল গগৈকো টাৰ্গেট কৰি লয় সুশান্ত বৰগোহাঁয়ে। তেওঁ কয়, "সমষ্টি পুনৰ নিৰ্ধাৰণ নোহোৱা সময়খিনিত অখিল গগৈয়ে বিধায়ক হিচাপে বাকচু, খেলুৱা, বেতবাৰী আদিত যিমান কাম কৰিব পৰাৰ থল আছিল নকৰিলে। তেওঁ এই অঞ্চলৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে। কিন্তু আমি ৰাইজৰ সমস্যা দূৰ কৰিবলৈ চেষ্টা কৰিছো যাৰ বাবে এতিয়া ভাল সঁহাৰি পাইছো। "ইপিনে ডিমৌ সমষ্টিৰ খৰাহাট আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছ প্ৰাৰ্থী ৰীতা টেলেঙাক সুশান্ত বৰগোহাঁয়ে ৰাজহুৱা স্থানত অপমান কৰা বুলি উঠা অভিযোগ আৰু ইয়াকে লৈ ডিমৌ আছাৰ নেতৃত্বত হোৱা প্ৰতিবাদে পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ ক্ষতি কৰিব নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "ৰীতা টেঙেলাই প্ৰথম বিজেপিৰ পৰা টিকট বিচাৰিছিল। কিন্তু তেওঁক দিয়া নহ'ল। পিছত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। টিকট নিদিয়াৰ ক্ষোভটো তেওঁৰ থাকি গ'ল। ৰাজহুৱা স্থানত অপমান কৰাৰ কথা মিছা, ভিত্তিহীন। এতিয়া ৰীতা টেলেঙাক জয়ী কৰাবলৈ ডিমৌ আছাৰ নৰেন তাঁতী নামৰ এজন তথাকথিত নেতাই ভিত্তিহীন অভিযোগ তুলি প্ৰতিবাদ কৰিছে। আছা নামৰ সংগঠনটোৱে চাহ জনগোষ্ঠীৰ বাবে বহুত ভাল কাম কৰিছে। কিন্তু ডিমৌৰ নৰেন তাঁতীৰ বাবেই কেতিয়াবা আছা দুভাগ হোৱা দেখা যায়। তেওঁ এতিয়া কোনো ৰাজনৈতিক দলৰ হৈ কাম কৰিছে। ৰাইজে সেই কথাবিলাক বুজি পাইছে। গতিকে আমাৰ প্ৰাৰ্থীয়ে তাত জয়ী হ'ব। "আনহাতে বাকচু সৰুবিল ৰংগমঞ্চ আৰু খেলুৱা ৰংগমঞ্চত হোৱা বিজেপি-অগপ মিত্ৰজোঁটৰ দুয়োখন প্ৰচাৰ সভাতে খেলুৱা জিলা পৰিষদৰ প্ৰাৰ্থী ঘন গগৈয়ে ভাষণ প্ৰদান কৰি সুশান্ত বৰগোহাঁইৰ দৰে এগৰাকী কৰ্মপটু বিধায়ক বেতবাৰী মৌজাৰ অন্তৰ্গত পঞ্চায়ত কেইখনে ভোট নিদিয়াকৈয়ে ভাল উপহাৰ হিচাপে লাভ কৰা বুলি দোহাৰে। তেওঁ লগতে বৰ্তমান ডিমৌ সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা অঞ্চলসমূহত দ্ৰুত উন্নয়ন হোৱাৰ লগতে বহু চৰকাৰী কাৰ্যালয়, বি এড কলেজ আদি স্থাপন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি ব্যক্ত কৰে। দুয়োখন সভাতে দুই শতাধিক লোকে নতুনকৈ বিজেপিত যোগ দিয়ে। আনহাতে ৰাইজৰ দলৰ খেলুৱা জিলা পৰিষদৰ প্ৰাৰ্থী জিতু গায়নে আজিও ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিশেষকৈ নিমাইজান, ভাধৰা আদিত প্ৰচাৰ চলায় জিতু গায়নে। লক্ষণীয় যে ঘন গগৈয়ে বিগত সময়ছোৱাত শিৱসাগৰ সমষ্টিৰ পৰা বিধায়ক পদৰ বাবেও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অভিজ্ঞতাৰে পুষ্ট হোৱাৰ বিপৰীতে ৰাইজৰ দলৰ জিতু গায়নে প্ৰথমবাৰৰ বাবে এই ক্ষেত্ৰত ভৰি দিছে। শিল্পী হিচাপে যথেষ্ট সুনাম তথা খ্যাতি থকা জিতু গায়নে ৰাইজৰ দলৰ শিৱসাগৰ সমষ্টিৰ সভাপতি হিচাপে ৰাজনৈতিক ক্ষেত্ৰক্ষণত কাম কৰি দক্ষতা দেখুৱাইছে যদিও ঘাইকৈ শিল্পী হিচাপেহে অধিক পৰিচিত জনসাধাৰণৰ মাজত। এইবাৰ দুই-এখন বিহু সন্মিলনৰ মঞ্চতহে গীত পৰিৱেশন কৰিলে যদিও অধিকাংশ বিহু মঞ্চ ত্যাগ কৰি ভোটাৰৰ পদূলিয়ে পদূলিয়েহে দেখা গৈছে ৰাইজৰ দলৰ প্ৰাৰ্থী জিতু গায়নক। ৰাইজৰ মাজত এটা ভাল ইমেজ থকা জিতু গায়নে আজি নিমাইজানত গান গাই গাই ভোট ভিক্ষা কৰাও পৰিলক্ষিত হয়। অত্যাৱশেকীয় সামগ্ৰীৰ অত্যধিক মূল্য বৃদ্ধি আৰু সমষ্টি পুনৰ নিৰ্ধাৰণে খেলুৱা জিলা পৰিষদৰ অন্তৰ্গত ৰাইজক চৰকাৰী কেতবোৰ কাম-কাজত কেনে অসুবিধাত পেলাইছে বা আগলৈ পেলাব তাকে ইছ্যু হিচাপে লৈ চলায় নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ উপৰি কেতবোৰ চৰকাৰী আঁচনিত বহু যোগ্য লোকক বঞ্চিত কৰা বুলি নিমাইজানত ক্ষোভ প্ৰকাশ কৰে জিতু গায়নে। বাতৰি লিখাৰ পৰলৈকে ৰাইজৰ দলৰ প্ৰাৰ্থীগৰাকীয়েও একাংশ দলীয় কৰ্মী তথা সমৰ্থকক লগত লৈ অব্যাহত ৰাখিছে নিৰ্বাচনী প্ৰচাৰ।

# পূব ভালুকমাৰীত উলহ-মালহেৰে ৰঙালী বিহু উদযাপন

**ই-সংবাদ, বেৰেজীয়া, ২৯ এপ্ৰিলঃ** নগাঁও জিলাৰ বেৰেজীয়াৰ কিছু নিলগৰ পূব ভালুকমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত দেওবাৰে দিনজোৰা কাৰ্যক্ৰমণিকাৰে পূব ভালুকমাৰী নৱ উন্নয়ন যুৱক সংঘৰ সৌজন্যত উলহ-মালহেৰে চতুৰ্থ বাৰ্ষিক ৰঙালী বিহু উৎসৱ উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি উখল-মাখল পৰিবেশত পুৱাৰ ভাগত পৰিবেশ নিকাকৰণ, বৃক্ষৰোপণ, বিহুৱান উত্তোলন, দুপৰীয়া ৰঙালী বিহু বিষয়ত আলোচনা আৰু বিয়লি কুইজ, চিত্ৰাংকণ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া সংঘৰ সভাপতি পল্লৱজ্যোতি ডেকাৰ দ্বাৰা বন্তি প্ৰজ্বলনৰ পিছতে মুকলি বিহু উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ ঠগীত চন্দ্ৰ বৰুৱাই। তেওঁ ভাষণ প্ৰসংগত বিহুৰ তাৎপৰ্যৰ লগতে সমাজৰ সমন্বয়ত কৃষিজীৱী জনগণৰ লোক কলা আৰু লোকসাহিত্যৰ মাজেদি আজিৰ মানৱ সমাজ কোন দিশে গতি কৰিছে আৰু কি কৰ্মৰ মাজেদি সভ্যতা-সংস্কৃতিক ত্বৰান্বিত কৰিব পাৰি তাৰ সুন্দৰভাৱে ব্যাখ্যা আগবঢ়ায়। নগাঁও আৰু মৰিগাঁও জিলাৰ বহুকেইটা বিহুৱা দলৰ মনোমোহা অনুষ্ঠান পৰিবেশনেৰে মুখৰিত হৈ পৰা এই ৰঙালী বিহু উৎসৱৰ প্ৰাণোজ্জল পৰিবেশত উপস্থিত ৰাইজক বিহুৰ আনন্দৰ খোৰাক দিবলৈ সংঘৰ উপদেষ্টা মহেন্দ্ৰজিৎ বৰুৱাই জনশিল্পী মহেন্দ্ৰ হাজৰিকা, চাৰু গোহাঁই আৰু সূৰ্য দাসৰ কেইবাটাও কালজয়ী গীত পৰিবেশন কৰে। ৰঙালী বিহুৰ সকলো কাৰ্যসূচীত সংঘৰ সম্পাদক অসীম ডেকা, হীৰকজ্যোতি বৰা, বিনোদ বৰুৱা, উপদেষ্টা অমিয় বৰা, বিপিন বৰদলৈ, জগত বণিয়া, পৰেশ ডেকা, গোবিন্দ ডেকাকে প্ৰমুখ্য কৰি অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তিৰ লগতে অঞ্চলবাসী উপস্থিত থাকে।

# অৰুণাচলৰ নেৰিষ্টত 'লুইত-২০২৫' শীৰ্ষক ৰঙালী বিহু পালন

**ই-সংবাদ, বেৰেজীয়া, ২৯ এপ্ৰিলঃ** অৰুণাচল প্ৰদেশৰ নিৰজুলিত অৱস্থিত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰণী শিক্ষানুষ্ঠান 'নেৰিষ্ট'ত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে 'লুইত-২০২৫' শীৰ্ষক ৰঙালী বিহু উৎসৱ উদযাপন কৰা হয়। উলহ-মালহেৰে উদযাপিত এই ৰঙালী বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, চিত্ৰাংকণ প্ৰতিযোগিতাৰ লগতে সাতভনীৰ ৰাজ্যসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰথম দিনা পতাকা উত্তোলনেৰে উদযাপন সমিতিৰ সভাপতি মানৱজ্যোতি হাজৰিকাই এই বিহু উৎসৱৰ শুভাৰম্ভ কৰে। ভাষণ প্ৰসংগত তেওঁ নেৰিষ্টক নাহৰৰ দেশ বুলি অভিহিত কৰে। উক্ত অনুষ্ঠানত অসম ছাত্ৰ সংগঠন, নেৰিষ্টৰ মুখ্য পৃষ্ঠপোষক ড° অজন্তা কলিতাই সকলোকে আদৰণি জনাই বিহুৰ তাৎপৰ্য ব্যাখ্যা কৰে। উক্ত দিনা সন্ধিয়া অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ সন্মিলনখনত অসমৰ প্ৰায় ৪৭ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ছাত্ৰ সন্মিলনখনত ৰাজধানী চৌহদৰ উপায়ুক্ত টালু প'টম আৰু নিছি এলিট চাইটিৰ সম্পাদক নাবাম টাকাৰ উপস্থিত থাকি দুয়োখন প্ৰদেশৰ মাজত ঐক্য আৰু ভাতৃত্ববোধ অধিক টনকিয়াল কৰাৰ ক্ষেত্ৰত মনোনিবেশ কৰিবলৈ সকলোকে আহবান জনায়। ইফালে, বিভিন্ন কাৰ্যক্ৰমণিকাৰ মাজৰে অনুষ্ঠিত দ্বিতীয় দিনাৰ মূল সভাত অৰুণাচল প্ৰদেশ লোকসেৱা আয়োগৰ চেয়াৰমেন অধ্যাপক প্ৰদীপ লিম্ফা, নিছি ছাত্ৰ সংগঠনৰ সম্পাদক লিজেন্ড গ্যাদী, আছুৰ সাধাৰণ সম্পাদক সমীকৰণ ফুকনৰ উপৰি নেৰিষ্টৰ সঞ্চালক অধ্যাপক নৰেন্দ্ৰনাথ এছ উপস্থিত থাকে। সেইদৰে ৰঙালী বিহুৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'বৰ্হমথুৰি' উন্মোচন কৰে নেৰিষ্টৰ সহকাৰী উপ-পঞ্জীয়ক ড°গৌতম ৰয়ে। নিশা অনুষ্ঠিত সংগীতানুষ্ঠানত গীত পৰিবেশনৰ বাবে আমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মাক মঞ্চলৈ ৰঙালী বিহু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি দীক্ষিত গগৈয়ে আদৰি আনে। প্ৰায় তিনি ঘণ্টা সুমধুৰ গীত পৰিবেশনেৰে দীক্ষু শৰ্মাই সকলোকে আপ্লুত কৰি তোলাৰ নিশা প্ৰায় ২ বজাত উদযাপন সমিতিৰ সম্পাদক প্ৰাণজিৎ বৰাই সকলোকে শলাগৰ শৰাই আগবঢ়াই 'লুইত-২০২৫' শীৰ্ষক ৰঙালী বিহুৰ সামৰণি মাৰে।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ স্বাস্থ্য সজাগতামূলক বক্তৃতানুষ্ঠান

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ এপ্ৰিলঃ** অসম বিজ্ঞান সমিতি,ডিব্ৰুগড় শাখাৰ উদ্যোগত আৰু অসম চিকিৎসা মহাবিদ্যালয় শিক্ষক সন্থাৰ সহযোগত ডিব্ৰুগড়ৰ 'ৰামেশ্বৰ শৰ্মা ফুকন শংকৰদেৱ বিদ্যা নিকেতনত খাদ্যনলীৰ কৰ্কট ৰোগ আৰু নেত্ৰদান সম্পৰ্কত এক সজাগতামূলক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। আজি (অনুষ্ঠিত বক্তৃতানুষ্ঠানটিত সভাপতিত্ব কৰে শাখাৰ সভাপতি ড০ ভাৰতী দত্তই। শতাধিক ছাত্ৰ-ছাত্ৰী, আচাৰ্য-আচাৰ্য, বিজ্ঞান সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত বক্তৃতানুষ্ঠ্যাটিত বিজ্ঞান সজাগতাৰ সমিতিৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় শাখাৰ সম্পাদক নাছিৰ চুলতানে। সমল ব্যক্তি, অসম চিকিৎসা মহাবিদ্যালয়ৰ জ্যেষ্ঠ শৈল্য চিকিৎসক ডাঃ চাজিদ আহমেদে খাদ্যনলীৰ কৰ্কট ৰোগ আৰু যকৃত ৰোগ সম্পৰ্কত বিস্তৃতভাৱে বক্তব্য আগবঢ়ায়। ধঁপাত, শিখৰ জাতীয় খাদ্যৰ অপকাৰিতা সম্পৰ্কত দৃশ্য-শ্ৰব্য মাধ্যমৰ জৰিয়তে বুজাই দিয়ে। আনগৰাকী সমলব্যক্তি চকু বিশেষজ্ঞ ডাঃ ৰাজীৱ দাসে চকুৰ যত্নৰ লগতে নেত্ৰদান সম্পৰ্কত সাৱলীল বক্তৃতা প্ৰদান কৰে। দুয়োগৰাকী সমল ব্যক্তিক শাখাৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচা আৰু ড০ ভাৰতী দত্ত ৰচিত বিজ্ঞান বিষয়ক প্ৰবন্ধৰ একোখন গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শাখাৰ তৰফৰ পৰা কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাস, সহঃসম্পাদক অজিত শৰ্মা, সদস্য বিপুল খাউণ্ড উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে নিকেতনৰ প্ৰধান আচাৰ্যা আল্পনা বৰবৰাই।

# মাহমৰাত পঞ্চায়তে পঞ্চায়তে গৌৰৱ গগৈৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, মথুৰাপুৰ, ২৯ এপ্ৰিলঃ** মঙলবাৰে মাহমৰা সমষ্টিত কংগ্ৰেছৰ পঞ্চায়ত নিৰ্বাচনী সভাত উপস্থিত থাকে সাংসদ গৌৰৱ গগৈ। মাহমৰা বিধানসভা সমষ্টিৰ বিভিন্ন ঠাইত মঙলবাৰে পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি নিৰ্বাচনী প্ৰচাৰ সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি ভাৰতবৰ্ষৰ বলিষ্ঠ কণ্ঠ গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে।সাংসদগৰাকী সন্ধিয়া বৰ মথুৰাপুৰ চকলীয়া গাঁৱত উপস্থিত হয়। এক বিশাল পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ বিভিন্ন জ্বলন্ত সমস্যাসমূহ সমাধান কৰিব নোৱাৰা শাসনাধিষ্ঠিত চৰকাৰখনক কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে বৰ্তমান চৰকাৰে গাঁৱে গাঁৱে মদৰ দোকান খুলি গাঁৱৰ উঠি অহা যুৱচামক অধঃপতনে নিয়াত সহায় কৰিছে, নিবনুৱা সমস্যাই দেশৰ যুৱক-যুৱতীক প্ৰতাৰণা কৰা, চৰকাৰৰ ছিণ্ডিকেটৰাজ, মূল্যবৃদ্ধি আদিকে কৰি বিভিন্ন জ্বলন্ত সমস্যাবোৰ সমাধান কৰিব নোৱাৰা চৰকাৰখনক কঠোৰ ভাষাৰে সমালোচনা কৰে। ৰাইজক প্ৰতাৰণা কৰা চৰকাৰখনক ৰাইজে এতিয়া বুজি উঠিছে আৰু ২ মে'ত ইয়াৰ উচিত প্ৰত্যুত্তৰ ভোটৰ বাকচত দিব বুলি মন্তব্য কৰে। নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হোৱাৰ আগে বৰমথুৰাপুৰ চকলীয়া গাঁৱৰ নামঘৰত সেৱা কৰি আশীৰ্বাদ লয়। এই নিৰ্বাচনী সভাত চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি উৎপল গগৈ, উপ-সভাপতিদ্বয় ক্ৰমে নিপেন বৰগোহাঁই, গৌতম হাতীমূৰীয়া, চৰাইদেউ জিলা পৰিষদৰ মনোনীত প্ৰাৰ্থী নৃপেন কোঁৱৰ আৰু চফ্ৰাই জিলা পৰিষদৰ মনোনীত প্ৰাৰ্থী প্ৰসূন ৰাজকোঁৱৰ প্ৰমুখ্যে কংগ্ৰেছ দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।

# দৰঙৰ ঐতিহাসিক খটৰা সত্ৰত বিশাল নিৰ্বাচনী সভা

**ই-সংবাদ, দুনী ২৯ এপ্ৰিলঃ** অসমৰ বিকাশৰ ক্ষেত্ৰত দৰঙে আটাইতকৈ যোগ্য অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু বিজেপি চৰকাৰখনে অসমৰ জাগ্ৰত প্ৰহৰী হিচাপে থিয় দিছে। আজি দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ চাৰিশ বছৰ অতিক্ৰম কৰা মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য লেচাকোণীয়া গোবিন্দ আতাই প্ৰতিষ্ঠা কৰা ঐতিহাসিক খটৰা সত্ৰত অনুষ্ঠিত বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশ লৈ এই মন্তব্য কৰে। প্ৰতিকূল বতৰৰ বাবে নিৰ্দিষ্ট সময়তকৈ কিছু পলমকৈ উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহাসিক খটৰা সত্ৰত অহা মে' মাহত আকৌ অহাৰ ইংগিত দিয়াৰ লগতে নিৰ্বাচনী সভাখনত কংগ্ৰেছ দলক কঠোৰ সমালোচনা কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই দীৰ্ঘ ৬০ বছৰ অসমত কংগ্ৰেছৰ চৰকাৰ আছিল আৰু এই সুদীৰ্ঘ সময় ১৫ বছৰ তৰুণ গগৈয়ে মুখ্যমন্ত্ৰী আছিল। ১৫ বছৰে শাসনত থাকিও কংগ্ৰেছে অসমৰ বাবে কি কৰিছিল বুলি প্ৰশ্ন কৰাৰ লগতে ১৫ বছৰে কংগ্ৰেছে এখনো আঁচনি অসমৰ ৰাইজক দিব পৰা নাছিল। কংগ্ৰেছৰ দিনত চৰকাৰী চাকৰি লাখ লাখ টকাত কিনিব লাগিছিল। ইয়াৰ বিপৰীতে বিজেপি চৰকাৰখনে লক্ষাধিক চৰকাৰী চাকৰি দিয়াৰ নামত এখন তামোলো খোৱা নাই বুলি উল্লেখ কৰে। কংগ্ৰেছৰ শাসনৰ দিনত মাত্ৰ ৫ টা আঁচনিহে থকা বুলি ৰাইজে জানিছিল। লুভী, ধুতি, কম্বল, সূতা আৰু আঁঠুৱা। ইয়াৰ বিপৰীতে বিজেপিৰ চৰকাৰে হিচাপ দিব নোৱাৰাকৈ আঁচনি ৰূপায়ণেৰে ৰাজ্যৰ জনসাধাৰণক সকাহ দিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। সেইবাবে আগন্তুক পঞ্চায়ত নিৰ্বাচনত প্ৰতিগৰাকী মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি জয়ী কৰিবলৈ আহ্বান জনায়। পঞ্চায়ত নিৰ্বাচনৰ পিছতে গেছৰ দাম ৬৫০ টকালৈ কমোৱাৰ চেষ্টা কৰিম বুলি উল্লেখ কৰাৰ লগতে দৰং জিলাত অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আহি দৰং মেডিকেল কলেজ, কুৰুৱা-নাৰেংগী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আৰু ৰিং-ৰোডৰ আধাৰশিলা কৰিব বুলি ঘোষণা কৰে। কেইবাসহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা সভাখনত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী ৰঞ্জিত দাস, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ডঃ জয়নাথ শৰ্মাৰ লগতে মিত্ৰজোঁটৰ ভালেকেইগৰাকী নেতা উপস্থিত থাকে।

# মাজুলীৰ দক্ষিণপাটত ত্ৰৈলোক্য বৰাৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, মাজুলী, ২৯ এপ্ৰিলঃ** ১০ নং দক্ষিণপাট গাঁও পঞ্চায়তৰ অন্তৰ্গত ৩ নং ৱাৰ্ডৰ ৰাইজৰ দ্বাৰা সমৰ্থিত সদস্য পদৰ প্ৰাৰ্থী ত্ৰৈলোক্য বৰাৰ নিৰ্বাচনী কাৰ্যালয়টো আজি মুকলি কৰে জিলা বিজেপি দলৰ জিলা পৰিষদৰ প্ৰাৰ্থী নীলিম শৰ্মাই ফিতা কাটি মুকলি কৰে। কাৰ্যালয় মুকলি অনুষ্ঠানত মাজুলী জিলাৰ মধ্য মণ্ডলৰ সভাপতি উৎপল ভেৰুৱা, দক্ষিণপাট পঞ্চায়তৰ কাউ কাউঞ্চিলাৰ পদৰ প্ৰাৰ্থী দীপজ্যোতি দাসৰ লগতে অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত উপস্থিত থকা লোকসকলে দক্ষিণপাট অঞ্চলৰ বিকাশৰ বাবে কলিতা গাঁৰৰ সৰবৰহী যুবক ত্ৰৈলোক্য বৰাক বিপুল ভোটৰ ব্যৱধানত জয়যুক্ত কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

# মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত জিলা উন্নয়ন সমিতিৰ বৈঠক

**ই-সংবাদ, লাহৰীঘাট ২৯ এপ্ৰিলঃ** মৰিগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ এই মাহৰ বৈঠক অনুষ্ঠিত হয়। জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত প্ৰতিটো বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে প্ৰতিটো বিভাগৰ উন্নয়নমূলক কাম-কাজৰ বিতংভাৱে বুজ লোৱাৰ লগতে কামৰ অগ্ৰগতি সন্দৰ্ভত বিভাগীয় মুৰব্বীসকলৰ পৰা অৱগত হয়। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈয়ে বিভিন্ন বিভাগৰ সৈতে পাৰস্পৰিক সমন্বয়েৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে। সভাত লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), উদ্যোগ আৰু বাণিজ্য বিভাগ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, দুগ্ধ উন্নয়ন, শিক্ষা, সমাজ কল্যাণ, শ্ৰম, অৰ্থনীতি আৰু পৰিসংখ্যা, আবকাৰী, নিয়োগ বিনিময় কেন্দ্ৰ, কৃষি, ৰেচম, মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগ, জলসম্পদ, জলসিঞ্চন, লোকনিৰ্মাণ (ৰাষ্ট্ৰীয় ঘাইপথ), সমবায়, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, খাদী আৰু গ্ৰামোদ্যোগ, নিয়োগ বিনিময় কেন্দ্ৰ আদিৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্ত নিতিশা বৰা আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

# ৰাণী চাপৰিত বনৰীয়া ম'হৰ জাক খেদিলে বন বিভাগে

**ই-সংবাদ, মিৰ্জা, ২৯ এপ্ৰিলঃ** পূব কামৰূপ বন সংমণ্ডলৰ অধীনৰ তথা পশ্চিম গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত এটি কৃষিপ্ৰধান অঞ্চল হিচাপে চিহ্নিত হৈ থকা ৰাণী চাপৰিত এটি সন্দেহযুক্ত বনৰীয়া ম'হৰ জাকে মুক্ত বিচৰণ কৰি অঞ্চলটোৰ কৃষিভূমিত যথেষ্ট অনিষ্ট কৰে। এনে ঘটনাত অঞ্চলটোত নৈপৰীয়া কৃষক ৰাইজ আতংকিত হৈ পৰি বন বিভাগক এই বনৰীয়া ম'হৰ মুক্ত বিচৰণৰ পৰা কৃষিভূমি উদ্ধাৰ কৰাৰ আহ্বান জনাই আহিছিল। এই আহ্বানৰ মাজতে প্ৰতিকূল বতৰক নেওচিও বন বিভাগে অভিযান চলাই এই বনৰীয়া ম'হৰ জাকটো খেদি পঠিয়ায়। বন বিভাগৰ লোকে কোৱা মতে এই ম'হৰ জাকটো আচলতে বনৰীয়া নহয়। এই ম'হৰ জাকটো ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰাৰ বাথান, শুৱালকুছি আদি অঞ্চলৰ। জানিব পৰা মতে কেইবাদিনো ধৰি এই ম'হৰ জাকটো এৰা পৰি খাদ্যৰ সন্ধানত আহি ৰাণী চাপৰিৰ কৃষিভূমিত প্ৰৱেশ কৰে। তাত থকা কৃষিভূমিৰ বিভিন্ন শস্য ম'হৰ জাকটোৱে খাই তহিলং কৰে। কৃষকসকলে ম'হৰ জাকটো বনৰীয়া বুলি ক'ব খোজে যদিও আচলতে এই জাকটো বন বিভাগৰ মতে পোহনীয়াহে। পিছত এই ম'হৰ জাকটো বন বিভাগে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ খেদি পঠিওৱাত ম'হৰ গৰাকীয়ে নিবলৈ সক্ষম হয় বুলি জানিবলৈ দিয়ে বন বিভাগে। উল্লেখ যে ব্ৰহ্মপুত্ৰৰ ৰাণী চাপৰিত ধাৰাপুৰ, মাজিৰগাঁও, পূব মাজিৰগাঁও, ভট্টাপাৰা, কেন্দুকুছি, পাৰ্লী আদি অঞ্চলৰ কেইবা শতাধিক দুখীয়া কৃষকে কৃষিকাৰ্য কৰি স্বাৱলম্বিতা অৰ্জন কৰাৰ লগতে পৰিয়াল চলাবলৈ সক্ষম হৈছে। কিন্তু দীৰ্ঘদিন ধৰি এই ম'হৰ জাকে ৰাণী চাপৰিৰ শাক-পাচলি আদি খাই তহিলং কৰি আহিছে। কিন্তু আজিও এই কৃষকসকলে চৰকাৰ তথা বন বিভাগৰ পৰা ক্ষতিপূৰণ লাভ নকৰাৰ খবৰ আহিছে। কৃষকৰ এনে বিলাই-বিপত্তিৰ মাজতে পূব কামৰূপ বন সংমণ্ডলৰ অধীনৰ পলাশবাৰী, ৰাণী, খানামুখ আদি বন বিষয়া কাৰ্যালয়ৰ বনকৰ্মী, গাঁওপ্ৰধান আদিয়ে এই সন্দেহযুক্ত বনৰীয়া ম'হৰ জাকটো খেদি পঠিয়ায়। এই ঘটনাত বন বিভাগৰ লোকে যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। তেওঁলোকে নাও ভাৰাত লৈ ব্ৰহ্মপুত্ৰৰে ৰাণী চাপৰিত উপস্থিত হৈ এই অভিযান চলায়। লগতে উত্তৰ পাৰৰ বাথান শুৱালকুছিৰ ম'হৰ গৰাকীক সকীয়াই দিয়ে। ভালদৰে ম'হবোৰ প্ৰতিপালন কৰিবলৈ আহ্বান জনায়। অন্যথা ভৱিষ্যতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয়।

# 'অসম বাৰ্তা' কাকতৰ পঞ্চম বৰ্ষপূৰ্তি 'নিউজ নেক্সট ৱান'ৰ ৰাজীৱ বৰাক সম্বৰ্ধনা

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ২৯ এপ্ৰিলঃ** নদীদ্বীপ মাজুলীত আত্মপ্ৰকাশ কৰা 'অসম বাৰ্তা' গোষ্ঠীৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে 'বসুন্ধৰা যুৱ সমাৰোহ আৰু বঁটা প্ৰদান' অনুষ্ঠানটো দেওবাৰে ডিব্ৰুগড়স্থিত ড° ৰোহিণীকান্ত বৰুৱা আইন মহাবিদ্যালয় প্ৰেক্ষাগৃহত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হৈ যায়। আবেলি ২ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে 'অসম বাৰ্তা'ৰ সঞ্চালক আৰু প্ৰকাশক তথা যুৱ সাংবাদিক তনয় বৰাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি পৰিৱেশ কৰ্মী, অৰণ্য মানৱ তথা পদ্মশ্ৰী যাদৱ পায়েঙে 'অসম বাৰ্তা'ৰ পঞ্চম বৰ্ষপূৰ্তিৰ শুভক্ষণত শুভেচ্ছা জনাই বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটোত 'অসম বাৰ্তা' গোষ্ঠীৰ ২০২৫ বৰ্ষৰ বঁটাসমূহ প্ৰদান কৰা হয়। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী আৰু গৃহ বিভাগৰ মন্ত্ৰী তথা ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাক 'যুৱ ৰাজনীতিজ্ঞ বঁটা', খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াক 'ড° পূৰ্ণনাৰায়ণ সিংহ ৰাজনীতিজ্ঞ বঁটা', কণ্ঠশিল্পী তথা সংগীত পৰিচালক মানস ৰবীনক 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সাংস্কৃতিক বঁটা', প্ৰতিদিন টাইমৰ উজনি অসমৰ ব্যুৰ' চীফ পৰমানন্দ বৰাক 'হোমেন বৰগোহাঞি সাংবাদিকতা বঁটা', বিশিষ্ট লেখক, সাহিত্যিক তথা দক্ষ আৰক্ষী বিষয়া ড° নন্দ সিং বৰকলাক 'সাহিত্য উন্মেষ বঁটা', বিশিষ্ট সমাজসেৱক তথা




দিল্লীস্থ ডায়েছ ইণ্ডিয়াৰ প্ৰতিষ্ঠাপক সঞ্চালক ৰাজীৱ বৰুৱাক 'জননেতা বঁটা' প্ৰদান কৰে। অনুষ্ঠানতে কাকত গোষ্ঠীটোৱে কাকতখনৰ দুগৰাকী সাংবাদিকক বৰ্ষশ্ৰেষ্ঠ আৰু যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰাৰ উপৰি সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সংবাদ, সাহিত্য, শৈক্ষিক ক্ষেত্ৰৰ বিভিন্নজনক বঁটা প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানতেই কাকত গোষ্ঠীয়ে 'নিউজ নেক্সট ৱানৰ অনলাইন দৈনিক 'ই-সংবাদ'ৰ তিনিচুকীয়াৰ ব্যুৰ', তথা নিৰ্ভীক সাংবাদিক ৰাজীৱ বৰাক গামোচা, সম্বৰ্ধনা-পত্ৰ, অসম বাৰ্তাৰ এটা ল'গ' আৰু এখন 'অসম বাৰ্তা' কাকতেৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা জনায় অৰণ্য মানৱ যাদৱ পায়েং আৰু 'অসম বাৰ্তা' কাকতৰ মুখ্য সম্পাদক ড° লীলাধৰ হাজৰিকাই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট লেখক, গৱেষক, ভাষাবিদ ড° ভীমকান্ত বৰুৱা আৰু বিশিষ্ট লেখিকা ভাৰতী দত্ত উপস্থিত থাকে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট লেখিকা ড° নিৰুপমা ভট্টাচাৰ্য।

# চেলেংহাট পশু চিকিৎসালয় বিপদজনক! 'ডেনজাৰ' বুলি ফলক ওলমাই ৰাইজক সতৰ্কবাণী

**ই-সংবাদ, মৰিয়নি, ২৯ এপ্ৰিলঃ** চেলেংহাটস্থিত পশু চিকিৎসালয় তথা গো-প্ৰজনন কেন্দ্ৰটো এতিয়া বিপদজনক অৱস্থালৈ পৰিণত হৈছে। নিৰাপত্তাৰ অভাৱত চিকিৎসক আৰু কৰ্মচাৰীসকল উদ্বিগ্ন হৈ পৰিছে। পূব যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত এই চিকিৎসালয়খনৰ সন্মুখভাগত কৰ্মচাৰীসকলে ইতিমধ্যে "DANGER" লিখা কেইবাখনো ফলক আঁৰি ৰাইজক সতৰ্ক কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সাধাৰণ ৰাইজে নিজৰ পোহনীয়া জীৱ-জন্তুক চিকিৎসা কৰাবলৈ আহোতে এতিয়া অতি সাৱধান হোৱা দৰকাৰ। নহ'লে যিকোনো সময়ত সংঘটিত হ'ব পাৰে ভয়ংকৰ অঘটন। আশীৰ দশকতে নিৰ্মিত বৃহত্তৰ চেলেংহাটৰ এই একমাত্ৰ পশু চিকিৎসালয় আৰু গো-প্ৰজনন কেন্দ্ৰটোৰ অৱস্থা এতিয়া অতি জৰাজীৰ্ণ। মূল গৃহটোৰ ওপৰৰ ছাঁদখন উৰলি গৈছে। যোৱা বছৰৰ ধুমুহাত ছাঁদৰ আধা অংশ উৰি যোৱাৰ লগতে খুটা আৰু বেৰবোৰো পঁচি গৈছে।




বৰষুণৰ সময়ত চিকিৎসক আৰু কৰ্মচাৰীসকলে বাহনত আশ্ৰয় ল'বলগীয়া হয়। চিকিৎসালয়খনৰ ভিতৰত থকা দৰৱ, নথিপত্ৰ আৰু মূল্যবান সামগ্ৰীবোৰ পানীত পৰি নষ্ট হৈ গৈছে। চিকিৎসালয় গৃহত তিৰ্পাল দি পানীৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে যদিও ডাঙৰ বৰষুণত ভিতৰলৈ পানী সোমাই মজিয়া বুৰি যায়। এই অৱস্থাই চিকিৎসা সেৱা আগবঢ়োৱা ক্ষেত্ৰতো বিঘিনি ঘটাইছে। তদুপৰি, মহিলা কৰ্মচাৰীসকলৰ বাবে প্ৰস্ৰাৱগাৰৰ সুবিধা নথকাৰ বাবে তেওঁলোকেও দৈনন্দিন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় বিধায়ক আৰু পশুপালন বিভাগৰ উপেক্ষাৰ ফলত এই দুৰৱস্থা সৃষ্টি হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। চিকিৎসক-কৰ্মচাৰীসকলে ভয়ত পশু চিকিৎসালয়খনৰ ভিতৰলৈ সোমাব নোখোজা পৰিস্থিতিৰ সৃষ্টি হৈছে। এই পৰিপ্ৰেক্ষিতত যোৰহাট জিলা আছুৰ উপ-সভাপতি পৰীক্ষিত ফুকন আৰু বিত্ত সম্পাদক সুবিৰ ৰাজ নেওগে এই পশু চিকিৎসালয়খনৰ শীঘ্ৰে পুনঃনিৰ্মাণৰ দাবী জনাই চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ আহ্বান জনাইছে। চেলেংহাটৰ দৰে কৃষিপ্ৰধান অঞ্চলত থকা এনে গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ অৱনতিয়ে বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অকৰ্মণ্যতাক প্ৰতিফলিত ঘটাইছে বুলি এতিয়া ক্ষোভ উজাৰিছে স্থানীয় পশুপালক ৰাইজে। গো-প্ৰজনন কেন্দ্ৰটোৰ দুৰৱস্থাই পশুপালকসকলক উদ্বিগ্ন কৰি তুলিছে।

# বৈভৱলৈ ১০ লাখ টকা পুৰস্কাৰ ঘোষণা বিহাৰৰ

**পাটনা, ২৯ এপ্ৰিলঃ** মাত্ৰ ১৪ বছৰ ৩২ দিন বয়সতে আইপিএলত শতক অৰ্জনেৰে নজিৰ গঢ়িলে বৈভৱ সূৰ্যবংশীয়ে। এই সাফল্যৰ পিছতে 'ঘৰৰ ল'ৰা' বৈভৱৰ বাবে ১০ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। চলিত বৰ্ষৰ শেষৰ ফালে বিহাৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বহুতে মুখ্যমন্ত্ৰীৰ এই ঘোষণাক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলিও অভিহিত কৰিছে। উল্লেখ্য যে, আইপিএলৰ নিলামত সৰ্বকনিষ্ঠ ক্ৰিকেটাৰ হিচাপে ১.১০ কোটি টকাত ৰাজস্থান ৰয়েলছে লাভ কৰিছিল বৈভৱক। তাৰ পিছত প্ৰথমখন মেচৰ প্ৰথমটো বলতে ছয় মাৰি তেওঁ সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। আৰু ইয়াৰ পিছতে সোমবাৰে জয়পুৰত গুজৰাটৰ বিৰুদ্ধে ৩৫ বলত শতক অৰ্জন কৰি ক্ৰিকেট জগতত আলোড়নৰ সৃষ্টি কৰে বৈভৱে। কেৰিবিয়ান তাৰকা ক্ৰীছ গেইলৰ ৩০ বলত শতক অৰ্জন কৰাৰ পিছত এইটোৱেই হৈছে আইপিএলৰ দ্বিতীয় দ্ৰুততম শতক। শচীন তেণ্ডুলকাৰৰ পৰা আৰম্ভ কৰি চিৰাগ পাছৱান, আনকি মুখ্যমন্ত্ৰী নীতিশ কুমাৰলৈকে সকলোৱে ক্ৰিকেটাৰগৰাকীক প্ৰশংসা কৰিছে। নীতিশে নিজৰ এক্স হেণ্ডেলত লিখিছে, "বৈভৱ সূৰ্য্যবংশীক অভিনন্দন। তেওঁৰ প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰমে ভাৰতীয় ক্ৰিকেটক নতুন আশাৰ সঞ্চাৰ কৰিছে। কালি তেওঁক ফোন কৰি অভিনন্দন জনাইছো। ৰাজ্য চৰকাৰে তেওঁক ১০ লাখ টকাৰ পুৰস্কাৰ দিব।"

# প্ৰাক্তন খেলুৱৈ তিলক মেধিৰ বিয়োগ

**ই-সংবাদ, অভয়াপুৰী, ২৯ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ প্ৰাক্তন ফুটবল খেলুৱৈ তথা সৃজনগ্ৰাম উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তিলক মেধিৰ আজি আবেলি মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। জানিব পৰামতে, সৃজনগ্ৰাম অঞ্চলৰ চুকানীৰ বাসিন্দা মেধি এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ হিচাবে পৰিচিত হোৱাৰ উপৰিও পৰৱৰ্তী সময়ত অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ পৰিছিল। আজি কিছুদিনৰ বাবে মেধি শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ পাচত আবেলি তিনিমান বজাত নিজ ঘৰতে ইহলীলা সম্বৰণ কৰে।




আইপিএল ২০২৫: দিল্লী কেপিটেলছৰ বিৰুদ্ধে ছুইপ শ্বট কলকাতা নাইট ৰাইডাৰ্ছৰ ৰিংকু সিঙৰ

## অন্ত পৰিল ডেৰ দশক পুৰণি ৰাজনৈতিক আৰু আইনী বিতৰ্কৰ

# কমনৱেল্‌থ গেমছ কেলেংকাৰীত সুৰেশ কালমাদীক ক্লীন চিট আদালতৰ

**নতুন দিল্লী, ২৯ এপ্ৰিলঃ** অন্ত পৰিল এক ১৫ বছৰীয়া বিতৰ্কৰ! অৱশেষত কমনৱেলথ গেমছ কেলেংকাৰিৰ ধন সৰবৰাহৰ অভিযোগৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ল সুৰেশ কালমাদী আৰু ললিত ভানোট। দিল্লীৰ ৰাউজ এভিনিউ আদালতৰ ৰায়দানৰ ফলত দশকৰো অধিক সময় ধৰি চলি থকা ৰাজনৈতিক যুদ্ধ আৰু আইনী বিতৰ্কৰ অন্ত পৰে। এই ৰায় নিঃসন্দেহে কংগ্ৰেছৰ বাবে এক বৃহৎ ৰাজনৈতিক জয় হিচাপে পৰিগণিত হৈছে। উল্লেখ্য যে, ২০১৪ চনত কংগ্ৰেছৰ পতনৰ এক অন্যতম কাৰণ আছিল এই কেলেংকাৰীৰ অভিযোগ। ডঃ মনমোহন সিঙৰ চৰকাৰ আৰু দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শীলা দীক্ষিতৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগে বছৰ বছৰ ধৰি কংগ্ৰেছক বিদ্ধ কৰি আহিছিল। বিজেপি আৰু কেজৰিৱালৰ আম আদমী পাৰ্টিয়ে একেলগে এই গোচৰটো ব্যৱহাৰ কৰি কংগ্ৰেছক দুৰ্নীতিৰ প্ৰতীক হিচাপে চিত্ৰিত কৰিছিল। অৱশ্যে আদালতৰ ৰায়দানত স্পষ্ট কৰি দিলে যে কোনো প্ৰমাণ নাই। ইডিৰ ছীলবন্ধ প্ৰতিবেদন গ্ৰহণ কৰি আদালতে কয় যে, "অধিক তদন্তৰ কোনো লাভ নাই। এই গোচৰটো অব্যাহত ৰখাৰ যুক্তি শেষ হৈছে।" উল্লেখ্য যে, চিবিআইয়ে বন্ধ কৰি দিয়া গোচৰৰ ভিত্তিত ইডিয়ে ধন সৰবৰাহৰ তদন্ত আৰম্ভ কৰিছিল। কিন্তু দীৰ্ঘদিনীয়া তদন্তৰ অন্ততো একো পোৱা নগ'ল। সেয়েহে আদালতে আনুষ্ঠানিকভাৱে ঘোষণা কৰে যে কলমাদী আৰু ভানোটৰ বিৰুদ্ধে আৰু কোনো অভিযোগ নাই। এই ৰায়ক কেন্দ্ৰ কৰি যি এতিয়া বিজেপিক উভতি ধৰিছে কংগ্ৰেছ শিবিৰে। জয়ৰাম ৰমেশে কঠোৰ ভাষাত আক্ৰমণ কৰি কয়, "২০১৪ চনৰ আগতে বিজেপি আৰু কেজৰিৱালে ২জি আৰু কমনৱেলথ কেলেংকাৰী সৃষ্টি কৰি আমাৰ বিৰুদ্ধে ৰাজনৈতিকভাৱে ষড়যন্ত্ৰ কৰিছিল। আজি প্ৰমাণিত হৈছে যে সকলো মিছা আছিল। মোদী আৰু কেজৰিৱালে এতিয়া দেশবাসীৰ ওচৰত ক্ষমা খুজিবনে?" পৱন খেড়াই কয়, "বছৰ বছৰ ধৰি এই গোচৰসমূহ কেৱল ৰাজনৈতিক হাৰাশাস্তিৰ বাবে ব্যৱহাৰ কৰা হৈছে। এতিয়া মানুহে সত্য জানিব পাৰিব।" ইফালে, আদালতৰ ৰায়দানৰ পিছতে কংগ্ৰেছ কৰ্মীসকলে প্ৰাক্তন আয়োজক সমিতিৰ অধ্যক্ষ সুৰেশ কালমাদীৰ বাসগৃহৰ বাহিৰত মিঠাই বিতৰণ কৰি এই ৰায়দান উদযাপন কৰে। বহু ৰাজনৈতিক বিশ্লেষকে এক্সত লিখিছে, 'এই ৰায় কেৱল ব্যক্তিগত নহয়, কংগ্ৰেছৰ নৈতিক আৰু কৌশলগত জয়।' প্ৰণিধানযোগ্য যে, ২০১০ চনৰ কমনৱেলথ গেমছত ভাৰতে ৩৮টা সোণকে ধৰি ১০১টা পদক লাভ কৰি ইতিহাস ৰচনা কৰিছিল। কিন্তু সেই কৃতিত্বত লাগিছিল দুৰ্নীতিৰ চেকা। আজি এটা দশকৰো অধিক সময়ৰ পিছত অৱশেষত কংগ্ৰেছৰ গাৰ পৰা আঁতৰিল দুৰ্নীতিৰ দাগ।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি